# চীনা লুইতৰ পাৰে পাৰে



দেৱানন্দ ভৰালী

# চীনা লুইতৰ পাৰে পাৰে

শ্ৰীদেৱানন্দ ভৰালী

দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী -১ : অসম।

প্ৰকাশক—
শ্ৰীমুণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা এম. এ,
দত্তবৰুৱা এণ্ড কোম্পানী
গুৱাহাটী-১ ঃ অসম।

প্ৰথম প্ৰকাশ
জুন ১৯৭২

মূল্য—চাৰি টকা

মুদ্ৰক ঃ
শ্ৰীতাৰা প্ৰেছ
৩৯।৪, ৰামতনু বোস লেন,
কলিকতা-৬

১

এবাৰ অকৃতকাৰ্য্য হৈ সেইবাৰ মই আকৌ মেট্ৰিক পৰীক্ষা দিছো। পৰীক্ষা চলি আছে; কাইলৈ জানিবা বুৰঞ্জীৰ পৰীক্ষা। ভাৰত বুৰঞ্জী কিতাপটো আগত মেলি লৈ মূৰে-কপালে হাত দি বহি আছো। পূৱে শদিয়াৰ পৰা পশ্চিমে সিন্ধু নদীলৈকে, উত্তৰে কাশ্মীৰৰ পৰা দক্ষিণে কুমাৰীকালৈকে এই বিৰাট ভূ-খণ্ডৰ বুৰঞ্জী নিশাটোৰ ভিতৰতে মই কেনেকৈ আয়ত্ত কৰিম? অগণন তাৰিখবোৰ, ততোধিক ৰজা-মহাৰজাৰ নামবোৰ কেনেকৈ মনত ৰাখিম?

ধন্য ধন্য লং ফেলো' (Longfellow); তেওঁ ভাবিচিন্তি লিখি থৈ গ'ল—"Let the dead past bury its dead"—কেনে গভীৰ অৰ্থপূৰ্ণ কথা কৈ গ'ল! নিশ্চয় তেওঁ বুৰঞ্জীৰ প্ৰতি বীতশ্ৰদ্ধ আছিল। কিন্তু তেওঁৰ কথা শুনে কোনে? মৰা অতীতৰ গাঁতত পোত খাই থকা কথাবোৰ খুচৰি উলিয়াই আৰ্কিয়লজিষ্ট আৰু ইন্দোলজিষ্ট নাম লৈ কিছুমানে বাহাদুৰি কৰে আৰু সেই সোপা কথাকে বুৰঞ্জীত ভৰাই তাৰ আকাৰ ডাঙৰ কৰে। মৰেগৈ নিৰপৰাধী ছাত্ৰ সমাজ।

আমাৰ ফালে কওঁতা আৰু আছে। এজন জনা-শুনা কবিয়ে লিখি থৈ গৈছে—"অতীত মৰিল, গ'ল; তাৰ কথা অন্ত হ'ল; অতীতক পেলোৱা পাহৰি।" আহা, কি মহান সত্য! কোনে দুই কৰিব পাৰে? লং ফেলো'ও কবি; দুৱৰাও কবি আৰু দুয়ো বুৰঞ্জীৰ বিষয়ে একেদৰে ভাবে, ময়ো ভাবো। তেনেহলে মইনো কবি নহম কিয়? নিশ্চয় হ'ম; আনহাতে যিবোৰ মানুহৰ মন বুৰঞ্জীৰ কথাৰে ঠাহ খাই

থাকে সেইবিলাকৰ সৃজনী শক্তি নাই; এতেকে কবি হ'ব নোৱাৰে।

বুৰঞ্জীৰ জ্ঞানে আমাক নতৰায়। তাহানিৰ স্বাধীন অসমৰ ৰাজ-পুৰুষসকলে খুব বুৰঞ্জী চৰ্চ্চা কৰিছিল। তাকে লৈ কেতিয়াবা দ্বন্দ-খৰিয়ালো কৰিছিল। এজনে খণ্ডৰ ভমকত বুৰঞ্জীবোৰ গোটাই তাৰ কাঠ সংস্কাৰ কৰিছিল; ভাল কৰিছিল। সমসাময়িক জগতত নো কি ঘটিছে তালৈ পিঠি দি কেৱল বুৰঞ্জীত দেহেকেহে লাগি থাকোঁতে ৰাজ্যখনকে হেৰুৱালে।

বুৰঞ্জীবোৰ ডাঙৰ ডাঙৰ আলমাৰিত থাকক; আৱশ্যক হ'লে পঢ়িব লাগে। মনত আনি সুমোৱাৰ কি আৱশ্যকতা? সেই জ্ঞান কি কামত আহে? বুৰঞ্জীৰ ঘটনাসমূহ জানো প্ৰকৃতিয়ে আকৌ দোহাৰিব? জগত সদায় পৰিবৰ্ত্তনশীল; এতেকে আগৰ পুৰণি কথা জনাৰ পৰা একো লাভ নাই। যি অলপ শিক্ষা পোৱা যায় সি নগণ্য।

এখন দেশৰ অতীত বুৰঞ্জী পঢ়া আৰু এটা দীঘল স্বপ্ন দেখা একে কথা। সিহঁতৰ মূল্যও একে। কোনোৱে কোনোৱে কয় পুৰণি কথা জানিলে তাৰ পৰা এটা আনুষঙ্গিক আনন্দ পোৱা যায়; কথাটো সঁচা হলেও বুৰঞ্জীৰ ক্ষেত্ৰত নাখাটে। সসৈন্যে মিৰ্জুমলা আহি আমাৰ স্বৰ্গদেৱক চৰাই খোৰোঙলৈ খেদি গড়গাঁও ৰাজধানী অধিকাৰ কৰিলে; পাচত অজস্ৰ ধন-সোণ, হাতী হুতা আৰু লিগিৰী-লিকচৌৰে সৈতে ৰমণী গাভৰুক লৈ গ'ল; এই বুৰঞ্জীমূলক জ্ঞানটোৱে বাৰু কোনজন অসমীয়াৰ বুকুত আনন্দৰ খলকনি তুলিব? বৰং লজ্জাহে দিব।

এই অধ্যায়টো অসম বুৰঞ্জীৰ পৰা বাদ দিয়া হলেনো কি হানি হ'ল-হেঁতেন? আমি লাজত তল মূৰ কৰিব নালাগিলহেঁতেন।

চমুতে কবলৈ গলে বুৰঞ্জী পঢ়াৰ পৰা মানুহৰ মাজত ভ্ৰাতৃত্ব ভাৱৰ সলনি ঈৰ্ষা, হিংসা আদি ভাৱেহে গজালি মেলে। মোৰ যদি অলপ কৰ্তৃত্ব থাকিলহেঁতেন, ভাৰত বুৰঞ্জীৰ পৰা পৰাধীনতাৰ যুগটো, অৰ্থাৎ বাৰশ খৃষ্টাব্দৰ পৰা উনৈশ শ পঞ্চাশ খৃষ্টাব্দলৈকে এই ছোৱা কালৰ

বুৰঞ্জী সমূলি বাদ দিলোহেঁতেন। মোক এজন দৈৱজ্ঞই কৈছিল, ইংৰাজৰ ৰাজত্ব আৰু চাৰি বছৰতে ওৰ পৰিব। এই চাৰে সাতশ বছৰৰ বুৰঞ্জী বাদ দিয়া হ'লে কাৰো একো ক্ষতি নহলহেঁতেন। বৰং অনেক লাভ হ'লহেঁতেন; যেনে—ছাত্ৰ সমাজৰ মস্তিষ্ক অলাগতিয়াল কথাৰে ভাৰাক্ৰান্ত নহলহেঁতেন। দ্বিতীয়তে, আজি ভাৰতত সাম্প্ৰদায়িক সংহতি ঘটাবলৈ মহাত্মা গান্ধীকে আদি কৰি আমাৰ নেতাসকলে যিমান মূৰ ঘমাইছে, সেই ঘাম এটোপাও নপৰিলহেঁতেন। ভাৰত-বাসীৰ নিচিনা এটা সানমিহলি জাতিৰ ওপৰত বুৰঞ্জীৰ প্ৰভাৱ বিষতুল্য। বুৰঞ্জীৰ বিষবৃক্ষ উভালি নেপেলায় মানে ভাৰতত সাম্প্ৰদায়িক সংহতি নহব।

'যখন সুনীল জলধি হইতে উঠিল জননী ভাৰতবৰ্ষ' তেতিয়াৰ পৰা এতিয়ালৈ অন্ততঃ এককোটি বৰ্ষ হৈছে। এই সুদীৰ্ঘ কালৰ কিমান যে ক্ষুদ্ৰাদপি ক্ষুদ্ৰ অংশৰ বুৰঞ্জী আমাৰ বুৰঞ্জীবিদসকলে জানে, ভাবিলে লাজেই লাগে। তদুপৰি বুৰঞ্জীত লিখা কথাবোৰ জানো আটাইবোৰ সঁচা? লেখকসকলে সত্যত প্ৰৱৰ্ত্তিব বুলি শপত খোৱা নাছিল। অনেক সত্য কথা লুকুৱাই ৰাখি নতুন মিছা কথা জোৰা দিছে। এটা উদাহৰণ—আজিকালি প্ৰতিপন্ন হ'ল যে আগ্ৰাৰ তাজমহলটো গুৰিতে শিৱ-মন্দিৰ আছিল; দিল্লীৰ কুতুব মিনাৰটো পূৰ্ব্বত কোনো হিন্দু ৰজাই স্থাপন কৰা কীৰ্তিস্তম্ভ আছিল। কিন্তু বুৰঞ্জীয়ে সঁচাক মিছা আৰু মিছাক সঁচা কৰিছে। তেনেকুৱা অসত্যবাদী বুৰঞ্জী পঢ়ি আমি ভো-ভো পণ্ডিত। কথা ভাবি থাকোঁতে টোপনিয়ে হেঁচা মাৰি ধৰিলে। মেলা কিতাপ মেলাতে থাকিল।

পাচ দিনা পৰীক্ষাগাৰত যথা সময়ত প্ৰৱেশ কৰি নিজ ঠাইত বহিলোঁ। মাষ্টৰে প্ৰশ্নৰ 'পেপৰ' হাতে হাতে দি গ'ল। সেইখন তিনিবাৰ মান ঘূৰাই পকাই পঢ়ি মনঃপুত কোনো এটা প্ৰশ্ন বিচাৰি নেপাই প্ৰশ্নকৰ্ত্তাক হেপাহ পলুৱাই গালি পাৰিলোঁ। ইফালে সিফালে চকু ফুৰাই চাই দেখিলোঁ পৰীক্ষাৰ্থীবোৰৰ কলমবোৰে কাগজৰ ওপৰত বৰ উৎপাত লগাইছে। মই একো নকৰি বহি থাকিলে দেখিবলৈ বৰ বেয়া হ'ব, প্ৰহৰী সকলে কি ভাবিব! ইয়াকে গুণি-গাঁথি মইও কলম চলাবলৈ ধৰিলোঁ। যোৱা নিশা বুৰঞ্জীজ্ঞানৰ অসাৰতা সম্বন্ধে যিবোৰ মূল্যবান তথ্য মনত উদয় হৈছিল সেইবোৰকে বহলাই লিখিলোঁ। ভাবিলোঁ, অন্ততঃ "এনসৰ পেপৰ" বোৰ যিজনে পৰীক্ষা কৰিব তেওঁ উপকৃত হ'ব। তাতে আৰু দুই চাৰি কথা জোৰা দিলোঁ; যেনে, আমাৰ দেশৰ চিৰস্মৰণীয় মহাপুৰুষসকলে জানো বুৰঞ্জী পঢ়িছিল? তেতিয়া কোনো ধাৰাবাহিক বুৰঞ্জী-কিতাপ প্ৰকাশ হোৱাই নাছিল। বুৰঞ্জী মুখস্থ নকৰাকৈয়ে তেওঁলোকে আজিকোপতি আমাৰ মনত ঢৌ খেলি আছে।

এই মহাপুৰুষসকলে যে বুৰঞ্জী একেবাৰে পঢ়া নাছিল সেইটোও নহয়। তেৰাসকলে নিশ্চয় পঢ়িছিল—ৰামায়ণ, মহাভাৰত, অষ্টাদশ পুৰাণ আৰু উপপুৰাণ। এইবোৰৰ কিছুমান আছিল মনে পতা বুৰঞ্জী; কিন্তু জ্ঞানগৰ্ভ। এই মনে পতা বুৰঞ্জীবোৰ পঢ়ি তেওঁলোক সভ্যতাৰ উচ্চতম স্তৰলৈ উঠিছিল আৰু আনকো তুলিছিল। মোৰ গুৰুস্থানীয় শিক্ষকসকলৰ আৰু তেওঁলোকৰো গুৰুস্থানীয় ইউনিভাৰ্চিটি চলোৱা কাৰ্য্য-পালিকাসকলক মই কওঁ, তেওঁলোকে যদি স্কুল আৰু কলেজত আধুনিক বুৰঞ্জীবোৰৰ সলনি ৰামায়ণ, মহাভাৰত আৰু পুৰাণবোৰ পাঠ্য-পুথি কৰি দিয়ে, তেতিয়াহলে তেওঁলোকে দেশৰ মহৎ উপকাৰ কৰিব। তেতিয়া দেশত ছাত্ৰৰ উদ্ভণ্ডালিও গুচিব আৰু শিক্ষাৰ গুৱিয়াল-

সকলকো ছাত্রই মলুৱা বান্দৰ বুলি ইতিকিং নকৰিব। শাস্ত্ৰবিলাকে মানুহৰ চৰিত্ৰ গঠন কৰি সমাজত শৃঙ্খলা আৰু শান্তি স্থাপন কৰিব। আনহাতে আধুনিক বুৰঞ্জীয়ে তাৰ বিপৰীতটো কৰে। কোনোবা যুগতে ঘটা জাতিৰ মাজত বিবাদ আধুনিক বুৰঞ্জীয়ে খুচৰি খুচৰি জীয়াই ৰাখে মাত্ৰ। এই বুৰঞ্জীবোৰে অনেক স্থলত বেয়া কথাহে শিকায় আৰু মানুহৰ মাজত হিংসানল জ্বলাই প্ৰলয় কাণ্ড ঘটায়। কেতিয়াবা অতি অসৎ উদাহৰণো দাঙি ধৰে। বাপেকক মাৰি বা বন্দী কৰি, ভাই-ককাইৰ তেজেৰে নিজৰ হাত ৰাঙলী কৰি সিংহাসনত উঠা কথা আমি বুৰঞ্জীত পঢ়িবলৈ পাওঁ। এনে বুৰঞ্জী পাঠ্য পুথি কৰা উচিত নে জুইত পুৰি পেলোৱা উচিত? "ধন্য সেই দেশ, যি দেশত হোৱা নাই বুৰঞ্জী উন্মেষ"- (কবি বৰদলৈ)।

এনে বহুত কথা লিখি 'এন্সৰ্ পেপৰ' বহীটো বেছ বুজন কৰিলোঁ। নিচেই তলত পৰীক্ষকলৈ এই বুলি লিখিলোঁ—

শ্ৰীশ্ৰীদুৰ্গা

পৰীক্ষক মহাশয়,

মোৰ 'এন্সৰ পেপৰ'-খন কৃপাদৃষ্টিৰে চাব যাতে মই অন্ততঃ 'পাস্' মাৰ্ক্‌টো পাওঁ—মই চিৰকাল আপোনাৰ ওচৰত কৃতজ্ঞ থাকিম।

ইতি
আপোনাৰ বাধ্যছাত্ৰ
শ্ৰীগৌৰীচৰণ বৰদলৈ
তৰাজান, যোৰহাট
অসম।

এমাহ মানৰ পাচত ডাক পিয়নে মোক এটা দীঘল লেফাফা দি গ'ল। কোনো কালে নোপোৱা ইমান দীঘল লেফাফাটো হাতত লৈ মোৰ যেন মৰ্য্যাদা বাঢ়িলে এনে অনুভৱ কৰিলোঁ। লেফাফাৰ ওপৰত ছপা কৰা আছে 'University of Calcutta'। তেতিয়া মোৰ বুকুখনে ধান বানিবলৈ ধৰিলে ; ভাবিলো কিবা এটা অভাৱনীয় সু-খবৰ আনিছে। লেফাফাটো মেলি চাই দেখিলোঁ, মোলৈ 'পেপৰ্ এগ্জামিনৰে' এখন চিঠি দিছে। তাত লিখিছে—"বুৰঞ্জী চব্জেক্টত তোমাৰ মৌলিক গৱেষণাপূৰ্ণ এন্সৰ পেপৰখন পঢ়ি বৰ সন্তোষ পালোঁ। সেইখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যলৈ উৎপ্ৰেৰণ কৰা হৈছে আৰু তোমাক D. Phil (filthy) উপাধি এটাৰে ভূষিত কৰিবলৈ টানি লিখি পঠিয়াইছোঁ।

ইতি

কলিকতা ( চহীটো মাতিব নোৱাৰি )

মেট্ৰিক পৰীক্ষক ( বুৰঞ্জী শাখা )

চিঠিখন কেইবাবাৰো পঢ়ি স্বৰ্গ ঢুকি পালোঁ যেন লাগিল। এখোপ এখোপ কৈ জখলা বগাই যোৱাতকৈ একে জাপে মূধত উঠাৰ সমান একো হ'ব নোৱাৰে। এই কথাটো মোৰ বন্ধু আব্দুল আজিজক গোপনে কৈছিলো। কিন্তু তেওঁ মোৰ বিনানুমতিতে ৰাষ্ট্ৰ কৰি দিলে। তেওঁৰ পৰাই তোমালোক সকলোৱে জানি মোক 'ডক্তৰ বৰদলৈ' বুলি জোকাবলৈ ধৰিলাহঁক। যদিও পোনতে তোমালোকে মোক পিন্ধোৱা এই ইতিকিঙৰ টুপীটোৱে বিন্ধিছিলে, পাচলৈ কিন্তু ই সহ্য হ'ল! তেতিয়াৰ পৰা মোক ডঃ বৰদলৈ বুলি সকলোৱে জানে।

আকাশত চাং পাতি বহি থাকোঁতে হঠাৎ এদিন 'মেট্ৰিকৰ ৰিজল্ট্' কাগজত ওলাল। দাস্ কোম্পানীৰ দোকানত বাতৰি কাকত বিচৰা ল'ৰাবোৰৰ মাজত কঢ়া আজোৰা। আগৰ পৰা গুৰিলৈকে কাগজখন

চৌনা লুইতৰ

কেইবাবাৰো চাই মোৰ 'ৰ'ল নম্বৰটো' নেদেখি হতাশ মনেৰে, ঘৰলৈ আহি বৌটিক ক'লোঁ, "বৌটি, মই আৰু নপঢ়োঁ; দেউতাই যিখিনি সা-সম্পত্তি এৰি থৈ গৈছিল, সেইখিনি খাই শেষ কৰিলোঁ; এতিয়া ৰোৱাতী মাটি কিডৰা বেচি বা বন্ধক দি পঢ়িলেহে হ'ব; তেনে মুৰ্খামি নকৰোঁ।"

বৌটিৰ কথালৈ কৰ্ণপাত নকৰি মই পিচদিনা কাম বিচাৰি ৰবৈয়া 'এয়াৰ ফিল্ডলৈ' বেগ দিলোঁ। তাৰ সেই ডাঙৰ 'অফিছ' ঘৰটোৰ বাৰান্দাত টহল দি আছো। সিফালৰ পৰা এজন আমেৰিকেন চাহাবে আহি সুধিলে, "What do you want?" চাকৰি বিচাৰি আহিছো বুলি মই ইংৰাজীতে উত্তৰ দিলোঁ। তাহানিৰ বন্ধু ললিত ভূঞাৰ দৰে মোৰ মুখত ইংৰাজী কথাবোৰ আখৈ ফুটা দি ফুটে; চাহাবে মোৰ লগত কথা পাতি বৰ ভাল পালে। নতুন যৌৱন দীপ্ত মোৰ উজ্জ্বল গঢ়িত মুখ আৰু আকৃতি দেখি আৰু সকলো কথাৰ যথা-যথ উত্তৰ নিৰ্ভীক ভাৱে দিয়া দেখি চাহাবে ভাল পালে আৰু মোলৈ অনুগ্ৰহ হ'ল। মোক এটা কোঠালিত নি বহুৱাই সুধিলে, "Won't you have a cup of tea?" মই ততালিকে উত্তৰ দিলোঁ, "Thank you, I would"। তেতিয়া এটা খানচামাক মাতি আনি কিবা কৈ গুচি গ'ল। অলপ পাচতে খানচামাই এখন প্লেট খাদ্য সামগ্ৰীৰে ভৰাই এ'কপ' চাহপানীৰে সৈতে মোৰ আগত থৈ গ্ৰহণ কৰিবলৈ চকুৰেই মোক আহ্বান কৰিলে। মইও বিনা দ্বিধাই সকলোখিনি খাই শেষ কৰিলোঁ।

অলপ পাচতে সেই আমেৰিকেন চাহাবে হাতত একোছা চাবি লৈ ওলাই আহি মোক কলে যে যদি মই যোৰহাটলৈ ঘূৰি যাওঁ, তেনেহলে তেওঁৰ লগতে যাব পাৰিম। মই আনন্দেৰে সেই প্ৰস্তাৱত মান্তি হোৱাত তেওঁ কলে; "Come along"। বাটত আহোঁতে তেওঁ মোক কলে যে কাম খালি আছে কিন্তু পৰিশ্ৰম-বিমুখী মানুহক তেওঁ কাম নিদিয়ে। তেওঁ আৰু কলে যে অসমীয়া মানুহে পৰিশ্ৰম কৰিব নোৱাৰে। সেইটো প্ৰতিবাদ কৰি মই কলোঁ মোক কামত নিযুক্ত কৰি প্ৰমাণ চাবলৈ।

খন্তেক নিতাল মাৰি থকাৰ পাচত তেওঁ ইংৰাজীতে কলে, "আমাক এটা বুধিয়ক আৰু ইংৰাজী ভাষা জনা ডেকা ল'ৰা লাগে ; কিন্তু বৰ্ত্তমান মাহে পঞ্চাশ্ টকাতকৈ সৰহ দৰ্মহা দিয়া নহব। তুমি ইচ্ছা কৰিলে কামত যোগ দিব পাৰিবা ; আগত পহিলা তাৰিখে আমাৰ অফিছত হাজিৰ হ'ব লাগিব।" তেওঁৰ প্ৰস্তাৱ মই আনন্দেৰে গ্ৰহণ কৰিলোঁ আৰু পহিলা তাৰিখে ( তেতিয়া মাত্ৰ আৰু দহদিন আছিল ) মই গৈ অফিচত্ হাজিৰ হ'ম বুলি কথা দিলোঁ। যোৰহাট বজাৰত মোক নমাই থৈ তেওঁ কেনিবা গুচি গ'ল আৰু মই ঘৰলৈ আহি বৌটিক সকলো কথা কলোঁ। তেওঁ কাণ পাতি শুনিলে আৰু উলহ-মালহ কৰি ভাত ৰান্ধিবলৈ আখলত সোমাল।

ৰাতি ভাত-পানী খাই মোৰ ভাগৰুৱা দেহা আৰু উগুল-থুগুল মনটোক বিশ্ৰাম দিবলৈ বুলি বিছনাত দীঘল দিলোঁ। অনেকবাৰ ইকাতি-সিকাতি কৰিলোঁ ; কিন্তু টোপনি নাহে। এটা মাত্ৰ চিন্তাই মোৰ মনটোক দখল কৰি বহিলে—'কাহানিকৈ পহিলা তাৰিখ হ'ব ?' আৰু দহ নিশা আছে ; কেতিয়াকৈ দহ গুচি ন হ'ব ; আকৌ ন গুচি আঠ হ'ব ; ইত্যাদি ভাৱনা মোৰ মনত চেলাপেটী জোক লগা দি লাগি ধৰিলে ; একোপধ্যে নেৰায়। দূৰ-দূৰণিত টং টং কৈ কাঁহত এঘাৰটা কোব পৰা শুনিলো ; মোৰ চকুত টোপনি নাই। এবাৰ ভাবিলোঁ. অকল ময়েই নহওঁ ; পৃথিৱীত লাখ লাখ মানুহে এই 'পহিলা' তাৰিখটোক দহদিন মানৰ আগৰ পৰা ধিয়াই থাকে ; বিশেষকৈ মাহেকীয়া বেতন পোৱা সকলে আৰু যি সকলে কালিয়নকৈ দোকানৰ পৰা বস্তু আনি খায়।

উৰহী গছৰ ওৰ বিচাৰি ফুৰা মোৰ মনটোৱে ভাবি পালে গৈ, এই বৰ্ত্তিষ্ণু পৃথিৱীখন খৰকৈ ঘূৰিলেই 'পহিলা' তাৰিখটো বাধ্য হৈ চাপি আহিব। এতেকে মা ধৰিত্ৰীকহে আৰাধনা কৰিব লাগে। সেইটোকে স্থিৰ কৰি পৃথিৱীমাতৃক ধ্যান কৰিবলৈ লাগি গলোঁ ; আৰু তাকে কৰি থাকোঁতে মোৰ টোপনি আহিল। ৰাতিপুৱা বেলিকা এটা সমাজিক দেখিলোঁ—আই ধৰিত্ৰীয়ে মোৰ মূৰৰ শিতানত বহি যেন

কলে, "গৌৰী, মই খৰকৈ ঘূৰিব পাৰোঁ ; কিন্তু দেশত যে-হেজাৰ-বিজাৰ ঘৰীবোৰ আছে সিহঁতে মোক ধৰা পেলাব আৰু ক'ব—'বুঢ়ী দেখোঁ বৰ চঞ্চলা হ'ল।" তাকে কৈ তেওঁ কেনিবাদি লুকালে ; মই সাৰ পালোঁ।

নির্দ্দিষ্ট দিনা পুৱা ন বজাতে মই 'এয়াৰ ফিল্ডত' হাজিৰ হ'লোঁগৈ। সেই চিনাকী আমেৰিকেন চাহাবজনক দেখি 'Good morning' বুলি ওচৰ চাপিলোঁ। তেওঁ মোক এটা অফিছ কোঠালৈ লৈ গ'ল। তাত অইন এজন আমেৰিকেনে মেজত কিবা লিখা-পঢ়া কৰিছে। তেওঁকো এটা 'চেলাম' ঠুকি ওচৰত থিয় হ'লোঁগৈ। তেওঁলোক দুই জনৰ মাজত কিছুপৰ কথা-বতৰা হোৱাৰ পাচত অফিচত বহি থকা জনে মোৰ নাম, ধাম, বয়স আৰু কিমানলৈ পঢ়িছিলোঁ সকলো সুধি-পুছি কাগজত লিখিলে ; আৰু সেই কাগজখনৰ তলফালে মোক চহী কৰিবলৈ কলে। তাৰ পাচত মোৰ চিনাকী জনে মোক 'হেংগাৰ' অর্থাৎ এৰোপ্লেনবোৰ থোৱা ছালি খনৰ তললৈ লৈ গ'ল। তাত এখন চোতালত বহুত যন্ত্র-পাতি পৰি আছে, যিবোৰ এৰোপ্লেনৰ অংশ বিশেষ। সেইবোৰত তেল সানি, ফটা কানিৰে মোহাৰি চাফা কৰিবলৈ মোক লগাই দিলে। কামিজটো সোলোকাই লং পেণ্টটো আঠুলৈকে কোচাই লৈ কামত লাগি গ'লোঁ। এটা অর্থকৰী কামত নিযুক্তি পাই ফুর্ত্তি লাগিল। প্রায় বাৰমান বজাত চিনাকী চাহাব জনে আহি সুধিলে—কাম কৰি কেনে পাইছোঁ। মই হাঁহি মুখেৰে উত্তৰ দিলোঁ যে সেইটো নিচেই সহজ কাম। তেতিয়া তেওঁ মোক হাত ভৰি ধুই মধ্যাহ্ন আহাৰ খাই আহিবলৈ কলে। মই কলোঁ, "মোৰ ঘৰ বহুত দূৰত, একেবাৰে গধূলিকৈ যাম গৈ।" তেওঁ কলে, "You take your midday meal here," অর্থাৎ 'তোমাৰ মধ্যাহ্ন ভোজন ইয়াতে কৰা'। এই বুলি কৈ তেওঁ এটা মানুহ মাতি আনি কিবা হুকুম দিলে। সি মোক বাট দেখুৱাই লৈ গ'ল য'ত কেৰাচিন তেল, চাবোন আৰু সৰহকৈ পানী আছে। হাত ভৰি ধোৱা হ'লত সেই মানুহটোৱে মোক ৰান্ধনি ঘৰলৈ লৈ গৈ এখন মেজৰ ওচৰত চকীত বহুৱাই গুচি গ'ল। অলপ পাচতে

খান্‌চামাই মোৰ আগত ভাত, দাইল আৰু এটা সিজোৱা কণী দি গ'ল।

খাই উঠি যেতিয়া মই আকৌ 'হেংগাৰলৈ' গ'লো, তেতিয়া অইন এজন ওপৰ কৰ্ম্মচাৰী আহি মোক অইন এটা কামত লগাই দি গ'ল। পাঁচ বজাত ছুটী পাই ঘৰলৈ আহিবলৈ ওলাইছোঁ। এনেতে মোৰ হিতৈষী আমেৰিকেন জনে আহি মোক ৰবলৈ কলে। অলপ পাচতে তেওঁ জীপ্‌খন লৈ হাজিৰ; আৰু পোন্ধৰ মিনিটৰ পাচতে আমি যোৰহাট পালোঁহি। এনেকৈয়ে প্ৰায় এসপ্তাহ চলিল। কামৰ পৰা ছুটী হোৱাৰ লগে লগে তেওঁ মোক জীপত তুলি যোৰহাটত নমাই থৈ চিনামৰাৰ ক্লবলৈ যায় বা দাস্‌ কোম্পানীত সোমাই মদৰ বটল কিনে। কিন্তু এইদৰে দিনৌ তেওঁৰ বদান্যতাৰ সুবিধা লবলৈ মোৰ মনে নকলে; পাচত কিজানি তেওঁৱেই অস্বীকাৰ কৰে। 'ৰসতে নাম থোৱা ভাল' বুলি ভাবি এখন চাইকেল মেৰামতি কৰা দোকানৰ পৰা পুৰণি 'দ্বি-চক্ৰী' এখন মাহে দহটকা কেৰেয়াত বন্দৱস্ত কৰি তাৰেই এ'ৰোড্ৰোমলৈ অহা-যোৱা কৰিবলৈ ধৰিলোঁ।

এদিন এখন প্লে'ন dismantle কৰিছিল মিস্ত্ৰীবোৰে, অৰ্থাৎ সোলোকাইছিল। সেই কামত মোক যোগালি স্বৰূপে লগাইছিল; সেই কাম কৰোঁতে মই বহুত শিকিলোঁ। কাম কৰা এমাহ পূৰ হ'লত যেতিয়া মই 'কেশ্যিয়াৰ'ৰ (cashier) হাতৰ পৰা পাঁচখন দহটকীয়া নোট লৈ লেখি লেখি জেপত ভৰালোঁ সেইদিনা মোৰ যে কি ফুৰ্ত্তি! দ্বিচক্ৰীখন বায়ু বেগেৰে চলাই ( ভাগ্যে বাটত একো অঘটন নঘটিল ) নিমিষতে ঘৰ পালোঁহি। বৌটিৰ হাতত যেতিয়া নোট কিখন দিলোঁ তেতিয়া তেওঁ তললৈ মূ-কৰি লাহে লাহে লেখিবলৈ ধৰিলে। মই দেখিলোঁ তেওঁৰ চকুৰ পৰা টোপ্‌টোপ্‌কৈ পানী পৰিছে। মই যেতিয়া কলো "বৌটি কি হ'ল?" তেতিয়া তেওঁ লৰা-লৰিকৈ উঠি ভিতৰলৈ গ'ল। মই দূৰৰ পৰা চাই আছো, তেওঁ পেৰাটো মেলি পাঁচখন নোটকে ঘূৰাই ঘূৰাই লেখিছে। দেখি মোৰ অসহ্য হ'ল। মোৰ কৈ দিবৰ মন গৈছিল, "পাঁচখন নোট ঘূৰাই ঘূৰাই দহবাৰ লেখিলেও ছখন নহব।" কিন্তু নকলোঁ, বৌটিয়ে বেয়া পাব।

ছমাহ কাম কৰাৰ পাচত 'গ্ৰাউণ্ড মিকেনিকৰ' কাম ভালকৈ আয়ত্ত কৰিব পাৰিলোঁ; ইঞ্জিন এটা সোলোকাই আকৌ ভালকৈ গাঁথিব পৰা হলোঁ। ওপৰ-অফিচৰসকলে বুদ্ধিত চোকা পাই মোৰ পৰা টান কাম আদায় কৰিবলৈ ধৰিলে। তেওঁলোকৰ অনুগ্ৰহত মোৰ দৰ্মহা এশলৈ উঠিল। এতিয়া মই দোকানৰ পৰা মনোমতন ভাল কানি-কাপোৰ কিনি পিন্ধিব পৰা হলোঁ। বৌটিয়ে মোক নতুন সাজ পাৰত দেখি অপাৰ আনন্দ পালে; ওচৰ চুবুৰীয়াই মোক 'বাহ্ বাহ্' দিলে। বৌটিয়ে এতিয়া ওচৰ চুবুৰীয়া ইঘৰৰ পৰা সিঘৰলৈ সঘনে যাতায়ত কৰিবলৈ ধৰিলে; আগেয়ে কাচিৎ হে গৈছিল।

মোৰ আধুনিকতম ধুনীয়া পোছাক দেখি তোমালোকৰ মাজৰ জন-চেৰেক যে ঈৰ্ষানলত দগ্ধ হৈছিল সেইটো মোৰ মনত চেবাইছিল। কিন্তু তালৈ ভ্ৰূক্ষেপ নকৰি মই অসংকোচে তোমালোকৰ মাজত চলা-ফুৰা কৰিছিলোঁ। এদিন তোমালোকৰ অৰ্থাৎ মোৰ লগৰীয়াসকলৰে এজনে ঈৰ্ষা প্ৰণোদিত হৈ মন্তব্য কৰিলে, "গৌৰীয়ে আজি কালি পঢ়া শুনা বাদ দি কাৰবাৰ ঘৰত জোৰাঁই চাপিছে।" হৰ্ষধ্বনিৰ খলক্ উঠিল; মোক মৰা খোচটো সকলোৱে উপভোগ কৰিলে; মই সেমেনা সেমেনি কৰি থাকিলোঁ, ফুটাই নকলোঁ—"তোৰে ঘৰতে'....।"

# ৪

এবছৰ কাম কৰাৰ পিচত মোৰ দৰ্মহা ডেৰশ হ'ল । সুখৰ পাচত দুখ অহাটো বিধিৰ বিধান বুলি জ্ঞানী লোকে কয়। মোতো সেই কথা ফলিয়ালে। এই ডেৰশ টকীয়া দৰ্মহা দুমাহ নৌ ভোগ কৰোঁতেই মোৰ মৰমৰ বৌটি যাৰ আনন্দৰ কাৰণেই টকা ঘটিছিলোঁ, কিবা এটা অচিন ৰোগত পৰি স্বৰ্গতা হ'ল। ওচৰ চুবুৰীয়া আৰু জ্ঞাতি কুটুম্ব সকলৰ সহযোগত মাতৃৰ অন্ত্যেষ্টিক্ৰিয়া আৰু দেশাচাৰ মতে শ্ৰাদ্ধাদি কাম যথা-যথ ভাৱে সমাপন কৰিলোঁ, তাৰ বাবে এমাহ ছুটি লৈছিলোঁ।

টকলা মূৰত টুপী এটা পিন্ধি আকৌ কামত যোগ দিলোঁগৈ। মোৰ হিতৈষী আমেৰিকেন জনে ( তেওঁ এজন পাইলট ) মোৰ মাতৃ বিয়োগৰ বাতৰি পাই বেজাৰ কৰিলে আৰু মোলৈ সহানুভূতি প্ৰদৰ্শাই মোক লগত লৈ এ'ৰোপ্লেন চলাবলৈ ধৰিলে। শূন্য মাৰ্গত বিচৰণ কৰা এয়ে মোৰ প্ৰথম অভিজ্ঞতা ; মনত অসীম ফূৰ্ত্তি লাগিল। কেতিয়াবা তেওঁ ভয় লগা বেগত প্লেনখন চলায় ; কেতিয়াবা আলাসতে চালনি-সৰকা দিয়ে ; ভয়ত মোৰ চুলি আগে জীৱ যায়। আকাশীযানত উঠি মই তেজপুৰ, গুৱাহাটী, কলিকতাৰ দম্-দমলৈকে গৈছিলোঁ ; কিন্তু কলিকতা মহানগৰ চাবলৈ সময় নেপালোঁ।

বৌটি ঢুকুৱাৰ পাচত মই ঘৰত অকলৈ থাকোঁ ; ৰাতি ভয় লাগে। ৰাতিপুৱা জুই ধৰি, পানী তপতাই, চাহ-বিস্কুট খাই উঠি দুৱাৰত তলা-চাবি লগাই কামলৈ যাওঁ। গধূলি কামৰ পৰা আহি আকৌ ভাত পানী ৰান্ধি অকলৈ অকলৈ খাই শুই থাকোঁ। দুই চাৰি নিশাৰ পাচত এই জীৱন ধাৰা একেবাৰে অসহ্য হৈ পৰিল। মই যেন ক'ৰবালৈ গুচি যাম, এনে এটা ইচ্ছা ক্ৰমে প্ৰৱলতৰ হবলৈ ধৰিলে। কামৰ পৰা আহি ঘৰত সোমালে শোকে খুন্দা মাৰি ধৰে — বৌটি ক'লৈ গ'ল ? মই কিয় জীয়াই আছো ? জীয়াই থাকি কৰিম কি ? মই

ক'ৰবালৈ গুচি নেযাওঁ কিয় ? ইত্যাদি ভাবে মোক শাস্তি নিদিয়া হ'ল। মোৰ মনটো প্ৰয়াণকামী হ'ল ; যেন এৰোপ্লেনত উঠি ক'ৰবালৈ গুচি যাম—সাগৰৰ সিপাৰে কোনোবা অজান দেশলৈ। প্লেন চলাবলৈ মই শিকা নাই ; কিন্তু পাইলটৰ কিটিপ্ কাটাপ্ বোৰ দেখি দেখি চলাব পাৰিম যেন লাগিছিল। এদিন এখন প্লেন লৈ পলাম, এনে কুবুদ্ধিও মনত খেলাইছিল ; কিন্তু ছেগ পোৱা নাছিলোঁ।

তেতিয়া চীন দেশত চীন-জাপানৰ যুদ্ধ লাগিছিল। আমেৰিকাই চিয়াং-কাইছেকক যুদ্ধৰ সঁজুলি আৰু সোণ দি সহায় কৰিছিল। সেই বোৰ ৰবৈয়াৰ পৰা চুংকিং চহৰলৈ এমেৰিকেন্ পাইলটে কঢ়িয়ায়। এই ছেগতে মই চুংকিঙলৈ দুবাৰ গৈছিলোঁ মোৰ বন্ধু পাইলট্ জনৰ লগত।

এদিন পুৱা আমি চুংকিং অভিমুখে যাত্ৰা কৰিছোঁ প্ৰায় আঠ মান বজাত্। যেতিয়া পাট্কাই পৰ্ব্বতটো চেৰাই যাবলৈ 'উত্তৰ কুঁজ' (The Hump) টোৰ ওচৰ চাপিছোঁ, তেনেতে এখন বেগী জঙ্গী পুলিচ বিমান পাছফালৰ পৰা আহি আমাক চেৰ পেলাই গৈ আকৌ ঘূৰি আমাক অগা-ভেটা (buzzing) কৰিবলৈ ধৰিলে আৰু আমাক উলটি যাবলৈ নিৰ্দ্দেশ 'চিগ্নেল' দিলে। তেতিয়া আমাৰ পাইলট্জনে সেই আদেশ অৱজ্ঞা কৰি উত্তৰমুৱা হৈ তীব্ৰ বেগেৰে প্লেন চলাই দিলে। এনে অদ্ভুত আচৰণৰ কাৰণ সোধাত তেওঁ কলে, "The gold, the gold"। তেতিয়া বুজিলোঁ, আমাৰ 'পাইলটে' সোণৰ চোৰাং কাৰবাৰ কৰে। ৰবৈয়া গুদামৰ পৰা সোণৰ শলখাবোৰ চুৰ কৰি আনি চিয়াং কাই-ছেকক নিদি চুং-কিং বজাৰত বেচি এমেৰিকেন ডলাৰ-নোট লয়। পাচত ছুটী লৈ নিজ দেশলৈ যাওঁতে সেইবোৰ লৈ যায়। আজি ধৰা পৰিবৰ উপক্ৰম হৈছিল ; কিন্তু নিতান্ত দুঃসাহসিক কাম কৰি পুলিচৰ হাতৰ পৰা ৰক্ষা পৰিছে ; কিন্তু কি হব ?

আমাৰ প্লে'নখন বহুত দূৰ গৈ এটা পৰ্ব্বতৰ কাষেদি আঁওপাকে ঘূৰিলত পিছত অহা পুলিছ প্লেনখনে আমাৰ সন্ধান হেৰুৱালে ; বোধ কৰোঁ উলটি গুচি গ'ল। কিন্তু আমাৰ পাইলটে নিজৰ অৱস্থিতি ঠিক কৰিব নোৱাৰি প্লে'নখন যেনি তেনি চলাবলৈ ধৰিলে। এইদৰে বাট

বিচাৰি ঘূৰি ফুৰোঁতে হঠাৎ দেখিলোঁ এটা কৃষ্ণ কায় প্ৰকাণ্ড পৰ্ব্বতে যম দূতৰ দৰে প্ৰচণ্ড বেগেৰে আমাৰ ফালে খাওঁ খাওঁ কৈ খেদি আহিছে; দেখিয়েই চুলিৰ আগে জীৱ গ'ল। কোন পলকতনো মই বহি থকা 'ইজেক্টৰটো'ৰ বুটাম টিপিলোঁ, কোন পলকত যে 'কক্‌পিটে' মোক বমি কৰি পেলাই দিলে মোৰ মনত নপৰে। তাৰ পাচত বা কি হ'ল তাকো ক'ব নোৱাৰোঁ......।

# ৫

যেতিয়া সংজ্ঞা ঘূৰি আহিল, তেতিয়া মই চকু মেলি চাই দেখোঁ, অটব্য অৰণ্যৰ মাজত ডাঠ ঘাঁহনিৰ ওপৰত পৰি আছোঁ। মোৰ কঁকালত বিষ, মূৰত ঘা আৰু জিন্ জিননি, আঠুটো প্ৰায় ভগাৰদৰে, ভয়ানক বিষ, কানি-কাপোৰ অৰ্থাৎ কামিজটো আৰু পেণ্টটো চিৰাচিৰ হৈ ফাটিলে, ঠাইয়ে ঠাইয়ে ক'ৰবাত ঘহনি খাই গাৰ পৰা তেজ বিৰিঙিছে। ওপৰলৈ চাই দেখিলোঁ, অনতি দূৰত পৰ্ব্বতৰ গাত আমাৰ প্লে'নখন জ্বলন্ত বহ্নিত জাহ যাব লাগিছে। চাঁৎ কৈ মোৰ মনত পৰিল পাইলটলৈ। তেওঁৰ কি হ'ল? নিশ্চয় সেই প্লে'নৰ লগতে তেওঁৰ জীৱনৰো ওৰ পৰিল। কিন্তু মোৰ অৱস্থা কি হ'ব? তেওঁৰ লগতে মোৰো মৰণ হোৱাই ভাল আছিল। এই গভীৰ অৰণ্যত বাঘে মোক জীয়াই জীয়াই খাব; সেই যন্ত্ৰণা কেনেকৈ সহিম? বনৰীয়া হাতীয়ে গচকি মাৰিব। তাতোকৈ জীয়াতু যন্ত্ৰণা ভুগিব লাগিব যেতিয়া তামোল গছ একোডালৰ সমান দীঘল ডাঙৰ অজগৰে মোক ভৰিৰ পৰা জীয়াই জীয়াই গিলিব। এই নিৰ্জ্জন কান্তাৰত প্ৰতি মুহূৰ্ত্ততে মৃত্যুৱে মোক ধৰে ধৰে যেন দেখি আছিলোঁ। কোনো সাৰ-সিকটি বা শব্দ নকৰাকৈ একে থৰে মাটিত পৰি আছোঁ, যাতে কোনো বনৰীয়া জন্তুৱে গম নেপায়।

এইদৰে অলপ বেলি নিতাল মাৰি থকাৰ পাচত বহুত দূৰত ৰিনি-ৰিনি মানুহৰ কণ্ঠ-ধ্বনি শুনো যেন লাগিল; শুনি আতঙ্কিত হলোঁ; কাৰণ এতিয়া এটা নতুন বিপদৰ সৈতে মুখামুখী হলোঁ। এই পাৰ্ব্বত্য অঞ্চলত বৰ্ব্বৰ মানুহৰ বাহিৰে কি থাকিব পাৰে? সিহঁতে পালে মোক শুদাই নেৰে। মানুহ কটাটো সিহঁতৰ এবিধ আমোদজনক খেল। তথাপি অতি হিংসুক জাতিৰ মানুহেও বোধ কৰোঁ টোপনিত শুই থকা এটা মানুহক নেকাটিব, এনে এটা ভৰসা গলত বান্ধি অষ্টিছ্ চৰাইৰ দৰে বিপদত চকু মুদি মৰা ভাও জুৰি পৰি থাকিলোঁ।

সেই কণ্ঠ-ধ্বনি মাজে মাজে বন্ধ হয়; আকৌ শুনা যায়। এইটো ঠিক যে যাৰ ডিঙিৰ পৰা এই ধ্বনি ওলাইছে সিহঁত ক্ৰমে মোৰ কালে আহি আছে।

হঠাৎ মাত বন্ধ হল। বুজিলোঁ, সিহঁতে মোক দেখি মনে মনে আছে আৰু ভালকৈ নিৰীক্ষণ কৰিছে, মহ মানুহ নে অইন কিবা। মই ভয়ত ইমান বিহ্বল হলোঁ যে ঈশ্বৰক খাটিবলৈ ধৰিলোঁ সিহঁতে যেন মোক সোনকালে মাৰি পেলায়। জীৱন আৰু মৰণৰ মাজত এইদৰে ওলোমা-বাহুলি দি থকা মোৰ পক্ষে বৰ কষ্টদায়ক। হঠাৎ নিচেই ওচৰতে সিহঁতৰ মাত শুনিলোঁ; কিন্তু মাতবোৰ ইমান কোমল আৰু মিঠা যে মোৰ মনৰ ভয় আশ্চৰ্য্যলৈ ৰূপান্তৰিত হৈ উঠিল। কিন্তু তেতিয়াও মই চকু মেলি চোৱাৰ সাহ গোটাব নোৱাৰিলোঁ। সিহঁতৰ কথাবোৰ অস্পষ্ট হলেও শ্ৰুতি-মধুৰ আৰু স্ত্ৰী-কণ্ঠৰ পৰা অহা যেন লাগিল। বুজিবলৈ সৰহ পৰ নালাগিল যে মানুহবোৰ নিশ্চয় পুৰুষ নহয়, স্ত্ৰীহে। সৰহ পৰ চকু মুদি থকা টান হ'ল, পুৰুষ আৰু প্ৰকৃতিৰ মাজত চিৰকালে থকা পাৰস্পৰিক দিদৃক্ষাই ভয়ক তল পেলাই মোৰ চকু বলেৰে মেলি দিলে।

দেখি আচৰিত হলোঁ—মোক বেঢ়ি পাঁচজনী শুৱনি গাভৰুৱে একে থৰে মোলৈ চাই আছে। ময়ো হতবাক হৈ এজনীৰ পৰা আনজনী কৰ্ণচূড়া, প্ৰিয়দৰ্শনা ছোৱালীৰ মুখলৈ চোৱাৰ বাহিৰে আন একো বুদ্ধি বিচাৰি নেপালোঁ। দুই কাষে বৈ পৰা ধেনুভিৰীয়া ভ্ৰূযুগলৰ মাজত একোটা ৰঙা সেন্দুৰৰ ফোঁট; সোঁমাজেদি সেওঁতা কৰা চুলিবোৰ দুভাগ কৰি কাণৰ ওপৰত দুটাকৈ কলডিলীয়া খোপা।

মোৰ চাৱনিত লাজ পায়েই বোধকৰোঁ ছোৱালী কেইজনী অলপ আঁতৰি গৈ কিবা আলোচনা কৰিলে। পাচত বুকুত সাহ বান্ধি এজনীয়ে আগবাঢ়ি আহি মোক সম্বোধি কলে,

"বৰকৈ দুখ পালা নেকি ?" শুনি মোৰ আশ্চৰ্য্যৰ সীমা নোহোৱা হ'ল। এই অগম্য ইন্দোচীন সীমান্তত অসমীয়া মাত! পাক ঘূৰণি

খাই আমাৰ প্লে'নখন আকৌ অসমতে সোমালহি নে? অসমৰ কোন-খিনিত হ'ব পাৰে?

মই একো নমতা দেখি তাই আকৌ সুধিলে, "উঠি নবহা কিয়?" একেবাৰে উজনী অসমৰ ভাষা! উত্তৰ কি দিম ঠিক কৰিব পৰাৰ আগতেই অইন এজনী ছোৱালী আগবাঢ়ি আহি সিজনীক কলে, "মালতী, তই যে তেওঁক কথা সুধিছ, তেওঁ জানো তোৰ মাত কথা বুজে? আহিছে বা কোন দেশান্তৰৰ পৰা!" অসমেই হওক বা চীন দেশেই হওক, এই কিজনী যে অসমীয়া ছোৱালী সেই বিষয়ে কোনো সন্দেহ নাথাকিল। কিজানি তাহানিখনতে মানে ধৰি অনা অসমীয়া মানুহৰে সন্ততি। মই মাতিলো; কলোঁ, "মোৰ গা গোটেইটো বিষাইছে, সোঁ ভৰিটো কিজানি ভাগিলে, পোন কৰিব নোৱাৰোঁ।" এই খিনি কথা শুনি মোতকৈয়ো অধিক বিস্ময়াবিষ্ট হৈ আটাই কিজনী উচপ্ খাই এখোজ পিছ হুহঁকি গ'ল; এজনীয়ে কোৱা শুনিলো "আমাৰ কথাকে কয়, ভয়হে লাগে।" তাইৰ কথা শুনিয়েই হবলা আটাই কেইজনী ছোৱালীৰ মনতে একেলগে ভূতৰ ভয় সোমাল; মোক এৰি কেউজনীয়ে একেলগে দূৰলৈ ঢাপলি মেলিলে। মই শক্তিয়ে আঁটে মানে চিঞৰিবলৈ ধৰিলোঁ, "মই ভূত নহওঁ; মই তোমালোকৰ দৰে মানুহ। মোক হাবিত অকলে এৰি থৈ নাযাবা।" কিন্তু সিহঁতে মোৰ কথালৈ কাণ নকৰি লৰি পলাল। মই হতাশ হৈ চকু মুদিলোঁ। অলপ পাচতে আকৌ সিহঁতৰ মাত শুনি চকু মেলি চাই দেখিলোঁ সিহঁত উলটি আহিছে; লগতে আৰু এজনী ছোৱালী লৈ এজনা প্ৰৌঢ়াও আহিছে। প্ৰৌঢ়া গৰাকী ওচৰ চাপি আহি মোক ভালকৈ পৰ্য্যবেক্ষণ কৰিলে; ছোৱালীহঁতক সুধিলে, "পানী খাবলৈ দিছ নে?" সিহঁতে নাই দিয়া বুলি কলত তেওঁৰ আদেশ মতে গছৰ বহল চাই পাত দুখিলা মান আনি থুৰি সাজি এজনীয়ে মোক পানী খুৱালে। তেতিয়াহে দেখিলোঁ, প্ৰত্যেকজনী ছোৱালীৰ কঁকালৰ পৰা একোটা বাহঁৰ পানী খোৱা চুঙা ওলমি আছে। পিয়াহত মোৰ অণ্ঠ কণ্ঠ শুকাই আছিল; হেঁপাহ পলুৱাই পানী খাই প্ৰৌঢ়াৰ মানৱীয় সহানুভূতি পালাগিলোঁ।

প্ৰোঢ়াই যেতিয়া মোক উঠিবলৈ কলে মই সোঁ আঠুটোত হাতেৰে থপৰিয়াই কলোঁ—"উঠিব নোৱাৰোঁ, বৰকৈ বিষাইছে।" তেওঁ ছোৱালীবোৰক এখন দোলা সাজিবলৈ আদেশ দিলে। আদেশ পোৱা মাত্ৰকে সিহঁতে হাবিত সোমাই কটা-ছিঙা কামত লাগি গ'ল। ইতি-মধ্যে মৰমিয়াল প্ৰোঢ়াই ওচৰতে বহি মোৰ মনৰ পৰা ভয় আৰু সন্দেহ দূৰ কৰিবলৈ মোৰ লগত কথা পাতিবলৈ ললে।

মই সুধিলোঁ, "এইখন কি দেশ ?"

তেওঁ কলে, "এইখন কলিতা ৰাজ্য।"

"এনে এখন দেশৰ নাম আমি শুনা নাই।"

"পৰ্বতৰ মাজত থকা এখন সৰু দেশ, যাতায়াতৰ বাট পথ নাই ; ইয়াৰ কথা বহুতে নেজানে।"

"মই আহিছোঁ অসম দেশৰ পৰা। তাত কলিতা জাতৰ মানুহ বহুত আছে।"

মোৰ কথা শুনি প্ৰোঢ়াই আচৰিত হোৱাৰ সুৰত কলে, "তোমালোকৰ অসম দেশত কলিতা মানুহ আছে বুলি ভবা নাছিলোঁ। আমাৰ আইহঁতৰ মুখে শুনিছোঁ, আমি অতীজত কুশী আৰু কপিলাবস্তু নগৰত আছিলোহঁক। পৰশুৰামৰ অত্যাচাৰত আমাৰ পূৰ্বপুৰুষ সকল ভাগি আহি কামৰূপত আৰু তাৰ পৰাও ভাগি আহি এই পৰ্বতৰ মাজত থাকিলেহি। আমি বৌদ্ধধৰ্ম্মী ; মানুহক লালন-পালন কৰাই আমাৰ ধৰ্ম্ম। তোমাক এই হাবিৰ মাজত এৰি থৈ গ'লে আমাৰ পাপ হ'ব। তোমাক আমাৰ গাৱঁলৈ লৈ যাম, একো চিন্তা নকৰিবা।"

মই কলোঁ, "অসমৰে পুৰণি নাম আছিল কামৰূপ।"

প্ৰোঢ়াৰ মুখমণ্ডল বিস্ময়েৰে উপচি পৰিল। তেওঁ সুধিলে, "কামৰূপৰ নামনো অসম হ'ল কিয় ?" ইতিমধ্যে দোলাখন তৈয়াৰ হ'ল।

আঙুলী যেন শকত কিছুমান বনৰীয়া লতাৰে জাল গুঁথি দুফালে দুডাল খামুচীয়া গছৰ ডাল আনি দোলাখন সাজিছে। প্ৰোঢ়াই কলে, "এতিয়া তোমাক আমি ইয়াৰ পৰা তুলি লৈ যাম ; অলপ দুখ পালেও সহ্য কৰি থাকিবা।" আটাইবোৰে মোক আলফুলকৈ দাঙি নি

সেই লতা শয্যাত শুৱালে। এজনীয়ে চিঞৰিলে, "উপাধান, উপাধান।" তেতিয়া এজনী ধুনীয়া ছোৱালীয়ে—পাচত জানিলো তাইৰ নাম 'নয়ন তৰা'—পিঠিত থকা কাপোৰৰ টোপোলাটো আনি মোৰ মূৰৰ তলত গাৰু কৰি গুঁজি দিলে। পাচত দেখিলোঁ প্ৰত্যেকজনী ছোৱালীৰ পিঠিতে তেনেকুৱা একোটা টোপোলা; মই ভাবি নেপালোঁ কিহৰ।

প্ৰৌঢ়াৰ আজ্ঞা পাই চাৰিজনী ছোৱালীয়ে মোকে সৈতে দোলাখন একেছিপে দাঙি কান্ধত লৈ গাঁৱৰ ফালে বেগ দিলে; প্ৰৌঢ়া আৰু বাকী দুজনী ছোৱালীয়ে আমাৰ পাছে পাছে খোজ ললে। তেতিয়া মোৰ হাতৰ মণিবন্ধত থকা ঘৰী মতে আবেলি চাৰে চাৰি বাজিছিল। প্ৰথমে এমাইলমান ডাঠ হাবিৰ মাজে মাজে গৈ তাৰ পাচত পাতল হাবিত সোমালোগৈ। মোক মাটিত নমাই থৈ ছোৱালীকেজনীয়ে জিৰণি ললে। পোন্ধৰ মিনিটমানৰ পাচত আকৌ মোক কান্ধত তুলি ললে। এইবেলি প্ৰৌঢ়াৰ লগত অহা দুজনীয়ে কান্ধ পাতি আগত যোৱা দুজনীক অজৰাই দিলে। সিহঁতৰ বেগৰ অনুপাতে ডোলাত মোৰ ঠেকেচনি বাঢ়িবলৈ ধৰিলে; বিষাই থকা ভৰিটোত কষ্ট পাইছিলোঁ, কিন্তু সহ্য কৰি থাকিলোঁ।

এটা চিনাকী চিনাকী ভাল গোন্ধে মোৰ নাকত সোমাই আমনি কৰিবলৈ ধৰিলে; ঠিক কিহৰ গোন্ধ মই বুজিব পৰা নাছিলোঁ। পাচত ভাবি ভাবি পালোঁ এইটো ভাল চাহপানীৰ গোন্ধ; কিন্তু ক'ৰপৰা আহিছে বুজিব নোৱাৰিলোঁ। হাবিৰ মাজত কোনে 'অৰেঞ্জপিকো' চাহ বনাইছে? গোন্ধটো পাই মোৰ চাহপানী খাবৰ ইচ্ছা ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে কিন্তু এই হাবিৰ মাজত কোনে দিব? এতেকে 'ঘ্ৰাণেন অৰ্দ্ধ ভোজনং' নীতিৰ শৰণাপন্ন হৈ চাহপানীৰ হেঁপাহ পূৰণ কৰিলোঁ। প্ৰায় কুড়িমিনিট পাচত সিহঁতে মোক আকৌ মাটিত নমাই থলে। দেখিলোঁ, কেউফালে মুকলি পথাৰ; মই এটা বাগৰ দিলোঁ; মোৰ গাৰুটোৰ পৰা কিছুমান কেঁচাপাত ওলাই পৰিলে। মই সুধিলোঁ, "এইবোৰ কি?" ছোৱালীবোৰে কলে, "তাই পাত।" আচলতে সেইবোৰ কেঁচা চাহপাত; বাটৰ জোকাৰণিত থেতেলা খাই

কিছুমান পাতৰ ৰস শুলাইছে ; সেই ৰসবোৰেই গোন্ধাই মোৰ মগজত চাহপানীৰ 'নিচা' জগাই তুলিছিল। এতিয়া বুজিলোঁ ছোৱালীবোৰে চাহপাত ছিঙিবলৈ হাবিলৈ গৈছিল। সিহঁতৰ কান্ধৰ টোপোলাবিলাক চাহপাতৰেই টোপোলা।

আকৌ এবাৰ কান্ধ সলাই ছোৱালীহঁতে মোক দাঙি লৈ বেগাবেগীকৈ গাৱঁলৈ গ'ল ; তেতিয়া এন্ধাৰ হ'বলৈ ধৰিছে। মোৰ মনত খেলালে—সিহঁতে চাহপাত ছিঙিবলৈ আজি হাবিলৈ নোযোৱা হ'লে মই তাতে পৰি থাকিলোঁহেঁতেন। এই দুটা ঘটনাৰ সংঘটন কেনেকৈ হ'বলৈ পালে ? এইটো আকস্মিক বুলি উকৱাই দিব নোৱাৰি ; এটা শক্তিশালী মনেহে এইটো ঘটালে যেন লাগে ; সেইটো কাৰ মন ?

গাওঁ পোৱাৰ আগতে বাটত এজনী মানুহে সুধিলে—"কি হ'ল ?" প্ৰৌঢ়াই টপৰাই উত্তৰ দিলে, "ভৰিত কচকা খালে।" গোটাচেৰেক পদুলি পাৰ হৈ গৈ সিহঁতে এডাল নঙলা মেলি এখন চোতালত মোক নমালে। বয়োজ্যেষ্ঠাৰ ইচ্ছানুসৰি আটাইকিজনী ছোৱালীয়ে অতি যত্নেৰে মোক লাহেকৈ চোতালৰ পৰা দাঙি নি ভিতৰত এখন চালপীৰাত পাৰি থোৱা বিছনাত শুৱালে। তাৰ পাচত হাঁহি মাতি ছোৱালী-বোৰে বিদায় ললে। থাকিল প্ৰৌঢ়া আৰু নয়নতৰা নামৰ ছোৱালীজনী। মই বুজিলোঁ তাই এই ঘৰৰে ছোৱালী। তাইতকৈ ডাঙৰ এজনী ছোৱালী আহি গছা লগা চাকি এটা থৈ গ'ল। প্ৰৌঢ়াৰে সৈতে এই ঘৰত তিনিটি মাথোন প্ৰাণী ; তেওঁলোক তিনিও অইন এটা ঘৰত, সম্ভৱতঃ ৰান্ধনীঘৰত সোমাই ওপৰা ওপৰিকৈ খুব কথা পাতিছে। ইতিমধ্যে ভোকে মোৰ পেটটো শানে কটাদি কাটিছে। সেই বুলি খুজি খাব নোৱাৰি। ভোকতে টোপনিয়ে হেঁচা মাৰি ধৰিলে।

কিমান বেলি শুলোঁ কব নোৱাৰোঁ ; কিবা এটা মাটিত চোচোৰোৱা শুনি সাৰ পালোঁ। এজনী ছোৱালীয়ে মেজ এখনৰ ওপৰত কিবা খাদ্য থৈ গ'ল ; প্ৰৌঢ়াই আহি মোক আলফুলকৈ ডাঙি ধৰি বহুৱালে আৰু ক'লে, "আমাৰ দুখীয়া ঘৰত একো ভাল বস্তু খাবলৈ দিবলৈ নাই।

আমি হাবিতলীয়া মানুহে যি খাওঁ তাকে দিছোঁ ; তোমালোক নগৰীয়া মানুহে সেইবোৰ খাই ভাল নেপাবা ; তথাপি তাকে নিদিনো কি দিম ?" এই বুলি ৰেজাবৰ সুৰত কলে। মই কলো, "আই মা, আপুনি আৰু ভনীটিহঁতে আজি মোক দেখা-দেখিকৈ মৃত্যুৰ গৰাহৰ পৰা টানি উলিয়ালে ; নহলে ইমান বেলি মই জীয়াই থকাৰ সলনি বনজন্তুৰ ভোজ হলোঁহেঁতেন। আপোনালোকে মোক জীয়া যন্ত্ৰণা আৰু মৃত্যুৰ পৰা ত্ৰাণ কৰি নিজৰ ঘৰত আশ্ৰয় দিছে। আপোনাসবৰ ওচৰত মোৰ যি ধাৰ লাগিলে তাক পৰিশোধ কৰিবলৈ মোৰ জীৱনৰ বাকীছোৱা আপোনাৰ সেৱাত উৎসৰ্গ কৰিম।" এই বুলি কৈ মই হুক্-হুক্কৈ কান্দিবলৈ ধৰিলোঁ। মোৰ সেই কান্দোন ক্ষান্ত নোহোৱা দেখি তেওঁ বিবুধি হ'ল। আই-মাই গালে-মুখে হাত ফুৰাই অনেক বুজালে। সজাই থোৱা জলপানটো খালোঁ। তাত আছিল কোমলকৈ ভজা পাঁচোটা ঘিলাপিঠা, দুটা পকা কল আৰু এবাটি চাহপানী। খাই অমৃত যেন লাগিল।

৬

স্বপ্নবৰ্জ্জিত গভীৰ নিদ্ৰাৰ পৰা দোক্‌মোকালিতে সাৰ পাই ওপৰলৈ চাই দেখিলোঁ, ফুল-চতি দি সজা এইটো আমাৰ যোৰহাটৰ নিজা ঘৰ। সেইয়া বৰ চতিৰ ওপৰত তুডাল বাঁহ পাৰি উঘা, চেৰেকী, লেতাই আৰু ৰাছ ইত্যাদি তাঁতৰ সঁজুলি থোৱা আছে। মই মোৰ নিজৰ ঘৰত আছোঁ দেখোঁন। তেনেহলে এৰোপ্লেনত উঠি ঘূৰি ফুৰা, পৰ্বতৰ গাত খুন্দা খাই পৰা, ছোৱালীবোৰে আহি মোক পৰিচৰ্য্যা কৰা, এই আটাইবোৰ সমাজিক হে দেখিছিলোনে? কি যে এটা বিভীষিকাময় স্বপ্নৰ মাজেদি ৰাতিটো কাটি গ'ল; যেই হওক এতিয়া মই নিৰাপদে নিজৰ ঘৰতে আছোঁ; আশ্বাস পাই আকৌ চকু মুদিলোঁ। এনেতে কোনোবাই মোৰ কাণৰ ওচৰতে কলে, "গা কেনে পাইছা সোণাই?"

আকৌ সেই সমাজিকত দেখা মায়াবিনীৰ কণ্ঠস্বৰ! মোৰ সমস্ত শৰীৰ তিক্ততাৰে ভৰি পৰিল। আকৌ ভাবিলোঁ, মিছা, মোৰ মস্তিষ্কৰ হে ভ্ৰম; মই মোৰ ঘৰতে আছোঁ। চকু মেলি চাবলৈ ভয় লাগিল, জানোচা সমাজিকৰ কথাবোৰেই সচা হৈ পৰে।

"কালি ৰাতি ভাত খাবলৈ তোমাক কোনোমতেই জগাব নোৱাৰিলোঁ; ভৰিৰ বিষ কেনে পাইছা?" ইমানখিনি কথা শুনি নিজকে প্ৰতাৰণা কৰিলে কি হ'ব? চকু মেলি চাবলৈ বাধ্য হ'লোঁ; দেখিলোঁ, বৰদা মুদ্ৰাত সোঁ হাতখন দাঙি ধৰি মাতৃত্ব মণ্ডিতা মুখখনি লৈ সমাজিকত দেখ প্ৰৌঢ়া ওচৰতে থিয় হৈ আছে। মুহূৰ্ত্ততে মোৰ মনৰ পৰা সকলো ভয় আৰু বিদ্বেষ আঁতৰি গ'ল; মোৰ শত জনমৰ মাতৃসকল যেন একেটি দেহাতে আবিভূ'তা হৈ থিয় হৈ আছে। ওচৰতে আছে হাতত ঘটি আৰু গামোছা লৈ ফুলোঁ ফুলোঁ গোলাপ পাহৰ দৰে আতক ধুনীয়া নয়নতৰা। মোৰ মন আনন্দেৰে উপচি পৰিল। মই লাহেকৈ মাতিলোঁ, "আই-মা, মই ক'ত আছোঁ?" তেওঁ কলে, "তুমি আমাৰ ঘৰত আছা। কালি নিশা তোমাৰ আঠুত ঔষধ লগাই পটী

বান্ধি দিছিলোঁ; এতিয়া কেনে পাইছা? ভৰি মেলিব পাৰিছানে?" তেতিয়াহে গম পালোঁ, মোৰ আঠুত বান্ধ এটা আছে; কিন্তু বিষ-কোপ ভৰিত সমূলি নাই। ভৰি সহজে চপাব আৰু মেলিব পাৰি আচৰিত হলোঁ; কালিৰ ইমান বিষ আজি কলৈ গ'ল? মই কলোঁ, "আই-মা, মোৰ ভৰি দেখোন একেবাৰে ভাল হ'ল; আপুনি কি দৰৱ দিছিলে?" তাৰ উত্তৰ একো নিদি মোক উঠি বহি হাত-মুখ ধুবলৈ কৈ গুচি গ'ল। মেজৰ ওপৰত ঘটি গামোছা থৈ নয়নতৰাও কেনিবা গ'ল।

মুখ ধোৱাৰ আগতে চুৰট এটা হুপিবলৈ বুলি মই ফটা পেণ্টৰ জেপত হাত ভৰাবলৈ হাত মেলি দেখোঁ, ইকি! চুৰট নাই; জুইশলা বাঁহটো নাই। পেণ্টৰ জেপ নাই, পেণ্টটোও নাই। মই মেখেলা এখন পিন্ধি আছোঁ। গাত থকা ফটা কামিজটো কোনোবাই নিলে; তাৰ ঠাইত মাইকী মানুহৰ কুৰ্ত্তা চোলা এটা পিন্ধি আছোঁ। কুৰ্ত্তাটোৰ তলত মোৰ বুকুৰ ওপৰত দুটা কপাহৰ টুপলি আছে। মোৰ ভয়ানক খং উঠিল। এনেতে হাতত সাৰে ভৰিত সাৰে আহি নয়ন-তৰাই মেজৰ ওপৰত চিগাৰেটৰ আৰু জুইশলাৰ বাহ দুটা থৈ গ'ল। খঙে মোৰ মূৰৰ চুলি পাইছিলে; থাপ মাৰি বস্তু দুটা মাটিলৈ দলিয়াই পেলাই দিলোঁ, তাই উলটিও নেচালে; গহীন ভাবে গুচি গ'ল। পোন্ধৰ মিনিটমানৰ পাচত বৎসল-হৃদয়া প্ৰৌঢ়া আহি মোৰ ওচৰতে থিয় হৈ কলে—"তুমি ক্ৰোধ নকৰিবা, তোমাৰ যিবোৰ কানি-কাপোৰ আছিল, সেইবোৰ ফাটি-চিটি গ'ল আৰু লেতেৰাও হ'ল; আকৌ ধুই মেলি দিলেহে পিন্ধিব পাৰিবা। কিন্তু সেইবোৰ সাজ এই দেশত পাবলৈ নাই; এতেকে তোমাক পিন্ধিবলৈ দিবলৈ নাই। দেশত যেনেকুৱা সাজ চলন্তি তুমিও তাকেহে পিন্ধিব লাগিব। এতিয়া তুমি হাত-মুখ ধুই 'তাই পানী' খোৱা।" এই বুলি গুচি গ'ল; মইও শান্ত হলোঁ। উঠি গৈ হাত-মুখ ধুলোঁ; ভৰিত একো বিষ নাই। এই প্ৰৌঢ়াৰ ওচৰত মই কিমানখিনি ঋণী তাকে ভাবি মই খং-ৰাগ পৰিহাৰ কৰিলোঁ। আহি আকৌ বিছনাত বহিলত ডাঙৰ জনী ছোৱালীয়ে—

যাক মাকে 'বৰদা' বুলি মাতে—মেজত চাহ জলপান দিলেহি। জলপানত আছিল চিৰা, গাখীৰ আৰু মৌ-জোল ; তাৰ পাচত চাহপানী। খাই থাকোঁতে বৰদা ওচৰতে আছিল, তিনি-চাৰিটা মৌ মাখি আহি মোক আমনি কৰিছিল। মই সুধিলোঁ, "এইবোৰ ক'ৰপৰা আহিছে ?" বৰদাই কলে, "ঘৰতে দুবাহ মৌ আছে।" পাচত জানিলোঁ, এইখন গাৱঁত ঘৰে ঘৰে মৌ পোহে। গুৰ আৰু চেনি পাবলৈ নাই ; মৌজোলে সিহঁতৰ ঠাই পুৰাইছে।

চাহ খাই অতাঁলত বৰদাই বাচন বোৰ লৈ গুচি গ'ল। চুৰট এটা মুখত গুজি হুপিবলৈ ধৰিলোঁ ; মনেৰে কি ভাবিম ভাবি নেপালোঁ ; এটা উদং মন লৈ আগফালৰ দুৱাৰেদি চোতাললৈ ওলাই গ'লোঁ ; দেখিলোঁ ঘৰৰ চালবোৰ টকৌ পাতেৰে ছোৱা। এনেতে বৰদাই কলেহি, আইয়ে মোক উঠি ঘূৰা-ঘূৰি কৰিবলৈ হাক দিছে। ভৰিটোক তিনিচাৰি দিন বিশ্ৰাম দিব লাগে। মই আকৌ ভিতৰলৈ গৈ বিছনাত পৰি দীঘল দিলোঁ। ভাৱনা আহিল, মই এতিয়া কি কৰিম ? কলৈ যাম ? এই অটব্য অৰণ্যৰ মাজৰ পৰা কেনেকৈ যাওঁ ? কেনি যাওঁ ? আকৌ নো নিজদেশৰ মুখ দেখিমনে ? পৃথিৱীৰ ভিতৰত মই ঠিক কোন ঠাইত আছোঁ তাকে কব নোৱাৰোঁ। গতিকে ইয়াৰ পৰা ওলাই যোৱাটো প্ৰায় অসম্ভৱ চিন্তা কৰি লাভ নাই।

আউল লগা ভাৱনাৰ জেওনিৰ পৰা নিজকে মোকোলাবলৈ বিছনাৰ পৰা উঠি পিছফালৰ চোতাললৈ গৈ দেখিলোঁ, সিমূৰে এটা ভঁৰাল ঘৰ আৰু এটা গোহালি ঘৰ। তাতে বন্ধা আছে এজনী গৰু আৰু দুটা বলদ। দূৰত এটা পুখুৰী, তাৰ পাৰতে ছোৱালী দুজনীয়ে কিবা ধুইছে, শাকনিত বুঢ়ীয়ে কিবা বুটলিছে। এইবোৰ চাই আকৌ আহি বিছনাত দীঘল দি পৰিলোঁ, কাৰণ, দেখিলে বুঢ়ীয়ে বকিব।

মোৰ হাত ঘৰীত এঘাৰ বাজিছে ; তেনেতে বৰদাই মোক পাছ ফাললৈ মাতি নি ক'ত শৌচাচাৰ কৰিব আৰু গা ধুব পাৰি ইত্যাদি দেখুৱাই খুটি এটাৰ মূৰত এখন গামোছা আৰু এখন পৰিষ্কাৰ মেখেলা থৈ ঘটি এটাও দি গ'ল। সেই মতে নিত্য নৈমিত্তিক কামখিনি

সমাধা কৰি আহিলত আই-মাই আখলৰ ভিতৰৰ পৰা মাত লগালে "নয়ন, বাহিৰত ফণী আদৰ্শী দেগৈ।" নয়নে 'যথাদেশ' বুলি আৰ্চী ফণী আনি মোৰ কোঠালিত মেজৰ ওপৰতে থৈ যাব খুজিছে, মই আৰ্চীখন দাঙি ধৰি সুধিলোঁ, "এইখন কি?" তাই কলে, "আদৰ্শী।" মই কলোঁ, "আৰ্চী"। তাই আকৌ সজোৰে কলে, "আৰ্চী নহয় আদৰ্শী"। এনেতে কোনোবাই 'নয়ন' বুলি মাতিলত আমাৰ দ্বন্দ্বখন ভাগিলে। মই ভাবিলোঁ আদৰ্শী, আৰ্চী একেটাই শব্দ। মূৰ আঁচুৰি হ'লত, ভাত খাবলৈ মোক ভিতৰলৈ মাতিছিলে; মই 'ইয়াতে খাম' বুলি কৈ বিছনাত বহিলোঁ। অগত্যা বৰদাই ভাতৰ কাঁহী আৰু আঞ্জাৰ বাটি আনি মেজত থলে; মই খাবলৈ আৰম্ভ কৰিলোঁ। বৰদাই কলে, "আমি ৰন্ধা ভাত আঞ্জা তোমাক খাবলৈ দিবলৈকে লাজ লাগে। এইবোৰ জানো খোৱা অভ্যাস আছে?" মই পেটতে ভাবিলোঁ ৰুচিকৰ নহলেও খাই দেখুৱাম। প্ৰায় ত্ৰিশ ঘণ্টাৰ পাচত মোৰ ৰসনাই ভাতৰ সোৱাদ পাই আঞ্জালৈ হাত নেমেলি সৰিয়হৰ ফোৰণ মৰা লাওভজাৰে আধাখিনি খালোঁ। কাঁহীৰ কাষত দিয়া ঢেকীয়া শাকৰ ভজাৰেও গৰাহ চেৰেক তৃপ্তিৰে উদৰস্থ কৰি, পাচতহে আঞ্জাৰ বাটিত হাত জুবুৰিয়ালোঁ। উঠি আহিল এটা পাভ মাছ, কাঠৰ ছলিৰ দৰে ঠৰঙা। তেতিয়া বুজিলোঁ সেইটো শুকান মাছ। তথাপি খৰিছা দি ৰন্ধা আঞ্জাখন বেছ তৃপ্তিদায়ক হৈছিল। ইতিমধ্যে বৰদাই কৈ থকা খেলি-মেলি কথাবোৰে চাটনীৰ কাম কৰিছিল। খেলি মেলি বোলাৰ কাৰণ, মই বৰকৈ মন দি শুনিবলৈ নহ'ল। কাঁহীৰ ভাত অন্ত হ'লত বৰদাই আৰু ভাত আনিবলৈ যাব খোজোঁতে মই নেলাগে বুলি কৈ আঞ্জাৰ বাটিটো কাঁহীৰ ওপৰত তুলি মোৰ খোৱা শেষ হোৱাৰ জাননী দিলোঁ।

বৰদাই সুধিলে আমাৰ দেশত আমি সাধাৰণতে কি আঞ্জাৰে ভাত খাওঁ। মই কলোঁ—আমি মচুৰ বা ৰহৰ মাহৰ আঞ্জাৰে ভাত খাওঁ। কিন্তু তাই এই দুবিধ মাহৰ নাম শুনা নাই আৰু চিনিও নেপায়। তাই তেতিয়া সুধিলে, সেইবোৰ মাহ আমাৰ দেশত অৰ্থাৎ অসমত উৎপন্ন হয়নে? মই কলোঁ, নহয়। তেতিয়া তাই সুধিলে আমি ক'ৰ

পৰা পাওঁ। মই কলোঁ ভাটিফালৰ পৰা জাহাজত নৈয়েদি উজাই আহে বা ৰেলত আনে। তাই ৰেলনো কি, জাহাজ কি একোকে চিনি নাপায়, নামো শুনা নাই। মই কলোঁ, "তোমালোকৰ এই গাওঁ খনত যিমানবোৰ মানুহ আছে আৰু ঘৰে পতি যিমান বস্তুবাহানি আছে সোপাকে একেখন নাৱতে বোজাই দি পানীয়ে পানীয়ে বহুত দূৰ দেশলৈ লৈ যাব পাৰি, তেনেখন নাৱকে জাহাজ বোলে।" "সেইটো বিশ্বাসৰ অযোগ্য, অতি কথা, কাৰণ তেনে এখন নাও বাবলৈ কেইবা-টাও ৰাক্ষস লাগিব, মানুহে নোৱাৰে তোমালোকৰ দেশত ৰাক্ষস আছে নেকি?" এই কথাৰ উত্তৰ দিবলৈ থিতাতে বিচাৰি নেপালোঁ। তাই ভাবিলে মই তাইক উপলুঙা কৰিছোঁ। মুখত এটা বিৰক্তিৰ ভঙ্গী জিলিকাই তাই চুৰা কাঁহী-বাটিবোৰ লৈ প্ৰস্থান কৰিলে।

৭

বিছনাত বাগৰ মাৰি, গাৰুতলৰ পৰা চিগাৰেটৰ পেকেটটো আৰু জুইবাহটো উলিয়াই চিগাৰেটটো জ্বলাই দুহোপামান মাৰি আকৌ মুমাই থলোঁ। কাৰণ হাতত থকা চুৰট কেইটা ঢুকালেনো আকৌ এই দেশত ক'ত পাম? মোৰ বিক্ষিপ্ত মনটো বতাহত কপাহ কমোৱাৰ দৰে যেনি-তেনি উৰি ফুৰিলে। আগদিনা যিটো ভয় খালোঁ তাৰ নেজডালে এতিয়াও মোক কোবাই আছে. মনৰ স্থিৰতা নাই, চিন্তা শক্তি বিকল হৈ গৈছে। অৱশেষত নিদ্ৰালু হৈ টোপনি গলোঁ।

যেতিয়া সাৰ পালোঁ, তেতিয়া স্ত্ৰীকণ্ঠৰ ধ্বনিৰে ঘৰখন মুখৰিত। মই বেৰৰ ফালে মু-কৰি কাতি হৈ পৰি আছিলোঁ। কব নোৱাৰোঁ, কোনে এখন চেলেং কাপোৰ দি মোৰ গাটো ঢাকি থৈ গ'ল। মই নিতাল মাৰি সিঁহতৰ কথা-বতৰা শুনিবলৈ উৎকৰ্ণ হৈ আছোঁ। সিহঁতে ইমান ওপৰা-উপৰিকৈ কথা পাতিছে যে কাৰো কথা কোনেও নুশুনে. আটাইয়ে কয়, শুনোতা নাই। পাচত সকলোৰে মাত তল পেলাই এজনী ছোৱালীয়ে কবলৈ ধৰিলে, "হো-হোৱনি শব্দ শুনাৰ পাচত আমি দেখিলোঁ, এখন বতাহীযান প্ৰচণ্ড বেগেৰে পূব মুৱা হৈ আহিছে. ইমান তলেদি আহিছিল যে গছবোৰত লাগোঁ লাগোঁ হৈছিল। আমি ভাবিলোঁ পৰিব এতিয়া, কিন্তু নপৰিলে। কিবা বগা বস্তু এটা তাৰ পৰা ওলাই গছৰ ওপৰত পৰিলে। কি পৰিলে চাবলৈ বুলি আমি সেইফালে বেগা বেগীকৈ খোজ ললোঁ। ইতিমধ্যে বতাহীযান খন পৰ্বতত লাগিল গৈ আৰু লগে লগে জুই জ্বলি গ'ল। আমি গৈ দেখিলোঁ, এওঁ চকুমুদি মাটিত পৰি আছে। আমি যেতিয়া মাতিলোঁ, তেওঁ আমাৰ দৰে কথা কোৱা শুনি বৰ আচৰিত হলোঁ।"

এনেতে সন্দেহী সুৰেৰে কোনোবা এজনীয়ে— মাতৰ পৰা বুজিলোঁ বুঢ়ী মানুহ—সুধিলে. "পিছে এওঁ পুৰুষ নে স্ত্ৰী?" তেতিয়া আই-মাই খণ্ডেৰে কলে, "তুমি বুঢ়ী হ'লা, লৰা নে ছোৱালী চিনিব

নোৱাৰানে ? ল'ৰাৰ কি চিন দেখিলা ?" আগৰ জনীয়ে কলে, "চুলিবোৰ কিয় ইমান ছুটি, যদিহে ছোৱালী ?" তেতিয়া আই-মাই কলে "অ' তুমি সেইটোও ধৰিছা। গোটেইখিনি কথা কলেহে বুজিবা। তাই গৈছিল কাষত কলহলৈ নৈলৈ, পানী আনিবলৈ ; তেনেতে ষতাহীযান চলোৱা মানুহ এটা হঠাৎ আহি তাইক অকলে পাই দাঙি লৈ গুচি গ'ল। চিন হেৰুৱাবলৈ বুলি চুলি কোছা গুৰিতে কাটিলে ; পুৰুষৰ সাজ পিন্ধালে। এইদৰে তাইক অ'ৰ পৰা ত'লৈ লৈ ফুৰাইছিলে। তাৰ পাচত যেতিয়া ৰজাঘৰীয়া মানুহে তাক খেদা-খেদি কৰিলে, সি এইফালে পলাই আহিছিলে। পিচে ঈশ্বৰে নসহিলে ; বাট হেৰুৱাই ঘূৰি ফুৰোঁতে পৰ্বতত খুন্দা খালে আৰু যানখনে সৈতে পুৰি মৰিল। ঈশ্বৰৰ ইচ্ছাত এই ছোৱালীজনী যানখনৰ পৰা আগতে কেনেবাকৈ ওলাই পৰিল। তাইকনো বাৰু হাবিৰ মাজতে কেনেকৈ এৰি থৈ আহোঁ ? ইমান নিৰ্দয় হ'ব পাৰি জানো ?" সিজনীয়ে সুধিলে, "তাইৰ নাম কি ?

"মই এতিয়ালৈকে তাইৰ নামটো সোধাই নাই। মৰমতে 'সোণাই' বুলি মাতো ; তুমি সোধাছোন।"

কথাষাৰ শুনি মই বাগৰ মাৰি বেৰলৈ পিঠি দি বহি থকা মানুহবোৰৰ ফালে মুখ কৰিলোঁ আৰু চকু মেলি মহিলাবৃন্দক চাই ললোঁ। তেতিয়া সেই সন্দেহী বুঢ়ীজনীয়ে আহি মোক সুধিলে, "তোমাৰ নাম কি ?"

মই কলো, "গৌৰী।" তেতিয়া তাই কলে, "গৌৰী সচাঁকৈয়ে গৌৰী ! দেখিবলৈকো ধুনীয়া মোৰ মাজু ছোৱালী ললিতাৰ দৰে।" কথাষাৰ শুনি অইনবোৰে ফিচিঙা-ফিচিং কৰিলে। পাচত বৃদ্ধাই মোক গালে মুখে হাত ফুৰাই আশীৰ্ব্বাদ দি আগৰ ঠাইত বহিলেগৈ— য'ত গাভৰু, আধা গাভৰু, বুঢ়ী, আলৰ বুঢ়ী, আটাইবোৰে আলোচনাত যোগ দি তামোল চোবাই আছিলে। তামোল-ছালি খাই হাই-উৰুমি কৰি আটাইবোৰ যেতিয়া উঠি গ'ল তেতিয়াহে আই-মাৰ মুখত পানী আহিছে।

ইয়াৰ পিচতো কেইবাদিনো লেঠাৰিকৈ মোক চাবলৈ অহা মানুহেৰে ঘৰ ভৰি পৰিছিল। মইও প্ৰতিদিনে সেই একেটা অভিনয় কৰোঁ। আৰু আই-মাইয়ে সেই একেখিনি কথাকে নানা ভাব-ভঙ্গীৰে কৈ আগন্তুক সকলক সন্তুষ্ট কৰি পঠিয়াই দিয়ে। নয়ন আৰু বৰদা হাৰা-শাস্তি হয়, সিহঁতক সোধ-পোছ কৰোঁতে।

চতুৰ্থদিনাৰ পৰা পৰিয়ালটোক ঘৰুৱা কামত সহায় কৰিবলৈ লাগিলোঁ। আগবেলা গৰুৰ গোহালি পৰিষ্কাৰ কৰি আঁতাই, খৰি ফালোঁ; ক'ত কেনি জেওৰা জপনা ভাগিছে বাঁহ কাটি আনি সেইবোৰ মেৰামতি কৰোঁ; ভঁৰালৰ পৰা ধান উলিয়াই আনি ৰ'দত দিওঁ। পিছ বেলা ঢেঁকীত ধান বানো। এজনীয়ে কুলা-চালনী ধৰি চাউল জাৰে। গধূলি হোৱাৰ আগতে গৰু বিচাৰি আনি বান্ধোঁ; এইখিনি মোৰ দৈনিক কাম। জীয়েকহঁতৰ শাৰীৰিক পৰিশ্ৰম বহুত খিনি মই কান্ধপাতি লোৱা দেখি আই-মাৰ মৰম মোলৈ ক্ৰমে বাঢ়িবলৈ ধৰিলে।

পূৰ্ণিমা ওচৰ চাপিলে মৌবাহৰ পৰা ৰস উলিয়াই চিচাত ভৰাব লাগে আৰু হাতত বা আঙ্গুলিৰ মাজে মাজে লাগি থকা ৰসখিনি চেলেকি খাব লাগে। ঘৰুৱা কামৰ মাজেদি এটা এটাকৈ কিমানবোৰ দিন যে সৰকি যাবলৈ ধৰিলে মই তাৰ হিচাপ ৰাখিবলৈ এৰি দিলোঁ। চুলিবোৰ দিনক দিনে দীঘল হবলৈ ধৰিলে; বৰদা বাইদেৱে মোৰ মূৰ আঁচুৰি সোঁমাজেদি সেওঁতা ফালি কাণৰ ওপৰত দুটা কলডিলীয়া খোপা বান্ধি সেন্দুৰৰ ফোঁট দিয়ে; নহলে আই–মাই খং কৰে; 'আদৰ্শীখন' ঘনে ঘনে চাওঁ কিমান ধুনীয়া হৈছোঁ, ভৰ বয়সৰ সকলো ডেকা-ডেকেৰীৰ দৰেই।

এদিন দুপৰীয়া ভাত খাই উঠি বিছনাত পৰি 'চিগেৰেট্' এটাৰ শেষ তৃতীয়াংশ জ্বলাই লৈ হুপিছোঁ। এনেতে নয়নতৰাই হাতৰ মুঠিত কিবা এটা আনি মোৰ মেজতে থলে। মই সুধিলো, "সেইটো কি?" তাই কলে, "মুহুদি কৰিবলৈ তামোল নাই, শুকান শিলিখা এটা আনিছো।" শিলিখাটো মুখত ভৰাই ইফালে সিফালে চাই কাকো নেদেখি, তাইৰ হাত খনত থাপ মাৰি ধৰিলোঁ; তাই কেৰ্-মেৰ্ কৰিছিল; কিন্তু মই যাবলৈ নিদি তাইক সুধিলোঁ, "তোমাৰ

মাতৃদেৱী আই-মাক সদায় দেখিছোঁ, তোমাৰ পিতৃদেৱতাক নেদেখোঁ কিয় ?"

তাই উত্তৰ দিলে, "মইও দেখা নাই।"

মই কলোঁ, "তেনেহলে তোমালোক নিচেই সৰু হৈ থাকোঁতেই পিতৃ মৰি গ'ল ?"

তাই কলে, "ওপজাই নাই ; মৰিব ক'ৰ পৰা ?"

তাইৰ কথা শুনি মই বিচুৰ্ত্তি খালোঁ। ছোৱালীজনীয়ে কয় কি ? আকৌ সুধিলোঁ, "তোমালোকৰ ভাই-ককাই নাই নেকি ?" তাই মূৰ জোকাৰিলে।

"তোমালোকৰ গাঁৱত মতা মানুহ নাইনে কি ? মই দেখোন আজিলৈকে কাকো দেখা নাই।"

"নমতাকৈয়ে মানুহ সদায় আহি আছে, তুমি দেখা নাইনে ? মাতিলে বহুত আহিব, বহুৱাম কত ?

মই বুজিলো 'মতা মানুহ' কিহক বোলে তাই নেজানে। আকৌ সুধিলো, "পুৰুষ মানুহ তোমালোকৰ গাঁৱত দেখিছানে ?"

তাই কলে, "পুৰুষ মানুহ এইখন দেশত তোমাকেহে প্ৰথম দেখিলোঁ।"

"মইনো পুৰুষ বুলি জানিলা কেনেকৈ ?"

"ছোৱালীবোৰে মনে মনে কয়।"

এনেতে কোনোবাই ভিতৰৰ পৰা 'নয়ন' বুলি মাতিলে। তাই বিছনাৰ পৰা নামি লৰ মাৰিলে। মোৰ দুই চকুৱে তাইক পাছে পাছে খেদি গল। কিন্তু কাষৰ কোঠাৰ দুৱাৰ ঠেলি তাই অদৃশ্য হ'ল। অগত্যা শুকান শিলিখাটোকে চোবাবলৈ ধৰিলোঁ।

অলপ পাচতে সিটো কোঠালিৰ পৰা খট-খটলং খট, খট্-খটলং খট্' শব্দ শুনিবলৈ পালোঁ। অনুমান হ'ল দুখন তাঁত, চাৰিখন নিপুণ হাতৰ তাড়নাত বেগাই চলিছে।

সেই 'একেঘেঁয়ে' শব্দ শুনি মোৰ টোপনি আহিল।

এদিন নয়নে মোক টানি নি সিহঁতৰ তাঁতৰ পাটত বহুৱাই তাঁত

বৰলৈ লগাই দিলে। ওচৰ চুবুৰীয়া ঘৰৰ ছোৱালী এজনীও আছিল। মই কলোঁ, "আমাৰ দেশত লৰাই তাঁত নবয়।" মোৰ কথা শুনি নয়ন আৰু বৰদাৰ চকু থিৰ হ'ল। চেলাউৰি উঠি কপালৰ মাজ পালেগৈ। ইজনীয়ে সিজনীলৈ চালে। কিন্তু ওচৰ চুবুৰীয়া ছোৱালীজনীয়ে মোৰ কথাৰ তৎ ধৰিব নোৱাৰিলে আৰু তাত একো অসংলগ্নতা নেপালে। নয়নহঁতৰ মনৰ পৰা ভয় দূৰ কৰিবলৈ মই কলোঁ, "আমি ছোৱালীবোৰে আমাৰ দেশত পঢ়িবলৈ সকতে পাঠশালালৈ যাওঁ; তাঁত বোৱা কাম ডাঙৰবোৰেহে কৰে।" এই বুলি ক'লতহে সিহঁত দুজনীৰ চেলাউৰী তললৈ নামিল।

ইয়াৰ তাঁতশালবোৰ আমাৰ দেশৰ দৰেই। কিন্তু অলপ উন্নত ধৰণৰ। আমাৰ তাত শিপিনীয়ে ভৰিৰে জাল দি এহাতে মাকোটো মাৰি দি সিহাতে সিফালে ধৰে। ইয়াত কিন্তু ধৰিব নেলাগে। মাকোটো সিফালে এটা কাঠৰ খোলনিত সোমায়গৈ যিটো তলৰ দোপতি চটাত লগা থাকে। পাচৰ বাৰ আকৌ জাল দি সিথন হাতৰ আঙুলীৰে মাকোটো ঠেলা মাৰি দিলে, ইফালে থকা খোলনিত সোমায়হি। এই সামান্য কৌশল লগোৱাৰ কাৰণে তাঁত.বোৱা খৰ হয়। আমাৰ দেশৰ শালত দহবাৰ মাকো চলাচল কৰে মানে ইয়াত পোন্ধৰবাৰ কৰে। এই দেশত তাঁতবোৱা এটা প্ৰধান উদ্যোগ। ইয়াত খুব মিহিকৈ কাপোৰ ৱোৱা হয় আৰু নানাৰকমৰ আৰু বৰণৰ আচুঁ ফুল বাছি চেলেং কাপোৰ আৰু মেখেলা বয়। বৰ্মী বেপাৰীবোৰ নাৱেৰে এই পৰ্য্যন্ত উজাই আহে আৰু ইয়াৰ পৰা সেইবোৰ কাপোৰ অইন বস্তু দি লৈ যায়।

মোৰ দীঘল হোৱা চুলিবোৰ কেতিয়াবা বেণী গুঁঠি পিঠিত ওলোমাই দি বা যোৰ খোপাবান্ধি মোক সাজপাৰ পিন্ধাই বৰদা বাইদেৱে গাওঁ ফুৰাবলৈ লৈ যায়। যিকিজনী ছোৱালীয়ে মোক হাবিৰ মাজৰ পৰা কান্ধত তুলি আনিছিল প্ৰথমে সিহঁতৰ ঘৰলৈকে গ'লোঁ। অনেক কথা পাতি তামোল-ছালি খাই পাঁচ ঘৰ ফুৰিলোঁ। মোক লগ পাই সিহঁতে বৰ ভাল পালে। বাহ্য জগতৰ কথা সিহঁতে একো নেজানি ঘোৰ অন্ধকাৰত আছে। সেই অন্ধকাৰ কিছু দূৰ ভেদ কৰি

সিহঁতৰ মনত পোহৰ পেলাব পাৰিছিলে মোৰ কথাবোৰে। যদিও বতাহীযান দেখিছে, ৰেল আৰু জাহাজবোৰ যে কিমান শক্তিশালী সেইটো সিহঁতে বিশ্বাস কৰিবলৈ টান পাইছিল। এইবিলাকৰ উপৰি আমাৰ দেশৰ দা-দস্তুৰবোৰ জানিবলৈ সিহঁতৰ বৰ আগ্ৰহ। সিহঁতে মোক এৰি দিব নোখোজে; কথা কওঁতে কওঁতে মোৰ মুখ ফেনাই যায়। কোনোজনীয়ে কয়—'তুমি দেশলৈ উলটি যাওঁতে মোকো লৈ যাবা।' তেনেকুৱা অনুৰোধে মোক লাজ আৰু বেজাৰহে দিয়ে। কাৰণ মই যে আকৌ দেশলৈ ঘূৰি যাব পাৰিম তাৰ অলপো আশা মই দেখা নাছিলোঁ।

গোটেইখন গাওঁ ঘূৰি পকি ক'তো পুৰুষ মানুহ এটা নেপালোঁ যাৰ লগত মই মন খুলি কথা পাতিব পাৰোঁ। সিহঁত গ'ল কলৈ? এই প্ৰশ্নৰ উত্তৰ মোক কোনে দিব? আৰু এটা কথা মোৰ চকুত পৰিল। এই দেশৰ স্ত্ৰীবিলাক ইমান বগা কিয়? কাচিৎহে শাওঁ-বৰণীয়া মানুহ দেখিবলৈ পোৱা যায়। ইহঁতে কি প্ৰসাধন ব্যৱহাৰ কৰে? কিছুদিনৰ মূৰত বুজিলোঁ ইহঁতে কেৱল সৰিয়হ তেলৰ লগত নেমুটেঙা ৰস মিহলাই গালে-মুখে-হাতে ভৰিয়ে দিনৌ ঘঁহে!

এই গাঁৱত আটাইৰে ঘৰবোৰ টকৌ পাতেৰে ছোৱা। সুধি পেলাই জানিলোঁ টকৌ পাতবোৰ দহ দিনমান পানীত গোৰাই থয়। পাচত সমান জোখত কাটে। খুব মিহি বেট সূতেৰে ঘনাই গাঁঠি দি বান্ধে। এটা ভালকৈ ছোৱা ঘৰ কুৰি বছৰলৈ আকৌ ছাব নেলাগে। প্ৰত্যেক ঘৰৰ পিছফালে থকা বাৰীত আম, কঠাল, তামোল আৰু বাঁহ আছে। পাণৰ গছ কম। তামোলৰ লগত ছালি আৰু চূণ আৰু কেতিয়াবা কৰ্ফুল খায়।

ছোৱালীবোৰৰ লগত চিনাকি হোৱাৰ পাচত সিহঁতৰ লগত কেতিয়াবা হাবিলৈ শুকান খৰি লুৰিবলৈ বা চাহপাত ছিঙিবলৈ যাওঁ। ইয়াৰ হাবিত বনৰীয়া চাহ গছ বহুত আছে। এদিন হাবিত শুকান খৰি লুৰি মুঠা বান্ধি আমি পাঁচজনী ছোৱালী ঘৰলৈ উলটিবলৈ ওলাইছোঁ এনেতে টুনটুনীয়ে কলে, "হেৰা গৌৰী, হাবিত মৌবাহ এটা আছে,

মে খাওঁগৈ ব'লা। ললিতা যাবিনে ?" ললিতাই কলো, "নেযাওঁ।" ছোৱালীবোৰক আমি নহালৈকে বাট চাবলৈ কৈ মই আৰু টুনটুনী হাবিত সোমালোঁ। গৈ আছোঁ, কিন্তু মৌবাহ নাই। মই কলোঁ, "মিছা কথা কিয় কৈছিলা ? কেনটো মৌবাহ ?" টুনটুনীয়ে হাঁহি হাঁহি কলে, "সেইটো কি ?" এই বুলি কৈ এটা ফুটবলৰ সমান ক'লা বস্তুলৈ আঙুলিয়ালে। মই কলোঁ, "সেইটো ক'লা পৰুৱাৰ বাহ।" তাই মাত্র হাঁহিলে। কিছুপৰ ঘূৰি-পকি আমি যেতিয়া হাবিৰ পৰা ওলাই আহিলোঁ, তেতিয়া দেখিলোঁ, ছোৱালীবোৰে আমাক এৰি গুচি গ'ল ; এই নিৰ্জ্জন ঠাইত আমি দুইয়ো অকলে।

৯

এদিন ভাত খাওঁতে বৰদাই কলে, "আমাৰ দুখৰ দিন চাপি আহিছে।" কথাষাৰ শুনি মই থমক্ খাই ৰলোঁ, খাবলৈ তুলি লোৱা ভাত হাততে থাকিল। সুধিলোঁ, "হ'ল কিটো?" তাই কলে, "বাঁহৰ গাজ ওলাল।" মই কলোঁ, "পাগলনেকি? বাঁহৰ গাজ ওলাল ভাল হ'ল। ভাঙি আনি দিম, খৰিছা খুন্দিবা। দুখৰ দিন নহয় সুখৰহে দিন।"

"বাঁহৰ গাজ ওলায় তেতিয়া, যেতিয়া অক্ষৰী আহে।"

মই বৰদাৰ মুখলৈ চাই সুধিলোঁ, "সেইজনী আকৌ কোন, আখৰ চিনি পায়নেকি?"

"তাই মানুহ নহয়। ভৰ বাৰিষাক 'অক্ষৰী' বোলে।"

"ভাল কথা। ভৰ বাৰিষা আহি যদি পায়, শৰতলৈ সৰহ দিন নাই।"

মোৰ ধুন লগাই কোৱা কথা শুনি বৰদাই নেহাঁহিলে। গহীন ভাৱেৰে কলে, "এতিয়া মাটিত হাল বাই বোকা কৰি বীজধান সিঁচিব লাগিব। আৰু এমাহ ডেৰমাহৰ পাচত হাল বাই বোকা কৰি মাটি ৰুব লাগিব। আহাৰ, শাওন, ভাদ এই তিনি মাহত খেতি নকৰিলে বছৰটো কি খাম?"

স্বভাৱতে পাতল মনৰ মই হাঁহি-তামাচা ভাল পাওঁ। বৰদাৰ কথা শুনি মনটো দৰি গ'ল। সুধিলোঁ, "যোৱা বাৰ এইবোৰ কাম কোনে কৰিছিলে?'

"কোনে কৰিব? মই আৰু নয়নে।"

নয়নে হাল বাব? সেই ফুলৰ পাহী যেন হাত দুখনেৰে হালৰ মুঠিত ধৰি বোকা খচকি খচকি গৰুৰ পাছে পাছে যাব? মই ভাবিবই নোৱাৰোঁ। ভাতৰ পাতৰ পৰা জাপ মাৰি উঠিলোঁ, কলোঁ, "তোমালোকে হালবাই মোক ভাত খুৱাবা? এনে কথা মই জীয়াই

থকাত হ'ব নোৱাৰে। মোক দেখুৱাই দিবা ক'ত হাল বাব লাগে, যিমান মাটি আছে মই হাল বাই শেষ কৰিম।"

বৰদাই কলে, "বহঁা, বহঁা, ভাত খোৱঁা। নয়নলৈ দেখোন বৰ মৰম।" কথাষাৰ শুনি বেয়া নেলাগিল। ফুৰ্ত্তিৰে ভাত খাই শেষ কৰিলোঁ। পাচত জানিলোঁ, গোটেই ৰাজ্যতে একেদিনাই আনুষ্ঠানিক ভাৱে হলকৰ্ষণ আৰম্ভ হয়। সেইদিনা নিচেই পুৱাতে উঠি বাংদেউ নয়নে মাহ-হালধি পটাত বাটিছে। তাৰ পাচত গৰু হাল চোতাললৈ আনি বান্ধি বটা মাহ হালধিৰ লগত সৰিয়হৰ তেল মিহলাই মন্ত্র মাতিলে—

"শুনং নঃ ফালা কৃষস্তু ভূমিং শুনং কীনাশী চলন্তু বাহৈঃ।
শুনং পৰ্জন্য মধুনা পয়োভিঃ শুনা সীৰা শস্যম্ অস্মাসুদেয়ং॥"

এই মন্ত্র গাই কিছুমান তেলমিশ্রিত মাহ-হালধি মোৰ কপালত সানিলে, কিছুমান গৰুহালৰ কপালত সানিলে, কিছুমান নিজ নিজ কপালত সানিলে, কিছুমান ওপৰলৈ দলিয়াই দিলে আৰু কিছুমান মাটিত সিঁচিলে।

সেইদিনা পুৱাৰ চাহপানীও আনুষ্ঠানিক ভাৱে খোৱা হ'ল। চাহৰ লগত শুকান চিৰা, ঘিলাপিঠা আৰু এটা কণীও দিলে। খাই উঠি গৰু হাল মেলি কান্ধত নাঙল-যুৱঁলি লৈ নঙলা মেলি ওলাই গলোঁ। পিছফালৰপৰা বৰদাই মাতিলে, "মাটি জানো চিনি পোৱা ?" ঠিকেই কথা, এই সামান্য কথাষাৰ ভাবিবলৈ মই আজৰিকে পোৱা নাই। এনেতে দেখিলোঁ এজনী ছোৱালীয়ে মোৰ দৰে কান্ধত নাঙল যুৱঁলি লৈ এহাল গৰু খেদি পথাৰৰ ফালে আহিছে। তাইৰ কপালতো হালধি বটা। তাইক দেখি বৰদাই কলে, "অ' টগৰ, গৌৰীকো লৈ যা হাল-তলীলৈ। আজি গৌৰীয়ে হালবাব, আমি নেযাওঁ।" "বাৰু" বুলি টগৰ আগ বাঢ়িল। মই পাছে পাছে গলোঁ।

অলপ পাচতে আমি পথাৰ পালোঁগৈ। তাত তিনিজনী ছোৱালীয়ে তিনিহাল গৰুৰে হাল বাই আছে। সিহঁতৰ কপালতো মাহ-হালধিৰ ৰেখা জিলিকিছে। "ইয়াতে" বুলি কৈ টগৰে নিজৰ

কান্ধত থকা যুৱঁলি নমাই গৰু হালৰ কান্ধত পিন্ধালে আৰু সেই একে মাটিতে হাল বাবলৈ আৰম্ভ কৰি মোকো অনুসৰণ কৰিবলৈ কলে।

মই কলোঁ, "তোমালোকৰ মাটিত হাল বাবলৈ মই অহা নাই দেই। বৰদাইঁতৰ মাটি দেখুৱাই দিয়া।" মই ভাবিলোঁ মোক অঁকৰা যেন পাই মোৰ হতুৱাই সিহঁতৰ মাটি চহাব খুজিছে। মোৰ কথা শুনি চাৰিওজনী ছোৱালীয়ে হাঁহিবলৈ ধৰিলে।

এজনীয়ে কলে, "আহাঁ, গৌৰী, গৰুৰ কান্ধত যুৱঁলি দি আমাৰ পিছে পিছে আহি থাকা।" এই বুলি কৈ হাল বাই গৈ থাকোঁতে সুৰ লগাই গালে,

"হালে বাবৰে হ'ল সমনীয়া, হালে বাবৰে হ'ল,
অক্ষৰী আহিলে, পুখুৰী ভৰিলে. কুলিয়ে নমতা হ'ল, সমনীয়া,
হালে বাবৰে হ'ল।"

আটাই কেইজনীয়ে জাত লগাই গাই হাল ঠেলি পথাৰৰ ইমূৰৰ পৰা সিমূৰ পালেগৈ। যেতিয়া ঘূৰি মোৰ ওচৰ পালেহি তেতিয়া মালতী বোলা জনীয়ে কলে,

"হেৰা, তুমি যেতিয়া হাবিৰ মাজত তলসৰা ফুল পাহৰ দৰে পৰি আছিলা, তেতিয়া তোমাক কোনে পুতৌ কৰি সুধিছিল 'বৰকৈ দুখ পালা নেকি?"

মই কলোঁ, "তুমিয়েই সুধিছিলা"

"তেনেহলে তুমি মোক বিশ্বাস কৰিবানে?"

"কৰিম".

তেতিয়া তাই কলে, "এইবোৰ মাটিত বৰদাইঁতৰো ভাগ আছে, আমি পাঁচ ঘৰ মানুহে যুটীয়াকৈ খেতি কৰোঁ। তুমি চিন্তা নকৰিবা; তোমাক আমি ফাঁকি দিব খোজা নাই। তুমি আমাৰ পাছে পাছে হাল বোৱা; আৰু যদি ইচ্ছা নাই তেনেহলে ইয়াৰ পৰা আঁতৰি যোৱাঁ; আমাৰ ওপৰত চেকনী ধৰা হ'ব নেলাগে।"

মালতীৰ কথাত পতিয়ন গৈ তাইহঁতৰ লগতে হাল বাবলৈ ধৰিলোঁ। যদিও কোনো কালে নাঙলৰ মুঠিত ধৰা নাছিলোঁ, তথাপি সিহঁতলৈ চাই

চাই হালবোৱা বিদ্যাটো শিকিবলৈ বহুত পৰ নেলাগিল। পাঁচখন হাল অগা-পিছাকৈ চলিছে, চাই খুব ভাল লাগিল। অনেক কথা, গল্প, বদ্‌নাম, সদ্‌নাম কৈ বা শুনি মাজে মাজে গৰুৰ পিঠিত এছাৰি কোবাই আমি হাল বাবলৈ ধৰিলোঁ; ক্লান্তি বা ভাগৰে আমাক স্পৰ্শ কৰা নাছিল। কোনো এটা কাম অকলৈ নিবোক-বোক্ হৈ কৰাতকৈ লগে সঙ্গে কৰিলে সি অতি সহজে হয় আৰু আনন্দও পোৱা যায়।

ডেৰ ঘণ্টামান হাল বোৱাৰ পাচত আমি বিৰত হলোঁ। গৰুক বিশ্ৰাম দি সৰু সৰু পথৰুৱা আলিত বহি আমি বাঁহৰ চুঙাত অনা পানী খাই কুড়ি মিনিট মানৰ পাচত আকৌ নাঙল চলাবলৈ ললোঁ। এঘাৰ মান বজাত আমি ঘৰমুৱা হলোঁ। উলটি চাই দেখোঁ, আমি পাঁচজনী কৃষিণীৰ যত্নত বহুতখিনি পথাৰ হাল বোৱা হৈ গ'ল। অৱশেষত নিজ নিজ ঘৰৰ পদূলি পাই "যোৱা দেই, কাইলৈকো আহিবা" এই মধুৰ সম্ভাষণেৰে প্ৰত্যেকে বিদায় ললোঁহঁক।

ঘৰ আহি পালত আটাইয়ে মোক আতৌ পিতৌ কৈ আদৰি গা ধোৱাৰ সা-সুবিধা কৰি দিলে; মৰমৰ মাতেৰে ভাতৰ পাতত নি বহুৱালে। মোৰ সন্মানাৰ্থে আই-মাই আজি নিজে ভাতৰ চৰু জুৰিছিল। পুখুৰীৰ পৰা বৰশীৰে তোলা কুৱঁী মাছ এটাৰে টেঙা আঞ্জা ৰান্ধিছিল, খাবলৈ বৰ উপাদেয় হৈছিল। মই কেনেকৈ লোকৰ মাটি বুলি হাল বাবলৈ আপত্তি কৰিছিলোঁ আৰু পাচত মালতীৰ কথাত পতিয়ন গৈ পথাৰত নামিলোঁ, সেইবোৰ কথা মোৰ পৰা শুনি তেওঁলোকে আমোদ পাইছিল।

ভাত পানী খাই উঠি আমি চাৰিও যেতিয়া তামোলছালি খোৱা মেলত একেলগ হ'লো তেতিয়া আই মাই মোক সকলো কথা ভাঙি-পাতি কলে—

"আমাৰ এই দেশত চাৰিখন গাওঁ আছে; তাৰে ভিতৰত আমাৰ খন গাওঁ এমূৰীয়া; দক্ষিণে সি তিনিখন আমাৰ পৰা উজাই নৈৰ পাৰতে। প্ৰত্যেক গাৱঁতে ত্ৰিশ-চল্লিশ্ ঘৰ, মুঠতে সাত কুড়ি ঘৰ মানুহ আছে।

"প্ৰত্যেক গাৱঁৰে পাঁচ বা ছঘৰ একেলগ হৈ একোটা 'গোট' বান্ধে। আমাৰটো গোটত পাঁচঘৰ মানুহ; সি পচিশ্ ঘৰৰ মাজত পাঁচোটা 'গোট'। আমাৰ পাঁচ ঘৰৰ যিমান ৰোৱাতী মাটি আছে সেইখিনিৰ গিৰিহঁত সেই 'গোট'টোহে; ঘৰে পতি মাটি নাই। আমি পাঁচোঘৰে খেতি-খোলা একেলগে কৰি ঘৰেপতি মানুহ অনুপাতে শস্য ভগাই লওঁহক; কোনো দ্বন্দ্ব খৰিয়াল নাই। তুমি এতিয়া আমাৰ ঘৰত সোমালত আমাৰ ভাগটো আগতকৈ বাঢ়িব; কাৰণ তুমিও খেতিত পৰিশ্ৰম কৰি উৎপাদন বঢ়াবা।

"আমি পাঁচঘৰ মানুহ একেঘৰ বুলি কলেও হানি নাই। এঘৰত না-নৰিয়া হ'লে সিকিঘৰৰ মানুহে পাল পাতি আহি পতি কৰিব। এঘৰত কিবা এটা বস্তুৰ নাটনি পৰিলে সিকিঘৰে অকুণ্ঠে দিব। খেতি কৰোঁতে অসুখ বা নৰিয়া হেতু কোনোবা পথাৰলৈ যাব নোৱাৰে, তাৰ কাৰণে দায় নধৰে। কাৰণ, তেনে অসুখ বিসুখ প্ৰত্যেক ঘৰতে হ'ব পাৰে। সেইদৰে আৱশ্যক হ'লে এটা 'গোটে' অইন এটা 'গোট'ৰ মানুহক কামে-কাজে সহায় কৰে। সমস্ত ৰাজ্যতে এই প্ৰতি নিৰ্ভৰশীল নীতি চলি আছে। আমাৰ মাজত কোনো অসূয়া-ঈৰ্ষা নাই।"

বাস্তৱিকতে এই মাইকী মানুহবোৰক বৰ বুদ্ধিমতী বুলিব লাগিব। গোটেইখিনি মাটি যেতিয়া পাঁচো ঘৰৰে হ'ল তেতিয়া ইঘৰ সিঘৰৰ ভিতৰৰ মাটিৰ সীমা ঠেলা-ঠেলি ঘটিবৰ থল নাইকিয়া হ'ল। আমাৰ অসম দেশত কিন্তু মাটিৰ সীমা-ঠেলা মকৰ্দমা প্ৰায়ে হৈ থাকে। এতেকে আমাৰ দেশতো এই উমৈহতীয়া খেতি কৰা নিয়ম প্ৰৱৰ্ত্তন কৰিলে সীমা-ঠেলা মকৰ্দ্দমা নাইকিয়া হব। তাৰ পৰা গাৱঁলীয়া মানুহে বহুত জুলুমৰ হাত সাৰিব। এতেকে সকলোফালৰ পৰা সমবায় পদ্ধতিত খেতি কৰাটো মঙ্গলজনক যেন লাগিল।

দিনৌ ৰাতিপুৱা মই গৰুহাল আৰু নাঙল-যুৱঁলি আৰু কেতিয়াবা মূৰত জাপিটো লৈ হাল বাবলৈ যাওঁ। কিন্তু সি চাৰি ঘৰৰ পৰা সদায় বেলেগ বেলেগ ছোৱালী আহে। সিহঁতে মোক সোধে, "তুমি কিয় সদায় আহিব লাগে, নয়ন বা বৰদা কিয় নাহে ?" সেই প্ৰশ্নৰ উত্তৰ বিচাৰি নেপাই মই অইন কথা উলিয়াওঁ। অনেক বিষয়ে কথা পাতি শেহত যেতিয়া কথা নীৰস হৈ পৰে তেতিয়া সিহঁতে অশ্লীল কথা পাতিবলৈ ধৰে। এদিন সিহঁতৰ সেই কথাবোৰ তল পেলাই মই ওখ গলাত জাত লগাই গালোঁ

"কে-এ-লৈ ফুলিলি অ'—ৰূপহী মদাৰ ঐ
কে এ-লৈ পেলা-লি কলি।
মৰম যে কৰোঁতা নাই তোক কোনো ঐ
কোনে বা ল'ব বুটলি ?"

শুনি আটাই কিজনী ছোৱালীয়ে গিৰ্জ্জনি মাৰি হাঁহিবলৈ ধৰিলে, মাত্ৰ, এজনীত বাজে। হাল বোৱা বন্ধ হ'ল। হাহোঁতে হাহোঁতে পেটৰ বিষত বেঁকা হৈ সিহঁত বোকাতে পৰি গ'ল। এজনী কিন্তু নিৰ্বাক-নিস্পন্দ হৈ থিয় হৈ আছে। মই একো নুবুজিলোঁ। এজনীয়ে হাঁহি হাঁহি কলে "অ' মদাৰ, মদাৰ, শুনি কেনে লাগিলে ?" তেতিয়া মই বুজিলোঁ মন মাৰি থিয় হৈ থকা জনীৰ নাম 'মদাৰ'। বৰ বেয়া লাগিল, মইতো তাইক ঠাট্টা কৰিবলৈ গোৱা নাছিলোঁ। তাই কিন্তু নিজৰ গাতে পাতি ললে।

মই কলোঁ, "তোমাৰ নাম যে মদাৰ মই সত্যে নেজানো ; তোমাক উদ্দেশ্য কৰি মই গোৱাও নাই। আমাৰ দেশত এই ফাঁকি নাম গৰখীয়া লৰা-ছোৱালীৰ মুখে মুখে। তুমি বেজাৰ নকৰিবা ; মোৰে শপত। সিহঁত কিজনীতকৈ তুমি সঁচাকৈয়ে ৰূপহী।" ইমানখিনি কথা কলতহে তাইৰ মুখত হাঁহি বিৰিঙিলে। তাই কলে, "মই বেয়া

পোৱা নাই।” সিকিজনীক মই টান মাতেৰে সাৱধান কৰি দিলোঁ নাহাঁহিবলৈ। তথাপি মুখ জপাই দুই এজনীয়ে নহঁহাকৈ থকা নাছিল।

এইদৰে ধেমালি-ধুমুলা কৰি হাল বাই কুড়ি পুৰামান মাটি ধান ৰুবৰ উপযোগী কৰা হ'ল। ইতিমধ্যে কঠীয়াবোৰ এবেগেত মান ওখ হ'ল। আমাৰ 'গোট'টোত পোন্ধৰজনী কৰ্মঠা ছোৱালী আছে। শাওণ মাহৰ মাজৰ পৰা আমি কঠীয়া তুলি ভুঁই ৰুবলৈ লাগি গ'লো। আমাৰ তাৰ দৰে ইয়াত জধে-মধে ধান নোৰোৱে। ন ইঞ্চিমান আঁতৰে আঁতৰে শাৰী শাৰীকৈ মাত্ৰ তিনিডাল কঠীয়া পুলি বোকাত পুতি যায়। মোৰ সলনি বৰদা আৰু নয়নে ভুঁই ৰুলে; কাৰণ মই অপটু। সিহঁতে জোখ মতে অলপো হেৰ্‌ফেৰ্‌ নকৰাকৈ ৰুই যায়; পংক্তি ভঙ্গ নকৰে। ৰোৱা হৈ গলে পথাৰত বহি এমূৰৰ পৰা সিমূৰলৈকে দুই লানি ৰোৱা ধানৰ মাজেদি স্পষ্ট চাই পঠিয়াব পাৰি।

তাদৰ মাজ পালত পথাৰৰ কাম সম্পূৰ্ণৰূপে শেষ হ'ল। আমাৰ বাহিৰে অন্যবোৰ গোটৰো কাম প্ৰায় একে সময়তে শেষ হ'ল। ধান খেতি কৰাত ইটো গোট আৰু সিটো গোটৰ মাজত বেছ প্ৰতিযোগিতা চলিছিল। সিহঁতৰ ছোৱালীবোৰ আহি আমাৰ কাম কিমান আগ-বাঢ়িছিল মাজে মাজে চাই যায়হি; আমিও চাওঁগৈ। এই প্ৰতিযোগিতাত কোনো দ্বেষ বা ঈৰ্ষাভাৱ নাছিল। সেই সুবিস্তীৰ্ণ পথাৰ খনত ধানৰ কঠীয়া ৰোৱা যেতিয়া সম্পূৰ্ণ হৈ গল তেতিয়া চাই থাকি ভাল লাগিছিল। সেই আনন্দ মুখেদি ফুটি ওলাল—
“ৰোৱানিৰে মাজে মাজে সক সক আলি ঐ, সক সক আলি।”

বহু-বাঞ্ছিত শৰত কাল আহিল ; আকাশ নিৰ্মল হ'ল। খেতিৰ লেঠা মাৰি আমি জৰ্জৰীয়া হলোহঁক ; গাৰ পৰা যেন এটা ডাঙৰ বোজা খহি পৰিল। আমাৰ গোটটোৰ ছোৱালীবোৰে জাক পাতি নৈৰ পাৰত ফুৰিবলৈ যাওঁহঁক, যেন একেঘৰৰে আমি আটাইবোৰ। একেলগে দুখ-কষ্ট ভোগ কৰিলে মানুহৰ মাজত একতাৰ বান্ধ যিমান শকত হয়, একেলগে সুখ ভোগ কৰিলে নহয়। আমাৰ লগতে গাৱঁৰ অইন ছোৱালীও আহি গোট খাই হৈ-হাল্লা' কৰি থাকোঁ ; ইহঁতৰ মাজত থাকি আৰু ইহঁতৰ দৰেই কথা-বাৰ্তা পাতি মোৰ মনৰ চিন্তাধাৰা সিহঁতৰ দৰেই হ'লগৈ। মই যে পুৰুষ আৰু বাকীবোৰ স্ত্ৰী সেইটো প্ৰভেদ ভাব একেবাৰে পাহৰি গলোঁ। ছোৱালীবোৰ সাধাৰণতে বেলেগ বেলেগ জুমত বিভক্ত হৈ নৈৰ পাৰত গা ঘেলাই ফুৰে। কেতিয়াবা আকৌ মোক ঘেৰাও কৰি মোৰ পৰা নানা কথা শুনিবলৈ আগ্ৰহ কৰি মোক হাৰাশাস্তি কৰে। বহুত নতুন ছোৱালীৰ লগত চিনাকি হ'লোঁ।

যিখন নৈৰ পাৰত আমি ফুৰোঁ তাৰ সিপাৰে চীনৰ এলেকা। বহুত দূৰলৈকে গাওঁ-ভূঁইৰ চিন-চাব নাই। যিমানলৈকে চকু যায়, কেৱল কহুৱানি ; দীঘল বগা চুলি মেলি বতাহত হালিছে-জালিছে, যেন 'ক্ষীৰ সাগৰৰ ঢৌ চৌভিতি উথলে। কোনোবা এজনীয়ে প্ৰস্তাৱ কৰিছিল, "নাও এখনত পাৰ হৈ সিপাৰলৈ যাওঁ ব'লা।" অইন এজনীয়ে কলে, "তালৈ গলে আকৌ উলটি আহিবলৈ আশা নকৰিবা ; চীনা চোৰাংচোৱা হাবিৰ মাজে মাজে লুকাই আছে, পালে ধৰি নিব।"

পশ্চিমাকাশত ৰঙা চুলি মেলা বেলিটোৰ যেতিয়া আধাখিনি দিগন্তত পোত যায়, তেতিয়া আমি নৈ এৰি ঘৰমুৱা হওঁ। যিমানেই গাৱঁত সোমাই আগবাঢ়োঁ, সিমানে আমাৰ দলটো ক্ষীণ হ'বলৈ ধৰে ; কাৰণ প্ৰতিটো পদূলি মূৰতে 'যাওঁ দেই, কাইলৈ আকৌ আহিবা' এনে মধুৰ সম্ভাষণেৰে আমাৰ মাজৰ পৰা দুই এজনীকৈ

ওলাই যায়। অৱশেষত থাকোঁ মই, বৰদা আৰু কুটিল পক্ষ্মা মদাৰ।

এদিন মদাৰে আমাক দুইকো সিহঁতৰ ঘৰলৈ মাতিলে। কিন্তু বৰদাই ঘৰত কাম আছে বুলি মোক অকলশৰে মদাৰৰ পাতলিত পেলাই থৈ গুচি গ'ল। মদাৰহঁতৰ ঘৰত তেতিয়া বন্তি জ্বলাইছিল। সেই কাম হৈ যোৱাৰ পাচত মদাৰৰ মাক আৰু দুজনী ভনীয়েকে মোক ঘেৰাও কৰি বহিলে। আমাৰ দেশৰ বিষয়ে অনেক আলাপ-আলোচনা কৰাৰ পাচত মদাৰৰ মাক এজনী ভনীয়েকেৰে সৈতে ৰন্ধা-বঢ়া কাম কৰিবলৈ উঠি গ'ল। বাকী আমি তিনিজনীয়ে তাচ খেলিবলৈ ললোঁ। তাচ খেলত অনেকবাৰ হৰা-জিকা আৰু অনেকবাৰ খং-হাঁহি উঠিল। ৰাতি ন-মান বজাত ভাতৰ পাতলৈ নিমন্ত্ৰণ হ'ল।

মোক আলহী সুধিবলৈ তেওঁলোকে এটা কুকুৰা মাৰিছিল; অপৰিসীম তৃপ্তিৰে ভোজন কৰিলোহঁক। ভাত খাই উঠি আধাখেলা খেলখন আকৌ খেলিলোঁ, তাৰ পাচত আকৌ খেলিলোঁ। তাচ খেলা নিগাই এবাৰ ধৰিলে তাৰ হাত সৰা টান। ৰাতি এঘাৰ বজাত খেল এৰি মই যাবলৈ ওলালোঁ। কিন্তু ইমান নিশা বাহিৰলৈ ওলাবলৈ মোক আটায়ে মানা কৰিলে; কাৰণ গাৱঁত ৰাতি হলে চিকাৰী বাঘ ঘূৰি ফুৰে। বাধ্য হৈ সিহঁতৰ ঘৰতে ৰাতিটো আলহী থাকি পুৱা দোকমোকালিতে মদাৰৰ পৰা বিদায় লৈ ঘৰ পালোঁহি। আই-মাই মোলৈ পোন্দোৰাকৈ চালে, কিন্তু মাতৃত্ব-ৰসাপ্লুত তেওঁৰ হৃদয়ে টান কথা কবলৈ বাধা দিলে।

নৈৰ পাৰত আবেলি ফুৰিবলৈ যোৱাটো অভ্যাসত পৰিণত হ'ল। উলটি আহোঁতে কোনো একো ঘৰৰ প্ৰতি নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিব নোৱাৰি নিশা আলহী থকাটো সঘন হবলৈ ধৰিলে। এইদৰে গোটেই গাওঁখনতে মোৰ সৌহাৰ্দ্য আৰু জনপ্ৰিয়তা বাঢ়িবলৈ ধৰিলে। কিন্তু এই দুটা গুণ নহৈ মোৰ পক্ষে যে বৈগুণাহে হ'ল আৰু সিয়ে মোৰ মূৰত ৰাম টাঙোন মাৰিব – সেইটো ভবা নাছিলো; মহা ফুৰ্ত্তিৰে দিন কটাইছিলোঁ। আই-মাই কিন্তু বুজিছিল আৰু কেইবাদিনো মোক

সাৱধান কৰি দিছিল। কিন্তু তেওঁৰ কথাত আজিকালি বৰ গুৰুত্ব নিদিয়া হ'লোঁ। কাৰণ আমি স্কুলত পঢ়িছিলোঁ—"বৃদ্ধস্য বচনং গ্ৰাহ্যং আপৎকালে উপস্থিতে। সৰ্বকালে বিচাৰে তু লঘোনতে মৰি যাম ॥"

এদিন আবেলি বেলিকা নৈৰ পাৰত ফুৰিবলৈ নগৈ চোতালত ঢাৰি পাৰি আমি চাৰিও বহি জুৰ বতাহ লৈছোঁ; চিন্তাশূন্য মুকলি মনেৰে বহুত কথা পাতিছোঁ। লাহে লাহে যেতিয়া আন্ধাৰে আবৰি ধৰিলে, তেতিয়া বৰদা আৰু নয়ন ঘৰত চাকি-চুকা জ্বলাবলৈ উঠি গ'ল। অইন কথাত ৰস কমি অহাত, বহুত দিনৰ পৰা পেটত অগ্নিমান্দ্য কৰি থকা প্ৰশ্ন এটা আই-মাক সুধিলোঁ।

"আই-মা, এইখন দেশত থকা পুৰুষ মানুহবোৰ কলৈ গ'ল ?"

তেওঁ কলে, "তিনি শ মান বছৰৰ আগতে চাৰিও ফালৰ আবৰী জাতিবোৰৰ লগত যুদ্ধ কৰি মৰি গ'ল। তেতিয়া আইতাহঁতে, হাতত ধেনু-কাঁড়, যাঠী জোং লৈ শত্ৰুক খেদি গ'লত, স্ত্ৰীৰ লগত যুদ্ধ নকৰোঁ বুলি সিহঁতো উলটি গুচি গ'ল। তেতিয়াৰ পৰা আমাক উপদ্ৰপ কৰাহি নাই।"

মই কলোঁ, "তেনেহলে আপুনি বৰদা, নয়ন আৰু সিহঁতৰ ঘৰৰ মালতী, মাধৱী আৰু গাৱঁৰ যতমানে ছোৱালী আটাইবোৰ তিনিশ বছৰীয়া বুঢ়ী ?"

"জানো, তই কেনেকুৱা দেখিছ।"

"মই হলে তেনেকুৱা দেখা নাই; গাভৰু যেনহে দেখিছোঁ। আপোনাৰো চুলি সিমানকৈ পকা নাই, যিমানকৈ পকিলহেতেন তিনিশ বছৰীয়া হোৱা হ'লে।"

"তেনেহলে সেয়ে।"

মই একো নমতাকৈ থকা দেখি আই মাই কলে, "তোৰ মনৰ খুকুৰিটো বুজি পাইছোঁ, পুৰুষ মানুহ নোহোৱাকৈ বংশ পৰম্পৰা কেনেকৈ চলি আহিছে। সেইটো দেখাত বৰ আচৰিত আৰু অসম্ভৱ। কিন্তু সংসাৰত তাতোকৈ বহুত আচৰিত কাণ্ড ঘটি আছে। ভাবি চা, এটা নিচেই সৰু গুটিৰ পৰা এজোপা প্ৰকাণ্ড বনস্পতিৰ কেনেকৈ

উৎপত্তি হয়। এটা কণী কুহুমত মাত্র দুবিধ জুলীয়া পদাৰ্থ আছে, তাৰ পৰাইনো ঠোঁট. চকু, ভৰি, নখ, হাড়, মঙহ আৰু নানা ৰঙৰ পাখিৰে এটা কুকুৰা চৰাই কেনেকৈ হয়? সেইদৰেই বিনা পুৰুষেও কেৱল স্ত্রীৰ পৰা স্ত্রীৰ জন্ম হোৱা আৰু নিৰৱচ্ছিন্ন বংশ পৰম্পৰা চলি থকাত আচৰিত হ'ব লগীয়া একো নাই। যি প্ৰাণ শক্তিয়ে এই জীৱন্ত জগত স্ৰজন কৰিলে আৰু চলাই আছে তেওঁৰ পক্ষে অসম্ভৱ একো নাই।"

আই-মাৰ কথাখিনিয়ে মোৰ মনত পেলাই দিলে যে এনে এটা কুটিল জিজ্ঞাসাই মোৰ মনত আগতেও এবাৰ ভুমুকি মাৰিছিল। হাইস্কুলত বিজ্ঞান শিক্ষকে কৈছিল বোলে পুৰুষৰ সঙ্গম নোহোৱাকৈ ৰাণীমৌৱে যিবোৰ কণী পাৰে তাৰ পৰা কেৱল মাইকীমৌৰ হে জন্ম হয়। তাৰ কাৰণ অৱশ্যে 'চাৰে' কোৱা নাছিল; আৰু কিতাপতো বিচাৰি পোৱা নাছিলোঁ। বিজ্ঞানে তাৰ কাৰণ কেতিয়াবা বিচাৰি উলিয়াব। মৌমাখিৰ ক্ষেত্ৰত যিটো সম্ভৱ, মানুহৰ ক্ষেত্ৰতো সেইটো নিশ্চয় সম্ভৱ হব পাৰে। এইখন পুৰুষবিহীন সমাজ নিজ চকুৰেই দেখিলোঁ। আৰু আই-মায়েও জানো মিছা কব পাৰে?

আন এদিন এইদৰে চোতালত বহি জুৰ লৈ থাকোঁতে নয়নে কলে, "আহিন সোমালে।"

মই সুধিলো, "তোৰ হাতত পাঁজি-পুথি আছে নেকি?"

"পাঁজি কি?"

"পাঁজিকে চিনি নাপাৱ যদি আহিন সোমালে বুলি কেনেকৈ কলি?"

আইয়ে কলে, "পাঁজি-পুথিৰ আমি নামহে শুনিছোঁ; কোনোকালে দেখা নাই।"

মই সুধিলোঁ, "তেনেহলে নয়নে কেনেকৈ কলে আহিন সোমালে বুলি?"

"তাৰৈ আকৌ পাঁজি-পুথি লাগেনে? চকু-কাণ সজাগ কৰি ৰাখিলেই হ'ল; শেৱালী ফুল ফুলিলে আহিন সোমায়, ধানে পক ধৰিলে আঘোণ সোমায়, ঠেটুৰৈ ধৰিলে পুহ, কুলি চৰায়ে মাতিলে ফাগুন

পাৰে পাৰে

সোমায়, বাহ গাঁজ ওলালেই আহাৰ মাহ বুলি জানি। আৰু কি লাগে ?”

মই তাঞ্ছিল্যৰ সুৰত সুধিলোঁ, “এইখন ৰাজ্যত লিখা-পঢ়াৰ কোনেও ধাৰ নাধাৰ নহয়নে ?”

আইয়ে নয়নক কলে, “নয়ন যাচোন, তই সেইদিনা তুলাপাতত কি কি লিখিছিলি দেখুৱা।”

নয়ন ভিতৰলৈ গৈ এটা কাগজৰ টোপোলা আনি মোৰ হাতত দিলে। মেলি চাই দেখিলোঁ, কিছুমান কাগজত কিবাকিবি আছে, মই পঢ়িব নোৱাৰিলোঁ। সুধিলোঁ,

“এইবোৰ কি লেখিছ, কাউৰী ঠেঙীয়া ?”

“এইবোৰ বৰ্মী আখৰত লিখা ; তুমি মাতিব নোৱাৰা।”—নয়নে কলে। আইয়ে পঢ়ি শুনাবলৈ কোৱাত নয়নে পঢ়িবলৈ ধৰিলে—

‘নাস্তি মাত্রা সমং তীৰ্থং
নাস্তি মাত্রা সমং গতি,
নাস্তি মাত্রা সমং গুৰু
সদা মাতৃ পদে মতি ॥’

শুনি তবধ মানিলোঁ। এই জংঘলী ছোৱালীজনীয়ে ইমান সংস্কৃত জানে! মই সুধিলোঁ, “আই-মা আপুনি শিকালে ?” আইয়ে নয়নক আৰু গাবলৈ কলে। নয়নে গালে—

‘কো ধৰ্ম ভূত দয়া ;
কিং সুখং, নিত্য আৰোগিতা।
কঃ স্নেহঃ, সদ্‌ভাবঃ,
কিং পাণ্ডিত্যং, পৰিচ্ছেদঃ ॥’

মই সুধিলোঁ, “আই-মা, পৰিচ্ছেদ কিহক বোলে ?”

আই-মাই কলে, “বিচাৰ বুদ্ধি।”

মই সুধিলোঁ, “আপুনি লিখিব-পঢ়িব নেজানে ; এইবোৰ কেনেকৈ শিকিলে ?” তেওঁ কলে, “এইবোৰ জ্ঞানৰ কথা, মুখে মুখে সহস্ৰ বছৰ চলি আহিছে।” সিমানতে আমাৰ সন্ধ্যাৰ প্ৰসঙ্গ অন্ত হ'ল ; আমি দিহা-দিহি গ'লোঁ।

এদিন আমি নৈৰ পাৰত ফুৰিবলৈ গৈ বহুত ছোৱালীক লগ পালোঁ। তাতে এজনী ছোৱালীক বেঢ়ি কেইবাজনীয়ে বহি গল্প শুনিছে। মধ্যস্থা জনীয়ে সাৱিত্ৰী-সত্যবানৰ উপাখ্যান কৈছে। শ্ৰোতা সকলৰ লগত আমিও যোগ দিলোঁ। উলটি আহিবৰ সময়ত আমাৰ মাজৰ এজনীয়ে কলে, "কাইলৈ আমি 'তাইপাত' তুলিবলৈ যাম; কোন কোন যাবা ওলাবাহঁক; সোনকালে ভাত-পানী খাই ওলাম।" কেইবজনীয়েও এই প্ৰস্তাৱত সম্মতি জনাই "যাম" বুলি কথা দিলে। বেলি পৰোঁ পৰোঁ হওঁতে আমি নিজ নিজ ঘৰলৈ উলটিলোঁ।

পিচ দিনা সোনকালে ভাত-পানী খাই মই আৰু নয়ন যাবলৈ ওলালোঁ। হাতে পতি একোখন দা, ককালত পানীৰ চুঙা, 'তাইপাত' ভৰাই আনিবলৈ একোটা জোলোঙা। অলপ পৰ নঙলা মুখত বাট চাই থকাৰ পাচতে সিফালৰ পৰা এজাক ছোৱালী কল্‌কলাই আহিছে; মই আৰু নয়নে লগত যোগ দিলোঁ। গাৱঁৰ পৰা ওলাই যেতিয়া পথাৰ পালোঁগৈ, তেতিয়া টুনটুনীয়ে কলে, "হেৰৌ, আমি এতিয়া কেইজনী লেখি চা। হাবিৰ পৰা ঘূৰি আহোঁতে যাতে এজনী দুজনী থাকি নাহে। তেতিয়া আটাইবোৰে গন্তি কৰাত লাগি গ'লোহঁক। এজনীয়ে কলে- "দহজনী", এজনীয় কলে—'তেৰ জনী'; আন এজনীয়ে কলে—"বাৰজনী"। এইদৰে খেলি মেলি লগাত টুনটুনীৰ বৰ খং উঠিল। তাই তেতিয়া আমাক মুখ জপাই থাকিবলৈ কৈ আমাক একে ঠাইতে থুপ্ খুৱালে। টুনটুনীয়ে লেখি লেখি এজনী এজনীকৈ হাতত ধৰি টানি আনি ডিঙিত ধৰি বাটৰ সিফাললৈ গতা মাৰি দিলে। এইদৰে গন্তি কৰাত দেখা গ'ল আমাৰ দলটোত বাৰজনী ছোৱালী আছে।

মহাফুৰ্ত্তিৰে বনগীত গাই গাই আমি ডুমাইলমান অতিক্ৰম কৰাৰ পাচত অটব্য অৰণ্যত সোমালোঁগৈ। হাবিৰ মাজে মাজে একো জোপা চাহগছ, দহ-বাৰ ফুট ওখ, নতুন কুঁহি পাত মেলি আমাক আহ্বান কৰিছে। আমি গাই-পতি একো জোপা গছত উঠি পাত ছিঙি আমাৰ জোলোঙাত ঠাহ খুৱাই ভৰালোঁ আৰু বনৰীয়া লতাৰে জোলোঙাৰ মুখ বান্ধিলোঁ। আমি আহিবলৈ ওলাইছোঁ, এনেতে ললিতা বোলা ছোৱালীজনীয়ে কলে, "হেৰা গৌৰী, এই ঠাইডোখৰ চিনি পাইছানে?" মই কলোঁ, "নাই পোৱা।" তাই কলে, "তোমাক যে আমি বুটলি নিছিলো···।" মই চক্‌খাই উঠিলোঁ। তাই কলে, "ইয়াৰ পৰা অলপ দূৰতে"। মই কলোঁ, "সচাকৈনে?' কেইবাজনী ছোৱালীয়ে কলে, 'হয়'। মনটো একৰকম লাগি গ'ল। পুৰণি কথালৈ মনত পৰিল। হাবিৰ মাজত পৰি থাকোঁতে প্ৰায় এবছৰৰ আগতে যিবোৰ ভয় আৰু চিন্তাই মোক বিহ্বল কৰিছিল, সেইবোৰ আকৌ মোৰ হৃদয়ত ক্ষীণভাৱে জাগ্ৰত হৈছিল তথাপি ভাবিবলৈ টান পালোঁ যে ময়েই সেই লৰাটো, যি মুমূৰ্ষু হৈ অকলৈ হাবিৰ মাজত পৰি আছিলোঁ। সেই লৰাটোৱেই আজি হাঁহি মাতি খিকিন্দালি কৰি অৰণ্যৰ অপ্‌সৰীবোৰৰ লগত ঘূৰি ফুৰিছোঁ। অৱস্থাৰ ইমান পৰিবৰ্ত্তন!

পূৰ্ব্বৰ ঘটনা মনত পৰিলত এই ঠাইডোখৰ মোৰ আপোন যেন লাগিল। ঘূৰি-পকি চাবৰ ইচ্ছা গ'ল। ছোৱালীবোৰেও ইফালে সিফালে ঘূৰি ফুৰিছিল। মোৰ পেটে-পেটে ইচ্ছা, ঠিক যিডোখৰ ঠাইত মই পৰি আছিলোঁ, সেই ঠাইডোখৰ চোৱা। অনাই বনাই ফুৰা ছোৱালীবোৰৰ মাজৰে এজনী পাত-গাভৰু ছোৱালীয়ে—তাইৰ নাম মঞ্জুলা –"আই ঐ এইটো কি ঐ" বুলি ৰাউচি পাৰি আমাৰ ফালে লৰি আহিল। "কি হ'ল, কি হ'ল" বুলি আটাইয়ে তাইক বেঢ়ি ধৰিলোঁগৈ; উত্তৰ দিয়ক ছাৰি তাই ভয়তে থৰ্ থৰ্‌কৈ কঁপিবলৈ ধৰিলে। তাইৰ ভয়টো সংক্ৰামক হোৱাত আমিও কঁপিবলৈ ধৰিলোঁ। কেৱলমাত্ৰ টুনটুনী অটল হৈ তাইক সুধিলে, "কি দেখিলি, মঞ্জুলা?"

কিন্তু মঞ্জুলাই মুখকে নেমেলে, ভয়তে। আটাইবোৰে পীড়া-পীড়ি কৰাত কলে, "তাতে কিবা এটা পৰি আছে।"

"জীয়ানে মৰা ?"

"মৰা।"

কোনখিনিত বুলি সোধাত তাই আঙুলিয়াই দেখুৱালে। কলে, "গছজোপাৰ সিফালে।" আমি জনীচেৰেকে হাতত সাৰে ভৰিত সাৰে সেইফালে আগবাঢ়ি গৈ দেখিলোঁ এক বিকট দৃশ্য; এটা সুদীৰ্ঘ নৰ-কঙ্কাল, হাত-ভৰি মেলি ওপৰলৈ মুখ কৰি পৰি আছে। আমাৰ লগত থকা জনীচেৰেকে "আইঔ" বুলি চিঞৰ মাৰি পলাব খুজিছিল; মই থাপ মাৰি ধৰি ৰাখিলোঁ। হাড়ত বাদে ছাল বা মাংস সমূলি নাই; নিশ্চয় কোনোবা বন্য জন্তুৱে ভোজ খালে। এই বিকট দৃশ্য দেখি আমাৰ গাৰ নোম শিয়ৰি উঠিল। ছোৱালীবোৰে কোৱা-মেলা কৰিবলৈ ধৰিলে, "ইমান দীঘল মানুহজনী, আমি আগেয়ে ক'তো দেখা নাই; এই নো ক'ৰ পৰা আহি ইয়াত মৰিবলৈ পালেহি ?"

মই কিন্তু তৎক্ষণাৎ বুজিব পাৰিলোঁ; হায়, হায়, মোৰ পৰম শুভাকাংক্ষী পাইলট্ বন্ধুৰ এই দশা হ'ল ! এই ভাৱনাই মোৰ চকুৰ পৰা ঝৰ্-ঝৰ্‌কৈ পানী উলিয়ালে, আটাইয়ে দেখি অবাক। এতিয়া মঞ্জুলাক এৰি মোকহে নিচুকাব লগাত পৰিল। সেই বন্ধুজনলৈ মোৰ স্নেহ আৰু কৃতজ্ঞতাই মোক আপোন পাহৰা কৰিলে। মই জাপ মাৰি গৈ মাটিত দীঘল দি পৰি থকা মোৰ বন্ধুৰ জঁকাটো আকোৱাল মাৰি ধৰি লাও-খোলাটোতে চুমা খাবলৈ ধৰিলোঁ; ছোৱালীবোৰে হতবুদ্ধি, নিৰ্বাক নিস্পন্দ হৈ চাই আছে। যিটো জঁকালৈ সিহঁতৰ ইমান ভয় আৰু বিতৃষ্ণা, সেই নৰকঙ্কাললৈকে মোৰ আকুল তৃষ্ণা। আটাইয়ে ধৰি মোক টানি আনিলে আৰু খুব বলকিলে। মই সকলো সহি তলমূৰকৈ থাকিলোঁ। ভাবিলোঁ, আজি যদি তেওঁ জীয়াই থাকিলেহেঁতেন, তেতিয়া তহঁতক বাহী ফুল বুলি নেওচা দি তেওঁৰ লগত গুচি গলোঁহেতেন। কৃতজ্ঞতাৰ সমান পৱিত্ৰ আৰু স্থায়ী আকৰ্ষণ আছে নে ?

মোৰ কাণ্ড দেখি সেই জকাঁটোলৈ সিহঁতৰ ভয় ভাগিল; কেউফালে

ঘূৰি ঘূৰি চাবলৈ ধৰিলে। ফটা-চিটা কাপোৰ কিছুমান ইফালে সিফালে পৰি আছে ; সেইবোৰ তেওঁৰ 'ফ্লাইংচুট্'। অলপ দূৰত কিছুমান সেউজীয়া ৰঙৰ কাপোৰ সোত-মোচ খাই পৰি থকা দেখি মালতীয়ে হাতেৰে তুলি ধৰিলত অইন এজনীয়ে চিঞৰ মাৰি দিলে "সেই দুটা কি" বুলি। মই দেখিলোঁ, দুডাল সোণৰ শলখা ( bar ) মাটিত পৰি জিলিকি আছে। বেচেৰা মোৰ বন্ধুৰ সোণলৈ ইমান আক্ৰোশ যে যমৰ দুৱাৰ মুখলৈকে শলখা দুডাল বুকুত বান্ধি লৈ ফুৰিছিল। সেই দুৱাৰেদি নিজে সৰকি গ'ল। কিন্তু সোণৰ শলখা দুডাল পথালিকৈ লাগি ধৰিলে। নিচেই তলেদি উৰি যোৱাৰ কাৰণে 'পেৰাছুট'টো মেল নেখালে। পাট-কাপোৰৰ তৈয়াৰী, এবছৰৰ ৰদে বৰষুণেও নষ্ট কৰিব নোৱাৰিলে।

কোনোকালে সোণ নেদেখা ছোৱালীবোৰে বহুপৰ শলখা কিডাল পিটিকি মুচৰি পৰীক্ষা কৰি চালে। এজনীয়ে কলে, "বৰ গধুৰ।" বাকীবোৰেও গাইপতি হাতত জোকাৰি তাৰ ওজন চালে ; কলে, "হয় বৰ গধুৰ।" চাই চাই যেতিয়া সিহঁতৰ হেঁপাহ পলালে, তেতিয়া মই সুধিলোঁ, "আমি এতিয়া সোণৰ শলখা দুডাল ঘৰলৈ নিম নে, ইয়াতে পেলাই থৈ যাম ?" আটাইয়ে একবাক্যে কলে, "কেলৈ পেলাই থৈ যাম ? ঘৰলৈ নিম।" মই আকৌ সুধিলোঁ, "লৈ গৈ কি কৰিবা ?" তাৰ উত্তৰ কোনেও দিব নোৱাৰিলে। পাচত এজনীৰ চেতনা হ'ল ; কলে, "সোণৰ অলঙ্কাৰ গঢ়ি আমি হাতে, কাণে আৰু ডিঙিত পিন্ধিম। তোমালোকৰ দেশত হেনো স্ত্ৰীমানুহে সোণৰ অলঙ্কাৰ পিন্ধে, তুমি কৈছিলা।" মই কলোঁ, "ঠিক কৈছা, এনেই ধুনীয়া তোমালোক ; সোণৰ অলঙ্কাৰ পিন্ধিলে তোমালোকৰ ৰূপৰ জেউতি চৰিব ; কিন্তু অলঙ্কাৰ গঢ়িব কোনে ?" তেতিয়া টুনটুনীয়ে কলে, "তুমিয়েই ; তোমালোকে হেনো সোণাৰীৰ কাম কৰিছিলা ; তোমাৰ মুখৰে কথা।"

মোৰ মুখৰ মাত নাইকিয়া হ'ল। ছিঃ, প্ৰেমৰ জালত পৰি সকলো কথা কৈ দিবলৈ মোক কিহে পাইছিল ? মই ফুটাই কলোঁ, "হ'ব পাৰে, কিন্তু মই নিজে সেইটো বিদ্যা শিকিবলৈ নহল।" শান্তিয়ে কলে,

"তেনেহলে এইবোৰ আমি বোজা বৈ নিয়াৰ পৰা কি লাভ ?" নয়নে কলে, "আইহঁতৰ মুখৰ পৰা শুনিছোঁ, 'লোষ্ট্ৰবৎ পৰদ্ৰব্যেষু' ভাব কৰিব লাগে।" মই সুধিলোঁ, "মাধবী তুমি কি কোৱাঁ ?" তাই কলে, "নয়নতহঁতক নেলাগে যদি আমিয়ে লৈ যাওঁ। নি কি কৰিম সেইটো পাচ কথা। হাবিৰ পৰা তাইপাত আৰু খৰি নিবলৈ যদি ভাল হ'ল ইয়াকো হাবিতে পাইছোঁ যেতিয়া লৈ নেযাম কিয় ?" তাইৰ অখণ্ডনীয় যুক্তিত সৈমান হৈ সকলোৱে হাত চাপৰি মাৰি তাইক সমৰ্থন কৰিলে।

তেতিয়া মই সুধিলোঁ, "আমাৰ গাৱঁত বাৰু মানুহ কেইঘৰ ?" এজনীয়ে কলে, "ত্ৰিশঘৰ।" মই কলোঁ, "তেনেহলে এই চুডালক সমানে ত্ৰিশ খণ্ড কৰি, ঘৰে ঘৰে একোখণ্ড দিম। তাকে নকৰি যদি আমি কেইঘৰে ৰাখোঁ আৰু কিছুমানক বঞ্চিত কৰোঁ, তেনেহলে গাৱঁৰ মাজত ঈৰ্ষাভাৱ জাগ্ৰত হ'ব ; ঈৰ্ষা ৰাক্ষসিনীয়ে গাওঁ ভাঙিব।" দুই একত বাজে সৰহখিনি ছোৱালীয়ে "ভদ্ৰ ভদ্ৰ" বুলি মোক সমৰ্থন কৰিলে। এজনীয়ে কলে, "আমি যদি এটা পহু মাৰিলোঁহেতেন গোটেই গাৱঁকে ভগাই দি নেখাম জানো ?"

এতিয়া সমস্যা হ'ল প্ৰতিডাল শলখাকে সমানে পোন্ধৰ খণ্ড কৰা যায় কেনেকৈ ? এজনীয়ে কলে, "যোল্ল খণ্ড কৰাঁ, বাঢ়ি থাকিলে তুমি ল'বা বা যাকে ইচ্ছা তাকে দিবা।" "সেইটো হ'ব নোৱাৰে" বুলি কৈ মই মোৰ স্কুলীয়া বিদ্যাৰ সহায় ললোঁ। জ্যামিতিৰ একাদশ সম্পাদ্য স্মৰণ কৰি এডাল শলখাক সমানে পোন্ধৰ ভাগ কৰি চিন দিলোঁ। যেহেতু দুয়ো ডোখৰ দীঘে সমান, সিডোখৰকো সেইদৰে চিন দিয়া হৈ গ'ল। ছোৱালীবোৰে খুব সূক্ষ্ম পৰীক্ষা কৰিও যেতিয়া জোখত একো হেৰ্‌ফেৰ নেপালে তেতিয়া সিহঁত বৰ আচৰিত হ'ল।

আমাৰ দলটোত দহ ঘৰৰ ছোৱালী উপস্থিত আছিল ; গতিকে আমি দহ লদা সোণ ঘৰে পতি ললোঁ। আমাৰ ঘৰৰ সোণ নয়নে হাত পাতি নলয় ; বাধ্য হৈ ময়ে ললোঁ। উকলি থকা কুৰি টুকুৰা সোণ ছোৱালীবোৰে মোক গতাই দিলে ; অৰ্থাৎ মোক ভাৰী পাতিলে।

'পেৰাছুট্'টো সাদৰীৰ হাতত দিলোঁ। আপুৰুগীয়া বস্তু পাই ছোৱালীবোৰে উলাহতে জপিয়াৰলৈ ধৰিলে। চাহপাতৰ জোলোঙা কিটা কান্ধত আঁৰি লৈ চিঞৰত গোটেই বনাঞ্চল প্ৰতিধ্বনিত কৰি গাৰলৈ খোজ ললোঁহক। "যাওঁ দেইবা" সম্ভাষণেৰে প্ৰত্যেকজনী ছোৱালী নিজ নিজ পদূলিয়েদি অন্তৰ্দ্ধান হ'ল।

আমাৰ নঙলা দেই দেখিলোঁ ৰবদা বাইদেৱে চোতাল সাৰিছে; পিৰালিত বহি আই-মাই শাক বাছিছে। দুয়ো আমালৈ কেৰাহিকৈ চাই মুখেৰে নেমাতিলে; আমি বেলি কৰাৰ কাৰণে আমাৰ ওপৰত খং। মই যেতিয়া আই-মাৰ পিছফালে কুৰিডোখৰ সোণৰ টোপোলাটো 'ঝনক্'কৈ পেলাই দিলোঁ, তেতিয়া আই-মাই ঘূৰি চাই সুধিলে, "এইবোৰ কি?" ৰবদাই আধাসৰা চোতাল এৰি লৰি আহিল। টোপোলাটো মই মেলি দেখুৱালত তেওঁলোকৰ মাত হৰি গ'ল। নয়নে কলে, "এইবোৰ সোণ, মৰা মানুহ এটাৰ ওচৰতে পৰি আছিল।" কথা শুনি আইয়ে ঘোৰ আপত্তি কৰিলে। মৰা মানুহৰ বস্তুবুলি সেইবোৰ ঘৰৰ ভিতৰলৈ নিবলৈ নিদিলে। তেওঁৰ মতে এইবোৰ 'অদ্ৰব্য', যাক লৈ লেনদেন কৰা অনুচিত। মাকক সমৰ্থন কৰি নয়নে শ্লোক এষাৰ মাতিলে, "নাদ্ৰব্যে নিহিতা কাচিৎ ক্ৰিয়া ফলৱতী ভৱেৎ।" আমাৰ ভাগৰ সোণ ডোখৰ ৰবদাৰ হাতত মনে মনে দি টোপোলাটো তুলি লৈ গুচি গ'লোঁ; কোৰখন বিচাৰি আনি মনে মনে ভঁৰালৰ পিছফালে পানীপোতাত পুতি থলোঁ। পাচত নয়ন আৰু মই পুখুৰীৰ পাৰত চাবোন সানি গা ধুলোঁ মই যে জকাঁটো সাৱটি ধৰিছিলোঁ সেই কথা কাকো নকবলৈ নয়নক সাৱধান কৰি দিলোঁ; তাই মান্তি হ'ল। গা-পা ধুই ঘৰ সোমালত আইয়ে সুধিলে, "ইমান পৰ কলৈ গৈছিলি?"

মই কলোঁ, "সেইবোৰ পেলাই থৈ আহিলোঁ।"

আইয়ে সুধিলে "ক'ত পেলালি?"

মই কলোঁ, "সিঘৰৰ পুখুৰীত।" আইয়ে শুনি ভাল পালেনে বেয়া পালে ক'ব নোৱাৰোঁ; মুখেৰে কলে, "সোণ একো ভাল

বস্তু নহয়; ই এবিধ বিহ; সি মানুহক জলা-কলা কৰে। সোণ সৰ্ব্বনাশৰ মূল।"

আই-মাক ভালৰি লগাবলৈ মই কলোঁ "আমি ইতিহাসত পঢ়িছোঁ, হীৰা-মুকুতা খচিত সোমনাথ মন্দিৰৰ সোণৰ দুৱাৰবোৰ ভাঙি-ছিঙি চুলতান মামুদে লৈ গ'ল; ধন-সোণৰ লোভত সোতৰবাৰ ভাৰত আক্ৰমণ কৰি ভাৰতৰ মানুহক বহু অত্যাচাৰ কৰিলে; অৱশেষত সোণে ধনে ভাৰাক্ৰান্ত ভাৰত শত্ৰুৰ দ্বাৰা আক্ৰান্ত আৰু পদদলিত হ'ল। সোণৰ দ'ল, সোণৰ কলসী, সোণৰ প্ৰতিমা, সোণৰ সিংহাসন, এইবোৰেই ভাৰতৰ মহাকাল হ'ল।"

আইয়ে কলে, "তই আমাতকৈ সৰহ কথা জান; জানিও ঘৰলৈ সোণ আনিছিলি কিয়? সোণতকৈ লো, পিতল, কাঁহ অধিক মূল্যৱান; তাৰে দা, কুঠাৰ, নাঙলৰ ফাল, বাচন-বৰ্ত্তন গঢ়িব পাৰি; সেইবোৰ বস্তু নহলে সংসাৰ নচলে; কিন্তু সোণ নোহোৱাকৈয়ে চলি যায়। আমাৰ আইহঁতে কোৱা শুনিছো—'ধানেহে ধৰ্ম্মৰ মূল শুনা ধনঞ্জয়, ধান নহলে ধৰ্ম্ম নিসিজয়।"

১৩

পাচ দিনা দুপৰীয়া ভাত খাওঁতে ৰৰদা ওচৰতে থিয় হৈ আছে। মই কলোঁ, "বুজিছা বাইদেউ, আই-মাই একো নেজানে। তেওঁ সোণ দেখিবই নোৱাৰে; তাৰ একো মূল্য নাই বুলি কয়। তেওঁৰ কথা সঁচা হ'লহেঁতেন, পৃথিবীৰ সকলো মানুহে সেই দৰে যদি ভাবিলে-হেঁতেন। কিন্তু দুখৰ বিষয়, আই-মা অকলৈ একালে আৰু গোটেই পৃথিবীৰ মানুহ সিফালে।" আই-মাৰ সকলো কথাতে আগ নিশা "হয়, হয়" কৈ এতিয়া আকৌ তাৰ বিপৰীতে সমালোচনা কৰা বৰদাই ভাল পোৱা নাছিল। তত্ৰাচ মই কৈ গলোঁ, "বাইদেউ, আমি ইমান খিনি সোণ পালো যেতিয়া আমি সুখেৰে দিন কাল কটাব পাৰিম।"

বাইদেৱে সুধিলে, "কেনেকৈ?" মই কলোঁ, "কাতি মহীয়া যে বৰ্মী বেপাৰীবোৰ আহি তোমালোকক বহুত পণ্য বস্তু যোগায়, এনেয়ে দিয়ে জানো?"

"এনেয়ে কিয় দিব? সেইবোৰৰ বিনিময়ত আমি বস্তু দিব লাগে; যেনে, মিহিকৈ বোৱা কাপোৰ, ফুলাম চেলেং আৰু গা-মোছা, মৌ জোল, শুকান তামোল ইত্যাদি।"

মই কলোঁ, "এতিয়াৰ পৰা সেইবোৰ একো নিদিবা; নিজে খাবা বা পিন্ধিবা; তাৰ সলনি অকণ অকণ সোণ দিলেই হব। সোণৰ মূল্য বহুত। আমাৰ হাতত যিমান সোণ আছে তাৰে এশ খন বেপাৰী নাৱৰ বস্তু কিনিব পাৰিম।"

এই কথা যেতিয়া বৰদাই মাক আৰু ভনীয়েকক কলে গৈ, তেতিয়াহে তেওঁলোকৰ চকু গজিল আৰু অনুতপ্ত হ'ল। আবেলি চোতালত বহি মেল মাৰোঁতে আইয়ে কলে, "মইনো আৰু কেইদিন জীম? তহঁতৰ সুখেই মোৰ সুখ। এতিয়াৰ পৰা তহঁতৰ কথাত হকা-বধা নকৰোঁ। মোৰ কথাতে উচাট্ মাৰি গৌৰীয়ে লোকৰ পুখুৰীত

সোণবোৰ পেলাই দিব নেলাগিছিল ; মোক বুজাবহে লাগিছিল। তাই বহুত কথা জানে ; আমি হৈছো হাবিতলীয়া মানুহ।"

মই হাঁহি হাঁহি কলোঁ, "লোকৰ পুখুৰীত পেলোৱা নাই, আই-মা ; আমাৰ বাৰীৰ এচুকতে পুতি থৈছোঁ।" মোৰ কথা শুনি আটাইৰে মুখত প্ৰসন্নতা জিলিকিলে। মই আকৌ কলোঁ, "কিন্তু এটা কথা, সোপাই সোণ আমাৰ ভাগত নপৰে। গোটেই গাওঁ খনকে বিলাই দিম বুলিহে আনিছিলোঁ, নহয়নে নয়ন?" নয়নে মূৰ জোকাৰি মোক সমৰ্থন কৰিলে। মোৰ কথা শুনি আইয়ে মোক খুব প্ৰশংসা কৰিলে।

মই গাঁত খান্দি সোণ কেইডোখৰ আকৌ উলিয়ালোঁ। বৰদায়ো আমাৰ ভাগৰ লুকুৱাই থোৱা সোণটুকুৰা উলিয়াই আনিলেগৈ। গাৱঁৰ ৰীতি মতে আন বস্তুৰ নিচিনাকৈ প্ৰতি ঘৰতে সোণৰ একো একো অংশ দিয়াটো স্থিৰ হ'ল।

দুদিনৰ মূৰত মাধৱীহঁতে মোক জনালেহি, সোণ বিলাই দিয়া হৈ গ'ল। মই সুধিলোঁ, "গাৱঁৰ মানুহবোৰে কি কলে?" উত্তৰত সিহঁতে কলে, "গাৱঁৰ মানুহে তোমাক বৰ ভাল পাইছে আৰু নথৈ আশীৰ্ব্বাদ দিছে।" মই কলোঁ, "বৰ ভাল কথা।" টগৰে কলে, "তেওঁলোকে ভাবে 'যিজনী মানুহে এনে মূল্যবান বস্তু পাইও নিজে আত্মসাৎ নকৰি লোকক বিলাই দিছে তেওঁৰ হৃদয় নিশ্চয় মহৎ।"

মাধৱীয়ে কলে, "অকল সেয়ে নহয় ; আৰু কথা আছে।"

মই সুধিলোঁ, "কি কথা আছে?" উত্তৰত তাই কলে, "তেনে মহৎ হিয়াৰ সান্নিধ্য বিচাৰি প্ৰত্যেক ঘৰেই তোমাক বধ শপত দি মাতিছে, তেওঁলোকৰ আতিথ্য গ্ৰহণ কৰিবলৈ। আৰু তোমাক লৈ যাবলৈ টগৰকে মোকে ভাৰ দিছে ; বোলে 'দহো কুৰি ; লৈ আনিবা।"

কথা শুনি মই অপ্ৰতিভ হলোঁ ; নয়নে ফিচিঙা-ফিচিং কৰিছে। কেৱল বৰদা বাইদেৱে মোলৈ সহানুভূতি দেখুৱাই কলে, "সাদৰক নেওচিব নেপায়।" তেওঁৰ সমৰ্থন পাই মাধৱীহঁতক 'যাম' বুলি কথা দিলোঁ। কুৰি ঘৰৰ ভিতৰত একেবাৰে সিমূৰে থকা ঘৰক বাদ দি সি উনৈশ্ ঘৰত উনৈশ্ নিশা থাকি আতিথ্য গ্ৰহণ কৰিলোঁ। ফলত, আটাইয়ে

ভাল পালে আৰু গাওঁখনত একতাৰ বান্ধ আগতকৈ শকত হৈ পৰিল। তাকে নকৰা হলে কিজানি গাওঁখনে আমাক এঘৰীয়া কৰিলেহেঁতেন। কেইবা ঘৰতো মই সৰু ছোৱালীও দেখিলোঁ। সিহঁতৰ বয়স ছমহীয়াৰ পৰা আঠ-দহ বছৰীয়ালৈকে।

বিংশতিতম ঘৰনো কিয় বাদ পৰিলে, তাৰ কাৰণটো হ'ল— উনবিংশতিতম ঘৰত নিশা আলহী থাকি ঘৰলৈ আহি শুনিলোঁ, মোকলৈ ঘৰত সমালোচনা চলিছে। আই-মাই কোৱা শুনিলোঁ, "মৰে উকলি পুৰা, মৰে পদূলি শুৱা।" নয়নে কলে, "মৰে অলপ পানীৰ মাছ," তাতে বৰদাই জোৰা দিলে "মৰে নদীকুলৰ গাছ।" তেতিয়াৰ পৰা মই এইবোৰ ৰাতি ফুৰা কাম বাদ দিলোঁ।

কাতি সোমালে। এসপ্তাহ যাওঁতে নেযাওঁতেই তিনিখন বেপাৰী নাও নৈ-ঘাটত চাপিলেহি। তাকে চাবলৈ এবছৰ বাট চাই থকা গাৱঁৰ মানুহবোৰে নৈ পাৰত জুম বান্ধিলে। এনিশাৰ পাচত দুখন নাও উজাই গ'ল, এখনহে আমাৰ গাৱঁৰ ঘাটত ৰ'ল। নাওবোৰ বেছ ডাঙৰ; প্ৰত্যেক খনতে তিনিটাকৈ নাৱৰীয়া। সিহঁত বৰ্মা দেশৰ মানুহ, নাৱত বেপাৰ কৰি কৰি ফুৰে। অলপ-অচৰপ ইংৰাজীও জানে। গতিকে বহিঃ জগতৰ বিষয়ে সিহঁতৰ পৰা কিছু কথা জানিব পাৰিলোঁ। নৈৰ গৰাত যেতিয়া সিহঁতে চৌ-খুটি মাৰি ভাত ৰান্ধে, তেতিয়া সিহঁতৰ লগত ভগা ইংৰাজীত কথা পাতোঁ, বাকীবোৰ ছোৱালীয়ে মুখ মেলি চাই থাকে, একো নুবুজে।

সিহঁতে হৰেক ৰকমৰ বস্তু আনিছে। যেনে— লোণ, সৰিয়হৰ তেল, কেৰাচিন তেল, দা, কুঠাৰ, কেৰাহী, এলুমিনিয়মৰ চচ্‌পেন, চীনামাটিৰ কপ্‌-থাল, পাতি-চাকি, হৰিকেন লেম্প, চাবোন, কপাহী সূতা, বেজী, গুলি-সূতা, আঁচু-সূতা, কাগজ, পেন্সিল, চিয়াঁহী, কলম, গুৰৰ টেকেলি পৰ্য্যন্ত। এইবোৰৰ বিনিময়ত সিহঁতে গাৱঁৰ পৰা নিয়ে মিহিকৈ বোৱা কপাহী কাপোৰৰ থান, ফুল বছা চেলেং কাপোৰ, গামোছা, মৌজোল, চাহপাত, খৰিছা আৰু শুকান তামোল।

সিহঁতৰ লগত কথা পাতি বুজিলোঁ, বৰ্মা দেশতো ভাৰতৰ দৰে ৰূপৰ মুদ্ৰা চলে আৰু ভাৰতীয় মুদ্ৰাও চলে। সিহঁতৰ দেশৰ টকাটোও আকৃতিত আমাৰ টকাটোৰ দৰেই, অলপ সৰু, পঞ্চম জৰ্জ্জৰ মূৰৰ ছাব মৰা। সিহঁতেও সেই মুদ্ৰাটোক 'ৰূপী' বোলে। মই ইংৰাজীতে সুধিলোঁ। সিহঁতৰ দেশত সোণৰ দাম কিমান; সিহঁতে কলে, "ninety rupee"—অৰ্থাৎ নব্বৈ টকা। পিচদিনা মই আমাৰ ঘৰত থকা সোণৰ লদা এটা কাটি এটুকুৰা সিহঁতক দেখুৱালোঁ। সিহঁতে জুখি চাই কলে, 'half rupee' (আধা তোলা) আৰু তাৰ দাম পঞ্চলিশ টকা

বুলি ইংৰাজীত কলে। মই আন্দাজ কৰিলোঁ। তেনেহলে আমাৰ ঘৰত ৰবদাৰ হাতত থকা সোণৰ ওজন প্ৰায় দহ তোলা হ'ব আৰু তাৰ মূল্য হ'ব ন-শ টকা। মই নিয়া সোণ টুকুৰা বেপাৰীটোক দি তাৰ হাতৰ পৰা পঞ্চলিশ টকা বৰ্মীৰূপ লৈ ঘৰলৈ বেগ দিলোঁ। সকলো কথা ৰবদাহঁতক বুজাই কলোঁ ; সিহঁতে কাণ পাতি শুনি সৰ্ব্বশেষত মোক প্ৰশংসা কৰিলে।

পাচ দিনা সেই পঞ্চলিশ টকা ৰূপ লৈ আমি তিনিওজনী নৈৰ ঘাটত বেপাৰীৰ পৰা মাল কিনিবলৈ গ'লোঁ। সেই টকাৰে আমি বহুত বস্তু কিনিলোঁ ; তাৰ ভিতৰত আছিল গুৰ, কেৰাচিন তেল, মিঠা তেল, লোণ, বেজী, বৰশী, কাগজ, পেন্সিল, কপাহী সূতা আৰু মোৰ নিমিত্তে এজোৰ ৰবৰৰ 'চেন্দেল্' ; ৰবদাহঁতে চেন্দেল নেলাগে বুলি কলে।

আমাকে দেখি গাৱঁৰ বাকীবোৰ ছোৱালীৰো চকু গজিল ; সিহঁতেও আমাৰ দৰে আধা তোলা সোণ দি বহুত বস্তু কিনিলে। এই স্বৰ্ণ-পণ্য বিনিময় কাৰ্য্যত সিহঁতে মোৰ পৰা বহুত সহায় পালে ; নহলে বেপাৰীয়ে সিহঁতক ঠগিলেহেঁতেন। প্ৰায় তলি উদং হোৱা নাওখন উজাই গৈ সিতুখন নাৱৰ লগ ধৰি দেখিলে, সিহঁতৰ বস্তু যৎসামান্য বিক্ৰি হৈছে। এইখন নাৱৰ মানুহে তাত গৈ উলিয়াই দিলে যে আমাৰ গাৱঁৰ মানুহে সোণ দি বস্তু কিনিলে ; এই কথা শুনি উজনিত থকা তিনিখন গাৱঁৰ মানুহবোৰ আচৰিত হ'ল, আমি ক'ত সোণ পালোঁ ?

পাচত সন্দেহ লৈ সেই তিনিখন গাৱঁৰ মানুহে বুজিলে যে হাবিৰ পৰা যে অপেশ্বৰী এজনী আমাৰ গাৱঁৰ ছোৱালীবোৰে বুটলি আনিছিলে, তাই হেনো মাটিক সোণ কৰিব পাৰে ; সেই সোণেৰে আমাৰ গাৱঁৰ মানুহবোৰ ধনী হৈছে আৰু বেপাৰীৰ নাও উদং কৰি বস্তু কিনিছে। এই কথাটো ৰাষ্ট্ৰ হোৱাৰ লগে লগে সেই তিনিখন গাৱঁৰ মানুহবোৰ মোক চাবলৈ উত্ৰাৱল হ'ল। লাভৰ ভিতৰত দৰ্শকসকলক সোধা পোছা কৰিব লগাত পৰি নয়ন, ৰবদা আৰু আই-মা হাৰাশাস্তি হ'ল। প্ৰত্যেক দিনে মোক চাবলৈ দহ-বাৰ জনী মানুহ আমাৰ ঘৰত উপস্থিত হয়হি। আধা ঘন্টামান হুলস্থুল কৰি

ঘৰখন উইচুৰা দিব খোজে। অতবোৰক বহিবলৈ দিবলৈ ঢৰা-পীৰা নাই, ঢেকীৰ মূৰত বহে. মেজৰ ওপৰতে বহে, কেতিয়াবা মোৰ গাতে বহে। মোক ভালকৈ পিটিকি মোহাৰি চায় আৰু কয়, "আমাকো সোণ দিব লাগিব।" মই যদি কওঁ "সোণ নাই" তেতিয়া মাটি এলদা আনি "ইয়াকে সোণ কৰি দিয়া" বুলি কয়। ব্যৰ্থ হৈ উলটি যাওঁতে মাৰিম, কিলাম বুলি অনেক দাবি ধমকি দি যায়; শুনি আমাৰ ভয় লাগে। কিছুমানে চিঞৰি কৈ যায় স্ত্ৰী নহয়, পুৰুষ। আঠ দহ দিনৰ পাচত মানুহৰ যাতায়াত কমি আহিল; ভাবিলোঁ ধুমুহা আহিছিল, গ'ল।

আঘোণ মাহ পালেহি ; ধানে পথাৰত পক ধৰিছে, আমি সাজি-কাছি ধান কাটিবলৈ ওলালোহঁক ; অৰ্থাৎ আই-মাত বাজে আমি তিনিজনী। গোটেইখন পথাৰত জাকে জাকে যেন বগলীহে পৰিছে ; বগা কানি-কাপোৰ পিন্ধা দাৱনী ছোৱালীবোৰে পথাৰ ভৰি পৰিলে। চাওঁতে চাওঁতে মোৰ কবি-মনে একাকি কবিতা ৰচি পেলালে—

বাছক বনীয়া ৰিহা
কঁকালত কৰি দিহা
মাজে মাজে ঈষৎ হাউলি.
ৰ'দত ৰাঙলী মুখ
পাহৰি সকলো দুখ,
কাটে ধান সোণোৱালি শালি।

বুৰঞ্জী-বিদ্ৰোহী মন যে কবি হয় সেইটো মই আগতে কৈ আহিছোঁ। এতিয়া তাৰ প্ৰমাণ হাতে হাতে পালোঁ। এই কবিতাটো আৰু দীঘল কৰিব খুজিছিলোঁ। কিন্তু বৰদা বাইদেৱে মন্তব্য কৰিলে, "ধান দাবলৈ আহিছা, নে ছোৱালী চাবলৈ ?" তেতিয়া মই লজ্জিত হৈ তলমূৰ কৰি ধান দাবলৈ লাগি গলোঁ। কেতিয়াবা দূৰৰ বতাহত উটি আহে, কোনোবা লাহতী দাউনীৰ কণ্ঠৰ পৰা সুৰৰ হিল্লোল, কবি বৰদলৈয়ে কাণ পাতি পান কৰে। শুনি থাকোঁতে মনলৈ আকৌ কবিতা আহিল—

মুঠি লখিমী ধৰি বাম্ধোতে পকাই জৰী
টানে কিবা মধুৰ ৰাগিনী ;
গানৰ অমিয়া চাক নেমানি লাজৰ হাক
শুনি থাকোঁ মই নিলাজিনী।

যেতিয়া কাটি আৰু ডাঙৰি বান্ধি শেষ হ'ল, তেতিয়া পথাৰতে সেই ডাঙৰিবোৰ আমি পাঁচ ঘৰৰ ভিতৰত মানুহৰ সংখ্যা অনুযায়ী ভাগ কৰা

হ'ল। আমাৰ ভাগত পৰিল তিনিশ পঞ্চাশটা। তাকে ঘৰলৈ কঢ়িয়াই আনি ভঁৰালত জাপি থলোঁ।

এই দেশৰ চলন্ত ৰীতি মতে পথাৰৰ শালি ধান কাটি হলেই পুহ মাহ আৰম্ভ হয়। পুহ মাহৰ ত্ৰিশ দিন গলে মাঘৰ বিহু পাতে। এই বিহু সমস্ত ৰাজ্যত একে দিনাই পতা নিয়ম চলি আহিছে। এই দিনটো ঠিক কৰিবৰ কাৰণে সমস্ত ৰাজ্যৰ মানুহ বা প্ৰতিনিধি একেখন গাৱঁত গোট খায়। এই বেলি তৃতীয় গাৱঁত সেই মেল বহিল। মোক ঘৰ ৰখীয়া পাতি থৈ আই-মা, বৰদা আৰু নয়ন সেই মেললৈ গ'ল।

চুৰট এটা হুপি হুপি বিছনাত দীঘল দি ঘৰৰ চালৰ কৰ্‌মা লেখি থাকোঁতে নানা ভাব মনত উদয় হ'ল। কিয় মই এইখন দেশত আছোঁ? কিয় গুচি যাবলৈ চেষ্টা কৰা নাই? কিয় মই আত্মগোপন কৰি স্ত্ৰী বেশত পেট পুহি আছোঁ? ইয়াতকৈ আৰু লাজৰ কথা কি আছে? মোৰ গোটেই জীৱন এইদৰেই পঠিয়ামনে? মোৰ জীৱনৰ লক্ষ্য কি? অবাৰিত বনিতা তোষণ? ধিক্ তেনে জীৱন! তাহানি স্কুলত পঢ়িছিলোঁ।—

অহোমনুষ্যকং জন্ম সৰ্বৰত্ন সুদুৰ্লভং
তৃণবৎ ক্ৰিয়তে কৈশ্চিৎ যোষিৎ মূঢ়ৈ নৰাধমৈঃ।

মইনেকি সেই নিৰ্লজ্জ নৰাধম? ধিক্ মোৰ জীৱন।

আকৌ ভাবিলোঁ, মোৰ এনে দশা হ'ল কিয়? মই স্ব-ইচ্ছাৰে এই দেশলৈ আহিছিলোঁনে, যিখন দেশৰ নাম গোন্ধ কোনো কালেই পোৱা নাছিলোঁ? এই ঘৃণনীয় পৰিবেশত মই নিজ খুছি মতে সোমালোঁহিনে? যদি নহয় তেন্তে কিয় মই নিজকে গৰিহনা দিছোঁ? মই তিৰস্কাৰ নে পুতৌ পাবৰ যোগ্য? একোকে ঠিক কৰিব নোৱাৰি এটা অনৱস্থ অৱসাদগ্ৰস্ত মন লৈ বিছনাত পৰি আছিলোঁ।

বহুত বেলিৰ মূৰত বৰদা বাইদেউ আহি কলে, বিহুৰ দিন ঠিক হ'ল, আৰু চৌদ্ধ দিন আছে। ঘৰে ঘৰে ঢেঁকীবোৰে গা-চালি দি উঠিলে; সিহঁতে থোৰাৰ মুখে পিঠা-চিৰা খাই উন্মত্ত হৈ পৰিলে।

বিহুলৈ মাত্ৰ আৰু সাদিন আছে; হঠাতে মই কোনোকালে

নেদেখা, কিন্তু দেখিবলৈ বৰ শুৱনী চাৰিজনী গাভৰু ছোৱালী বুকু ফিন্দাই আমাৰ ঘৰত সোমালেহি। সিহঁতে আহি নৌ দেখোঁতেই মই কেনিবা লুকালোঁ আৰু বেৰৰ সিফালৰ পৰা জুমি চাই থাকিলোঁ। বৰদাই কলে, "শকুন্তলা, আজি কি কাৰণে আমালৈ মনত পৰিল? বহুত দিনৰ মূৰত তোমাক দেখি বৰ ভাল পালো ; বহাঁ।" এই বুলি বাইদেৱে চাৰি পীৰা পাৰি দিলে ; সিহঁত বহিল। এজনীয়ে কলে, "হয় বৰদা, তোমাকে চাবলৈ বুলি আহিলো ; বহুতদিন দেখা নাই ; তুমিতো কেতিয়াও এইখন গাঁৱৰ বাহিৰ নোহোৱা কোনোবাই ধৰি নিয়ে বুলি।" তাৰ উত্তৰত বৰদাই কলে, "তেনে ভাগ্য জানো কোনোবা কালে ঘটিব?" এই কথাত আটাই কেইজনীয়ে হাঁহিবলৈ ধৰিলে। সিজনীয়ে কলে, "আই কেনে আছে? নয়নতৰাক মাতাচোন, চাওঁ।" ইতিমধ্যে তেওঁলোক দুয়ো আহি হাজিৰ। আটাইয়ে বহি খুব কথা পাতিবলৈ লাগি গ'ল। কথকী মানুহজনীয়ে কলে, "হেৰা, বৰ পিয়াহ লাগিছে, পানী দিবানে?" "কিয় নিদিম" বুলি বৰদা উঠি গ'ল। বাকীবোৰ কথাত মজি গ'ল। কিছু পৰৰ পাচত নয়নো উঠি গৈ বৰদাৰ সৈতে চাৰিটা গিলাচত মৌ আৰু নেমুটেঙাৰে সৈতে কৰা পানীয় আনি আলহীৰ আগে আগে থলে। এটা গিলাচ তুলি লৈ ঘূৰাই পকাই চাই শকুন্তলাই কলে, "এনেকুৱা ধুনীয়া গিলাচ কিনোতে তোমালোকে চাগৈ বেপাৰীক বহুত বস্তু দিব লগাত পৰিছিল।" বৰদাহঁতে উত্তৰ নৌ দিওঁতেই লগত অহা এজনীয়ে মাত লগালে, "এওঁলোকে একো বস্তু নিদিয়ে ; সোণ দিহে বেপাৰীৰ বস্তু কিনে" কথকীয়ে কলে, "হয় শুনিছো, তোমালোকৰ গাৱঁত হেনো চৰগৰ পৰা সোণ বৰষিছিলে, ঘৰে ঘৰে পালে হয়নে?"

তেতিয়া আইয়ে মাতিলে, "সোণ বৰষা নাই ; গাঁৱৰ ছোৱালী জনীচেৰেকে হাবিত তাইপাত তুলিবলৈ গৈ সোণ পালে।" গাৱঁৰ ছোৱালীবোৰে তাকে ভগাই ললে। তাৰ পাচত দীঘল বেণী বন্ধা শকুন্তলা বোলা ছোৱালীজনীয়ে কলে, "বৰদা, আজি বহুত দিনৰ মূৰত তোমালোকৰ লগত দেখা শুনা কৰি বৰ ভাল পালোঁ। এতিয়া আমাৰ

কৰিবলগীয়া কামটো কৰোঁ। লগত অহা এজনীৰ নাম পাৰ্বতী; তাই কলে, "নহলে বেলি হ'ব।" এই বুলি কৈ তাইৰ ককাঁলৰ খোচনিৰ পৰা চিঠি এখন উলিয়াই শকুন্তলাৰ হাতত দিলে। শকুন্তলাই নয়নক পঢ়িবলৈ দিলে।

বৰ্মিজ আখৰত লিখা চিঠিখন মেলি চাই নয়নে পঢ়িবলৈ ধৰিলে,

"শ্ৰীমতী কেতেকী, (মই তেতিয়াহে বুজিলোঁ, আমাৰ আইৰ নাম 'কেতেকী'। মোৰ নিজ মাতৃৰ নামো 'কেতেকী' আছিল) আমি জানিবলৈ পাইছোঁ আপোনাৰ ঘৰত এজনী দেশান্তৰী ছোৱালী আছে। প্ৰকৃততে সেই ব্যক্তি স্ত্ৰী নহয়, পুৰুষ বুলি বহুতৰ মনত ধাৰণা হোৱাত ৰাজ্যত ক্ৰোধানল জ্বলি উঠিছে। এতেকে এই পত্ৰ দ্বাৰাই আপোনাক জনোৱা হৈছে মাঘৰ বিহুৰ পাচৰটো সোমবাৰে উপৰোক্ত বিষয় আলোচনা কৰিবলৈ মেল বহিব; তাত আপুনি উপস্থিত থাকিব লাগে আৰু লগতে দেশান্তৰী আলহী জনীক বা জনক লৈ আহিব। ইয়াৰ যেন অন্যথা নহয়। ইতি—

সমূহ ৰাজ্যৰ হৈ,
শ্ৰীমতী ধ্যানেশ্বৰী
অধ্যক্ষা,
কলিতা ৰাজ্য

কথা খিনি শুনি আমাৰ মূৰত চৰগ ভাগি পৰাৰ দৰে লাগিলে। মোৰ হৃৎকম্প হ'ল; বৰদাই কথমপিহে ঢাল খাই নপৰাকৈ ৰ'ল। আই-মাৰ মূৰ আচন্দ্ৰাই কৰিলে। কেৱল নয়নতৰাহে নটলিলে।

কঠিন হৃদয় শকুন্তলাই কলে, "পিচে তোমালোকৰ ঘৰত আহি থকা সেই বিদেশিনী সুন্দৰীকহে দেখিবলৈ নেপালোঁ; মাতাচোন, চাওঁ।" এই ব্যঙ্গোক্তি শুনি মই ওলাই আহিব লাগি সিহঁতলৈ চালোঁ। সিহঁতেও মোৰ ফালে ৰ-লাগি চালে; অলপ পাচতে লাজতে তলমূৰ কৰিলে; যেন দেখিয়েই চিনি পালে স্ত্ৰী বেশত মই পুৰুষ। লগত অহা পাৰ্বতী বোলা ছোৱালী জনীয়ে সুধিলে, "এওঁৰ নাম কি?"

নয়নে কলে, "এওঁৰ নাম গৌৰী আৰু তোমাৰ নাম পাৰ্ব্বতী।"

আটাইবোৰে হাঁহিবলৈ ধৰিলে ; আমি দুয়ো দৃষ্টি বিনিময় কৰিলোঁ কোন কাতকৈ ধুনীয়া, এনে ভাৱেৰে। হাঁহি মাতি সিহঁত যেতিয়া উঠি গ'ল, তেতিয়া আমাৰ আগন্তুক বিপদৰ ভাবনাই আমাক আগুৰি ধৰিলে। আই-মাই কলে, "মই নকৈছিলো, সোণেই সৰ্বনাশৰ মূল।"

মাঘৰ বিহু পালেহি। ইয়াত প্ৰত্যেকটো গোটে অৰ্থাৎ পাঁচঘৰে একেলগে বিহু পাতে। আমি পাঁচঘৰে পূৰ্ণ উদ্যমেৰে খৰি-খেৰ গোটাই এটা ওখ মেজি তুলিলোঁ, ওচৰতে এটা ভেলা ঘৰো সাজিলোঁ। প্ৰত্যেক ঘৰৰে বুঢ়ীবোৰ ঘৰ-ৰখীয়া হ'ল আৰু তেওঁলোক প্ৰত্যেককে একোটা কুহী মাছ ৰান্ধি খাবলৈ দি আমি গাভৰুবোৰ ভেলা-ঘৰত গোট খাই ওভত-গোৰে নাচিবলৈ ধৰিলোঁ। ডাঙৰ হাঁহ এটা মাৰি ভোজ খাই গোটেই ৰাতিটো ভগা ঢোল এটা পিটি থিকিন্দালি কৰি নিশা খপিলোঁ।

বিহুৰ পাচত মেললৈ যাব লগা সোমবাৰটো আহি পালত নয়নে কলে, "আজি মেললৈ যাব লাগিব।"

মই কলোঁ, "যাম" আৰু বৰদা বাইদেৱে কলে "তথাস্তু"। খাই বৈ উঠি আমি যেতিয়া আই-মাক কাপোৰ পিন্ধি ওলাবলৈ কলোঁ, তেওঁ কলে, "নেযাওঁ"।

আমি আচৰিত হলোঁ। আমি তিনিও আই-মাক অনেক বুজালোঁ, নগলে বেয়া হ'ব, আগলৈ বিপদ আছে। কিন্তু আই-মা অচল-অটল। তেওঁ কয় "তালৈ কিয় যাম? আমি কি দোষটো কৰিলো? আমাক নোসোধাকৈ সিহঁতে কিয় মেল চপাব? এজনী নিৰাশ্ৰয়া ছোৱালীক হাবিৰ পৰা বুটলি আমি আশ্ৰয় দিয়াটো কোন শাস্ত্ৰ মতে অশুদ্ধ হ'ল?" —ইত্যাদি বহুত কথা খঙেৰে কলে; আৰু কলে, "সিহঁতে আমাক অকাৰণে কদৰ্থনা কৰিব, গালি পাৰি অপমান কৰিব পাৰে। সিহঁতৰ আমাৰ ওপৰত খং উঠি আছে; কাৰণ আমি হাবিত কিছুমান সোণ পালো; সিহঁতে নেপালে।" নতুন গাওঁ চোৱাৰ আশা আৰু উদ্যম হিয়াতে মাৰ গ'ল। ভাল কানি-কাপোৰবোৰ সোলোকাই থৈ আকৌ পুৰণিবোৰ পিন্ধিলোঁ।

আইয়ে ভাবিলে, আমি মেললৈ নগলোঁ যেতিয়া আমাক কি কৰিব?

কিন্তু চাপৰিলে মেঘ নেৰায়। এদিন দুপৰীয়া দেখিলোঁ, এজাক মানুহ আমাৰ ঘৰৰ ফালে আহিছে; প্ৰায় কুৰিজনীমান মাইকী মানুহৰ এই দলটোৰ নেত্ৰী স্বৰূপে আহিছে নিৰতিশয় মুখশ্ৰীৰে এক প্ৰৌঢ়া বৰাৰোহা। দেখিয়েই আমি চাৰিজনী সন্ত্ৰাসগ্ৰস্ত হৈ দুৱাৰত ডাং দি ভিতৰ সোমাই থাকিলোঁ; বৰদাই দা-কুঠাৰ বিচাৰিলে।

বীৰাঙ্গনাৰ দলটো যেতিয়া আমাৰ নঙলা মুখত আহি থমকিলে তেতিয়া সিহঁতৰ মাজৰ পৰা এজনীয়ে মাত লগালে, "ঘৰত কোনো নাই নেকি? মানুহ আহিলে দুৱাৰত ডাং লগাই ভিতৰত সোমাই থকা ক'ত দেখিছা? ওলাই মাত দিয়া।" কথাখিনি শুনি মোৰ বৰ লাজ লাগিল; আই-মাক কলোঁ ওলাই যাবলৈ। আই-মাই দুৱাৰ মেলি ওলাই চালতে সিফালৰ পৰা আহ্বান আহিল, "আহক, আহক আমি লগ পাওঁ।" আই-মা আগবাঢ়ি গৈ নেত্ৰী গৰাকীক সম্বোধন কৰি কলে, "অ' আপুনি; আহক আহক।" এই বুলি কৈ নঙলা মেলি দিলে; মানুহবোৰ চোতাললৈ সোমাই আহিলে।

নেত্ৰী গৰাকী কলিতা ৰাজ্যৰ অধ্যক্ষা; তেওঁ কলে, "কেতেকী, সেই দিনা মেললৈ নগলা কিয়? নোযোৱাত সকলো ক্ষুব্ধ হৈছিল। মই বঢ়াই বুজাই কলো, কিজানি বা ঘৰত কাৰবাৰ অসুখ হৈছে। এই বুলি বুজাই-বঢ়াইহে সকলোকে শান্ত কৰিলোঁ। এতিয়া আমি বাধ্য হৈ তোমাৰ ওচৰলৈ আহিলোঁ। ৰাজ্যৰ কাম পেলাই থব নোৱাৰি। আমি বহিবলৈ নিবিচাৰোঁ; মাত্ৰ দুই চাৰিটা কথা সুধি গুচি যাম।"

ইতিমধ্যে বৰদাই চোতালতে এখন চকী পাৰি দিলেহি; অধ্যক্ষা তাতে বহিল; বাকীবোৰে চোতালতে থিয়া থিয়ি কৰি থাকিল।

অধ্যক্ষাই ক'লে, "তোমাৰ ঘৰত থকা বিদেশী ছোৱালীজনীক মাতাচোন চাওঁ।" আই-মাই মোক আগলৈ ঠেলি দি কলে, "এইজনী।"

মোক ভৰিৰ পৰা মূৰলৈকে চাই অধ্যক্ষাই সুধিলে, "তুমি কোন দেশৰ পৰা আহিছা?"

"অসম দেশৰ পৰা", মই ক'লোঁ।

"তেনে দেশৰ নাম আমি শুনাও নাই। তথাপি সেই দেশৰ মানুহৰ মাত কথা আমাৰ দৰেই ; অতি আচৰিত নহয়নে ?" এই বুলি কৈ অধ্যক্ষাই আটাইৰে মুখলৈ চালে, সমৰ্থন বিচাৰি। সকলোৱে মূৰ জোকাৰি অধ্যক্ষাক সমৰ্থন কৰিলে। "তুমি কিয় এই দেশলৈ আহিছিলা ?"

"মই আহোঁ বুলি অহা নাই। ইয়াত হাবিৰ মাজত যে সভ্য মানুহৰ ৰাজ্য এখন আছে বহিৰ্জগতে নেজানে। আকাশীযানত উঠি গৈছিলোঁ চীন দেশলৈ। দুৰ্ভাগ্যক্ৰমে পৰ্ব্বতত খুন্দা খাই আমাৰ যান খন ধ্বংস হ'ল। মই অলপ আগতে জাপ মাৰি দিলোঁ।"

"বতাহীযানত উঠি ঘূৰি ফুৰা, আৰু জাপ মাৰি মাটিলৈ নমা, এইবোৰ ছোৱালী মানুহৰ কাম হব নোৱাৰে। ঠিক কথা কোৱাঁ, তুমি স্ত্ৰী নে পুৰুষ ? মিছা কথা কলে উলঙ্গ কৰিম।"

"মিছা কথা কোৱাৰ অভ্যাস মোৰ নাই। মই পুৰুষ।"

"কিয় তেন্তে লোকক ভুৱা দিবলৈ স্ত্ৰীসাজ পিন্ধিছা ?"

"পুৰুষৰ সাজ পাম ক'ত ? মোৰ আগৰ যি কাপোৰ-কানি আছিল ফাটি-ছিটি অন্ত হ'ল।"

"তোমাক মেখেলা আৰু চেলেং কাপোৰ কোনে দিলে ?"

"আই-মাৰ পৰা খুজি লৈছোঁ।"

"লোকক ভুৱা দিবলৈ তুমি নিতৌ দাঢ়ি-শ্মশ্ৰু খুৰোৱা নহয়নে ?"

"আমাৰ দেশত পুৰুষ মানুহে নিতৌ দাঢ়ি খুৰায়।"

"চুলি কিয় দীঘলকৈ ৰাখিছা ?"

"নাপিত পাম ক'ত ?" মোৰ কথা শুনি আটায়ে হাঁহি দিলে। অধ্যক্ষাই গহীন হৈ কলে, "তুমি নিজ দেশলৈ শীঘ্ৰে যাব লাগে।"

"যাবলৈ মই ভৰি দাঙি আছোঁ ; কিন্তু কেনেকৈ যাওঁ, কেনি যাওঁ তাৰ একো উৱাদিহ পোৱা নাই ; বিমোৰত পৰিছোঁ।"

"তেনেহলে কি সদায় ইয়াতেই থাকিবা ? এই ৰাজ্যত পুৰুষক থাকিবলৈ দিয়া নহয়। তুমি যেনে তেনে যাব লাগিব ; বিকল্পে আত্ম বিলোপ কৰিব লাগিব।"

মই কি উত্তৰ দিম ভাবি নাপালোঁ। অধ্যক্ষাই পুনৰ সুধিলে, "তোমাৰ নাম ?"

মই কলোঁ, "গৌৰী"।

"আ, ধৰা পৰিলা। লৰাৰ নাম 'গৌৰী' নাথাকে; লোকক প্ৰবঞ্চনা কৰিবলৈ তুমি এটা স্ত্ৰী নাম লৈ আমাৰ মাজত ঘূৰি ফুৰিছা; তুমি দণ্ডাৰ্হ।"

মই কলোঁ, "মোৰ আচল নাম গৌৰীচৰণ; আটায়ে গৌৰী বুলি মাতে।"

এখন্তেক চিন্তা কৰি অধ্যক্ষাই লাহে লাহে কবলৈ আৰম্ভ কৰিলে, "তোমাক এই ৰাজ্যত থাকিবলৈ দিব পাৰোঁ।" প্ৰস্তাবটো ব্যক্ত কৰাৰ আগতে অধ্যক্ষাই লগত অহা বাওনা নিতম্বিনী এজনীৰ পৰা উপহস্তি-কাটো লৈ তাৰ পৰা কটা তমোল, পান, চূণ, আৰু কৰ্পূৰ আদি উলিয়াই মুখত এমোকোৰাকৈ ভৰালে; তাৰ পাচত ইফালে সিফালে চাই মোক কলে, "তুমি ইয়াত থাকিব পাৰা স্ত্ৰীৰূপে; স্ত্ৰীৰ বেশ ধৰি নহয়।" মই যেতিয়া ক'লো, তেওঁৰ কথাৰ অৰ্থ মই একো বুজি পোৱা নাই, তেতিয়া তেওঁ কলে, "বুজা নাই? বাৰু ৰবা; পূৰবী কেনি আছা, আহাচোন।" মানুহবোৰৰ মাজৰ পৰা পাত কটা দাঁড়ৰ দৰে দীঘল প্ৰনাসা শাওঁবৰণীয়া মানুহ এজনী হাতত জোলোঙা এটা লৈ আমাৰ আগত থিয় হলহি; দেখিয়েই মোৰ ভয় লাগি গ'ল।

অধ্যক্ষাই কলে, "মেলাচোন তোমাৰ জোলোঙাটো।" সেই দীঘলীবাইয়ে হাতৰ জোলোঙাটো মেলি তাৰ পৰা উলিয়ালে এটা টেমা, দুটা বেলোলৰ চিচা, আৰু দুটা কেটেলা পহুৰ কাঁইট। তেতিয়া অধ্যক্ষাই মোক কলে, "শুনা ডেকা লৰা, তুমি যদি এই ৰাজ্যত থাকিব খোজা, তেতিয়া হলে তুমি পুৰুষ গুচি স্ত্ৰী হব লাগিব; সেই পৰিবৰ্ত্তনত তোমাক আমি সহায় কৰিম। এওঁ আমাৰ ৰাজ্যৰ খ্যাতনামা বেজিনী। এওঁ পুৰুষক স্ত্ৰী আৰু স্ত্ৰীক পুৰুষ কৰিব পাৰে। এওঁৰ লগত থকা ঔষধৰ নাম 'অঙ্গনাভ্ৰ'। তোমাৰ শৰীৰৰ ৰক্তবাহী এক কণ্ডৰাত কেটেলা পহুৰ কাঁইটেৰে অলপ আঁচুৰি তেজ উলিয়াই তাৰ লগত এই ঔষধ মিহলাই

দিব। তুমি অলপো দুখ নেপাবা ; কিন্তু ফল হব আচৰিত। ছমাহৰ ভিতৰতে তোমাৰ শৰীৰত থকা পুৰুষৰ সকলো লক্ষণ লুপ্ত হব ; আৰু নাৰী সুলভ লক্ষণবোৰে দেখা দিব ; তুমি এজনী দীপ্ লিপ্ ধুনীয়া গাভৰু ছোৱালী হৈ পৰিবা। এতিয়া তোমাৰ বুকুৰ কাচলিৰ তলত কপাহ ভৰাইছা : তেনে কৌশলৰ আৱশ্যক নহব। স্বভাৱতে কুড্মলিত বক্ষোৰুহে তোমাৰ বুকুৰ বসন তুলি ধৰিব। তুমি আমাৰ মাজত এজনী জাকত-জিলিকা হৈ সুখেৰে কাল কটাবা।"

খং আৰু অপমানত জ্বলি মই কলোঁ, "এনে কথা কেতিয়াও হবলৈ নিদিওঁ ; বৰং মৰি যাম।"

মোৰ কথা শুনি অধ্যক্ষাৰ ক্ৰোধো চৰিল ; কলে, "দেখিছানে তাৰ অহংকাৰটো ! এই অহঙ্কাৰৰ কাৰণেই পুৰুষ ৰাজ্যবোৰত সদায় যুদ্ধ বিগ্ৰহ চলি আছে। সমস্ত পৃথিবীত আমাৰ ৰাজ্য থকা হলে মানুহে সুখ আৰু শান্তিত কাল নিয়াব পাৰিলেহেঁতেন। যেহেতু তুমি আমাৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলা, তুমি অতি শীঘ্ৰে এই দেশ এৰি পেলোৱা। তোমাক দহ দিন সময় দিলোঁ।"

অধ্যক্ষাৰ কথাত সকলো কাঁহ পৰি জীণ গ'ল। সেই নিস্তব্ধতা ভাঙি অধ্যক্ষাই পুনৰ কলে, "চোৱা ডেকা লৰা, তুমি আৰু এটা ডাঙৰ অপৰাধ লগাই থৈছা—তাৰ শাস্তি মৃত্যু। তুমি আমাৰ দেশত সোণ আনি সুমাইছা। সেই দূষিত বস্তুৰ এই দেশত অনুপ্ৰবেশ কৰাই আমাৰ মানুহৰ অন্তৰত কাঞ্চন-স্পৃহা জগাই তুলিব খুজিছা। সেই স্পৃহা পৃথিবীত সকলো সৰ্বনাশৰ মূল। আমাৰ দেশৰ নীতি অনুসৰি এই অপৰাধত অপৰাধী হোৱা জনক মৃত্যুদণ্ড বিহিব লাগে। তোমাৰ যদি কিবা কবলগীয়া আছে. সৰল চিতেৰে কবা ; কোনো নুলুকুৱাবা। কাৰ উচটনিত তুমি এই কাম কৰিছিলা মই জানিব খোজোঁ।"

এই কথাখিনি কওঁতে অধ্যক্ষাৰ মুখমণ্ডল ক্ৰোধত জুই যেন ৰঙাহৈ পৰিছিল ; দেখি আটাইৰে অন্তৰত ভয়ৰ সঞ্চাৰ হৈছিল 'আজি কি কৰে ঠিক নাই' এই ভাবত। বুকু ডাঠ কৰি উত্তৰত মই কলোঁ, "মই এই দেশলৈ সোণ অনা নাই। আগতে যি সকলে মোক হাবিত মূচকচ যোৱা

পাই বুটলি আনিছিল তেওঁলোকেই কব মই লগত সোণ অনা নাছিলোঁ।”

“তেনেহলে এই গাৰ্ত সোণ ক'ৰ পৰা ওলাল ? আকাশৰ পৰা মেঘে বৰষিলে বুলি কব খোজানে ?” অধ্যক্ষাই কলে।

ইয়াৰ উত্তৰত নয়নতৰাই আগবাঢ়ি আহি গোটেই ঘটনাটো বিবৰি কলে—কেনেকৈ ছোৱালীবোৰে 'তাইপাত' আনিবলৈ গৈ মাটিত সোণ পৰি থকা পালে। টুনটুনীয়েও নিৰ্ভিকভাৱে নয়নতৰাৰ কথাখিনি সমৰ্থন কৰিলে। তেতিয়াহে অধ্যক্ষাৰ উগ্ৰমূৰ্ত্তিয়ে সাম কাটিলে। অলপ বেলি তলকা মাৰি থকাৰ পাচত তেওঁ সুধিলে, “এতিয়া সেই সোণ গ'ল কলৈ ? কাৰ হাতত আছে ?”

তেওঁৰ লগতে অহা এজনী মানুহে জনালে যে সেই সোণ ত্ৰিশ ঘৰ মানুহে ভাগ পাতি লৈ বৰ্মী নাৱৰীয়া বেপাৰীৰ পৰা বেহাৰ বস্তু কিনিলে ; সোণ গৈ পালেগৈ মান্দেল চহৰ। কথা শুনি অধ্যক্ষাই মুখ সেমেনা-সেমেনি কৰি বহাৰ পৰা উঠিল। আই-মাই আগবাঢ়ি গৈ ক'লে, “দহদিন অতি অলপ কাল ; দীঘলীয়া পথ অতিক্ৰম কৰিবলৈ সাজু হবলৈ কেইবা দিনো লাগিব। দিন দীঘলাই দিবলৈ অনুৰোধ কৰোঁ।”

তেতিয়া অধ্যক্ষাই ক্ষমতাৰ সুৰত কলে, “বাৰু কুৰি দিন সময় দিছোঁ। কুৰি দিনৰ পাচত তোমাক ইয়াত দেখা পালে কথা বিষম হব। শুনা সকলো ৰাইজে, এই আত্মগোপনকাৰী লৰাটোক এতিয়া মই একো শাস্তি নিদিওঁ। কাৰণ সি আতুৰত পৰিহে বতাহীযানৰ পৰা আমাৰ ৰাজ্যত নামিছিলে। তাক এতিয়া এই ৰাজ্যৰ পৰা নিৰসন কৰিছোঁ ; কুৰি দিনৰ ভিতৰত সি এই ৰাজ্য এৰি যাব লাগিব ; তাৰ পাচত এই ৰাজ্যত দেখা পালে, তাক অন্য শাস্তি নিদিওঁ, কেৱল বলপূৰ্ব্বক তাৰ যৌন পৰিবৰ্ত্তন ঘটাম।”

আটাইৰে আগত মোক এইদৰে লাজ দি অধ্যক্ষা সপৰিজনে আমাৰ চোতালৰ পৰা ওলাই অহা বাটেদি গুচি গ'ল। আমাৰ ঘৰখন যেন কঁাহ পৰি জীণ গল ; মই তলমূৰ কৰি ঘৰৰ ভিতৰলৈ সোমালোঁ। মনটো ভাগি পৰিছিলে যদিও মৰতী অভিচাৰিণী কিজনীৰ হাত সাৰি-লত মুখলৈ পানী আহিছিল ; বিছনাত উবুৰি খাই পৰি শুই থাকিলোঁ।

গধূলি হোৱাৰ আগে আগে বৰদা বাইদেৱে মোক টোপনিৰ পৰা জগাই ওচৰতে মেজত সজাই থোৱা চাহ-জলপান খুৱালে। খাই-বৈ মনটো ওফোন্দাই অলপ পৰ বহি আছিলোঁ; কিন্তু ভাবিলোঁ এইদৰে থকাটো বাকীবোৰৰ নিমিত্তে পীড়াদায়ক হৈছে। বিছনাৰ পৰা জাপ মাৰি নামিলোঁ আৰু চোতাললৈ ওলাই গৈ ফূৰ্ত্তিৰে কলোঁ, "অলপতে মই মোৰ নিজ দেশ দেখিম গৈ — অতি আনন্দৰ কথা।" মোৰ মাত শুনি আই-মাই ভিতৰৰ পৰা ওলাই আহি কলে, "তই যদি ইয়াৰ পৰা গৈ তোৰ নিজৰ দেশ নিৰাপদে পাৱগৈ তাতকৈ আৰু আনন্দৰ কথা মোৰ পক্ষে একো নাই, কিন্তু কেনেকৈ পাবিগৈ এই চিন্তাইহে মোক খাই মাৰিছে।"

মই কলোঁ, "আই-মা তুমি চিন্তা নকৰিবা। তুমি দেখোন সদায় কোৱা, এক মহান সৰ্ব্বদ্ৰষ্টা প্ৰাণ শক্তিয়ে বায়ুমণ্ডলৰ দৰে আমাক আবৰি আছে। কেতিয়াবা আকৌ কোৱা 'কুকুৰা জনীয়ে যেনেকৈ পোৱালি-বোৰক বিপদৰ পৰা সদায় ৰক্ষা কৰি থাকে, তেনেকৈ সেই মাতৃতুল্য শক্তিয়ে আমাকো ৰখি থাকে।' তেৱেঁই বাটৰ সকলো বিপদৰ পৰা মোক উদ্ধাৰ কৰি নিব ; তুমি চিন্তা নকৰিবা।" এই বুলি কলত আই-মাই মোক ধৰি মূৰত চুমা এটা খালে আৰু আকাশলৈ চাই কিবা ভোৰ্ ভোৰাই ভিতৰ সোমালে।

পাচ দিনা ৰাতিপুৱা যেতিয়া আমি চাহৰ খোলাত বহিলোঁ তেতিয়া আমাৰ মনত কোনো দুখ নাছিল, কেৱল নয়নেহে ৰবৰকৈ মাত বোল নকৰা হ'ল। বৰদাই কলে, "যি কুৰিদিন দিছে তাৰ প্ৰত্যেক মুহূৰ্ত্তকে আমি কামত লগাব লাগিব, তেহে তোমাক পঠিয়াব পাৰিম ; কিন্তু প্ৰথম প্ৰশ্ন হৈছে, যাবা কেনি ? বামে নে পানীয়ে ?" আই-মাই কলে, "তৰেদি যাবলৈ বাটপথ নাই। তহঁতে সোনকালে শকত ভুৰ এখন সাজহঁক। টুনটুনীহঁতক মাতি পঠিয়া।"

কিন্তু মাতিব লগীয়া নহল। আবেলি বেলিকা দূৰৰ আৰু ওচৰৰ ছোৱালীৰে ঘৰ ভৰি পৰিলে। ৰাজ্যৰ অধ্যক্ষাই কালি আহি মোৰ মূৰত ৰায়দান বা ৰাইডাঙেৰে যিটো মাৰ শোধালে, তাৰ ধ্বনি গোটেই স্ত্ৰী ৰাজ্যত ৰজন জনাই গ'ল। কালি নিজ বাস ভৱনলৈ উলটি যাওঁতে শ্ৰীমতীৰ অনুচাৰিকাহঁতে তেওঁলোকৰ বিজয়-বাৰ্ত্তা ঘৰে ঘৰে ঘোষণা কৰি গ'ল।

ছোৱালীবোৰে মোক বেঢ়ি ধৰিলে আৰু ওপৰা-উপৰিকৈ কথা কৈ যাবলৈ ধৰিলে। অধ্যক্ষাৰ ওপৰত সিহঁতৰ বৰ খং। জনীচেৰেক প্ৰগলভাই সজোৰে কলে, "তুমি কেতিয়াও নেযাবা; অধ্যক্ষাই কি কৰিব? আমিওতো আছো; একো ভয় নাই।" মোৰ প্ৰতি সিহঁতৰ গভীৰ ভালপোৱাৰ আৱেশত পৰি হিতা-হিত জ্ঞানলৈ পিঠি দিলে। সিহঁতৰ কবলগীয়া খিনি কৈ অঁটালত মই গহীনাই কলোঁ, "শুনা মোৰ মৰমীহঁত, এই দেশৰ পৰা গুচি যোৱাটো মোৰ পক্ষে অনিবাৰ্য; ইয়াৰ বিকল্প নাই। মাঘ মাহ সোমোৱাৰ লগে লগে এই ৰাজ্য ত্যাগ কৰি যাম বুলি মই আগৰে পৰা দৃঢ় প্ৰতিজ্ঞ হৈছিলোঁ। এতিয়া সেই প্ৰতিজ্ঞা পূৰণ কৰিবলৈ তোমালোকৰ অধ্যক্ষা শ্ৰীমতী ধ্যানেশ্বৰী দেৱীয়ে মোক উদগনিহে দিলে। সেই দেখি যদিও আগতে মই তেওঁক শাও-শপনি দিছিলোঁ, এতিয়া ধন্যবাদ হে দিছোঁ।

"এদিন হয়তো ইয়াতে তোমালোকৰ সাক্ষাতে ৰোগত পৰি প্ৰাণ হেৰুৱাম; তেতিয়াতো তোমালোকে মোক ঘূৰাই নেপাবা। কিন্তু ইয়াৰ পৰা গুচি গলে, তোমালোকে এই বুলিয়েই নিজৰ মন তাপৰিব পাৰিবা, গৌৰী এঠাইত নহয় এঠাইত জীয়াই আছে, কেতিয়াবাকৈ আকৌ লগ পাব পাৰিবা। এই দুটা বিকল্পৰ কোনটো ভাল? আগৰটো নে পাছৰটো?" সিহঁতে মোৰ কথা শুনি হাঁহিলে আৰু কলে, "গৌৰী, তুমি জ্ঞানী মানুহৰ দৰে কথা কৈছা; কিন্তু জ্ঞানতকৈ মৰম সোৱাদ। সেই বুলি, তোমাৰ ইচ্ছাত আমি হকা-বধা নকৰোঁ। এতিয়া তোমাকনো এই ভয়াবহ আৰু বিৰহতপ্ত অভিযানত কেনেকৈ আমি সহায় কৰিব পাৰো, কোৱাঁ।"

বিৰহে আকুল বৃন্দাবনৰ গোপীসকলৰ দৰে স্তিমিতলোচনা ছোৱালী কিজনীৰ কাতৰতা দেখি মোৰো চকু সেমেকিলে; মোৰ কথা কোৱা বন্ধ হ'ল। প্ৰায় এক মিনিট কাল নিৰ্ব্বাক নিস্পন্দ হৈ আমি আপোন দুখত মজি আছিলোঁ। পাচত টুনটুনীয়ে মাত লগালে, "আমি কাইলৈৰে পৰা হাতে কামে লাগি যাম; এইৰ বাবে শকত চাই এখন ভূঁৰ সাজিব লাগিব। এতিয়া আমি যাওঁগৈ; কাইলে 'তাই পানী' খাই দা-কুঠাৰ লৈ আহিবাহঁক।" তাইৰ কথাত শোকৰ আৱেশ জোকাৰি পেলাই আটাইকিজনীয়ে গা চালি দি উঠি গ'ল।

এই দেশৰ হাবিত এবিধ আও কঠীয়া গছ আছে ; নিচেই পাতল ; কোনো স্থায়ী কামৰ নিমিত্তে উপযুক্ত নহয় ; পানীত ওপঙে। তেনেকুৱা গছ বিচাৰি আমি আঠজনী ছোৱালী হাবিত সোমালোঁ। দুজোপা তেনে গছ বিচাৰি পালোঁ ; পোলোঙা, ডাল-পাত বৰ নাই। গছ দুজোপা কাটি সমানে আঠ হাত দীঘলকৈ চেও দিলোঁ ; তেনে পাঁচ চেও আমি ভূৰ সাজিবলৈ ললোঁ। নৈৰ পাৰলৈ নি পাচ দিনা সেই কাঠৰ টুকুৰা বোৰত বটালীৰে বিন্ধা উলিয়াই গোটা খামুচীয়া বাহঁৰ নঙলা ভৰালোঁ। তেনেকৈ তিনিডাল নঙলা পাচোঁ টুকুৰা কাঠৰ মাজেদি সুমাই ফলীয়া বেতেৰে বান্ধি-ছাটি এখন শকত ভূৰ সাজিবলৈ মাত্র তিনি দিন লাগিল। চতুর্থ দিনা পাতল বাঁহেৰে এখন চঁছালি গুঁঠি তাৰ ওপৰত পাৰি দিয়া হ'ল। আৰু চাৰিদিন পৰিশ্রম কৰি সেই ভূৰখনৰ আধাখিনি ঢাকিব পৰাকৈ টকৌ পাতৰ ছৈ এখন আমাৰ দেশত গৰু গাড়ীৰ ওপৰত দিয়া দৰে বান্ধি দিলোঁ। আঠ দিনত মোৰ যাত্রাৰ নিমিত্তে সজা ভূৰখন বেছ আটম-টোকাৰি হৈ পৰিল দেখি মোৰ মনত ফুর্ত্তি লাগিল।

হাতত আৰু বাৰ দিন আছে। ছোৱালীবোৰে প্রত্যেকেই মোক সিহঁতৰ ঘৰত এনিশা থাকি ভোজ-ভাত খাবলৈ নিমন্ত্রণ কৰিলে। কেৱল চাৰি ঘৰতহে তেনে নিমন্ত্রণ ৰক্ষা কৰি সিবোৰৰ ওচৰত ক্ষমা প্রার্থনা কৰিলোঁ। মোৰ দীঘলীয়া জল যাত্রাৰ পাথেয় প্রস্তুত কৰাত তৎপৰ হৈ ছোৱালীবোৰে চিৰা-পিঠা খুন্দিবলৈ ধৰিলে।

বৰদাক সুধিলোঁ, "বাইদেউ মই কি পিন্ধি যাম ?" তেওঁ একো সন্তোষজনক উত্তৰ দিব নোৱাৰি বিষাদ-মগ্ন হ'ল। তেতিয়া মই তেওঁক আকৌ সুধিলোঁ, "মোক দুটা পিৰাণ আৰু দুটা পায়জামা সি দিব পাৰিবানে ?" তেওঁ মোৰ প্রশ্নবোৰ শুনি বেছিকৈহে বেজাৰ কৰিলে ; কাৰণ তেওঁ এইবোৰ কাম নেজানে। কি কৰিম, কি নকৰিম ভাবি থাকোঁতে দেখিলোঁ আমাৰ নঙলাৰ আগেদি গৰু এহাল খেদি ঘৰলৈ

গৈছে মদাৰ। মই হাত বাউল দি ৰবলৈ কলোঁ। ওচৰলৈ গৈ তাইৰ লগত সেই বিষয়ে পৰামৰ্শ কৰিলত তাই কলে যে আমাৰ গাওঁ খনৰ সিমূৰে এজনী শিপিনী আছে, নাম বকুলী। তাইৰ ঘৰত এটা কাপোৰ সিয়া যঁতৰ আছে—বেপাৰীৰ পৰা বহুত দিনৰ আগতে কিনি লৈছিল, কেইবা হাতো বাগৰা পুৰণি যঁতৰ; তথাপি কাম দিছে। তাইৰ ঘৰলৈকে মোক লৈ যাব বুলি কৈ গুচি গ'ল।

ঘৰত আহি ক'লত বৰদাই কলে, "আছে বুলি শুনিছো; কিন্তু সিহঁতৰ ঘৰলৈ আমি কোনো কালে যোৱা নাই" মই ভাবিলোঁ, এই গাওঁ খনৰ প্ৰত্যেক ঘৰতে একো নিশা আতিথ্য গ্ৰহণ কৰিলোঁ, কিন্তু আই-মাই এদিন এটা মন্তব্য প্ৰকাশ কৰাত এই ঘৰলৈ যাবলৈ নহল। কিন্তু 'কালস্য কুটিলা গতি'; দুৰ্ভাগ্যবশতঃ যিঘৰ মানুহক অৱহেলা কৰি আছিলোঁ, এতিয়া সেই ঘৰতে গৈ হাত পাতিব লগাত পৰিলোঁ। প্ৰতিশোধ লবলৈ বুলি সিহঁতে যদি মোক বিমুখ কৰে, তেতিয়া মোৰ কি গতি হব? নয়নক কথাটো ক'লত তাই কলে, "মানংহিত্বা প্ৰিয়ো ভবেৎ"। অভিমান ত্যাগ কৰিলে মানুহ সকলোৰে প্ৰিয়পাত্ৰ হব পাৰে। এতেকে তুমি যোৱাঁ; তাই তোমাক বিমুখ নকৰে।"

পাচ দিনা মদাৰৰ ঘৰত ওলালোঁগৈ। মদাৰে সুধিলে "কাপোৰ আনিছানে?" তাইৰ প্ৰশ্নটো শুনি চৰগ পৰা মানুহৰ দৰে মই থৰ হৈ ৰলোঁ; ভাবিলোঁ মই কিযে পাগল! কাপোৰ নোহোৱাকৈ দৰ্জীৰ ঘৰলৈ আহিছোঁ। মদাৰে কলে, তাইৰ হাততো কাপোৰ নাই, এখন নতুনকৈ সিয়া তিয়নী মেখলাত বাজে; দুদিন হে ব্যৱহাৰ কৰিছিল; সেইখনেৰে পায়জামাটো হব পাৰিব। মই পেটতে ভাবিলোঁ, 'হা বিধি, মোৰ অৱস্থা এনেকুৱা কৰিবলৈ তোমাৰ বেয়া নেলাগিলনে? মই এতিয়া ঘৰে ঘৰে তিয়নী, ফটা মেখেলা বিচাৰি ফুৰোঁগৈ মোৰ পায়জামা আৰু পিৰাণ সিয়াবলৈ। অ' গৌৰী, তোৰ লঘু লাঞ্ছনাৰ অন্ত কেতিয়াকৈ পৰিব? 'যেনে কুকুৰ তেনে টাঙোন,' 'tit for tat'—পৃথিবীত প্ৰচলিত এনেবোৰ বাক্য মোৰ নিচিনা মানুহৰ গালৈ দলিয়াবলৈকে জ্ঞানীলোকে ৰচনা কৰিছিল। মই পানীতে

জাপ দি নমৰোঁ কিয় ? অ' আই-মা, তুমি যেতিয়া মোক ত্যাগ কৰিলা, মই চীনা লুইতত জাপ দি মৰোঁগৈ।" মদাৰৰ পৰা বিদায় লৈ দুখোজ মান ঘৰলৈ বেগ দিওঁতেই হঠাৎ মনত পৰিল সেই 'পেৰাচুট'টোলৈ। উলটি গৈ মদাৰক সুধিলোঁ, "হেৰা মদাৰ, সেইদিনা হাবিৰ পৰা আহোঁতে কাৰ হাতত 'পেৰাচুট'টো গ'ল ?" তাই কলে, "সাদৰীৰ হাতত।" মই কলোঁ, "তেন্তে ব'লা সাদৰীৰ ঘৰলৈ যাওঁ।" আমি দুয়োগৈ সাদৰীক তাইৰ ঘৰতে লগ পাই সকলো কথা ক'লত তাই ভিতৰৰ পৰা ভালকৈ সামৰি-সুতৰি থোৱা পেৰাচুটটো আনি মোৰ হাতত দিলে। পেৰাচুটটো পাই মই পুনৰ্জীৱন পালোঁ যেন লাগিল। লৰালৰিকৈ মই আৰু মদাৰ বকুলীৰ ঘৰলৈ গ'লোঁ। যাওঁতে বাটত টুনটুনীৰ ঘৰত সোমাই তাইকো লৈ গলোঁ, তেহে কথাটো গহীন হব বুলি ভাবি।

একোঠলীয়া ঘৰ এটাৰ আগ ফালে এডোখৰ মুকলি 'পোৰ্টিকো'। তাতে তামুলী পীৰা এখনতে হাত চিলাই কলটো থৈ বকুলীয়ে কিবা এটা চিলাই কৰি আছিল। মানুহ অহা গম পাই মূৰ দাঙি চালে আৰু হাতৰ কাম এৰি আমাৰ ফালে আদৰণীৰ দৃষ্টিভঙ্গীৰে আগ বাঢ়ি আহিলে। বামলোচনা বকুলীয়ে মোলৈ চাই কলে, "এওঁক হলে আগেয়ে কেতিয়াও দেখা নাই।" টুনটুনীয়ে ভেদ ভাঙি দিলত বকুলীয়ে লাজকুৰীয়া সুৰত তললৈ মূৰ কৰি কলে, "এওঁৰ নাম দেশত ফুটি ফাটি গ'ল ; এইখন গাৱঁতে ঘৰে ঘৰে খাই শুই গ'ল। আমি দুখীয়া মানুহৰ ঘৰত ভুমকিকে নেমাৰিলে। আজি নো কি মন গ'ল আহিবলৈ ?" টুনটুনীয়ে কলে, "সেই দোষ ক্ষালন কৰিবলৈ বুলি আজি আহিল ; তুমি হেপাহ পলুৱাই আলহীক সোধ-পোছ কৰাঁ।" কথা শুনি আটাইয়ে মিচিকিয়ালে। টুনটুনীয়ে আকৌ কলে, "সোণৰ ভাগ জানো পোৱা নাছিলা ?" বকুলীয়ে স্বীকাৰ কৰি কলে. "অৱশ্যে পাইছিলোঁ।" আমি পোৰ্টিকত গৈ বহিলত টুনটুনীয়ে সকলো কথা বিবৰি কৈ পেৰাচুটটো বকুলীৰ হাতত দিলে। বকুলীয়ে কাপোৰটো পৰীক্ষা কৰি বৰ প্ৰশংসা কৰিলে। কাপোৰ ডোখৰ সামৰি থৈ তাই

আমাৰ নিমিত্তে চাহপানীৰ দিহা কৰিবলৈ বুলি ৰান্ধনীঘৰত সোমালেগৈ। অলপ পাচতে টুনটুনীয়েও আমাক বাহিৰত এৰি ৰান্ধনীঘৰত সোমাই বকুলীৰ লগত কি কথা পাতিলে আমি নেজানিলোঁ।

চাহ খাই উঠি টুনটুনী আৰু মদাৰে মোক এৰি থৈ যাবলৈ ওলালে। মই ৰবলৈ কলত কলে, "তোমাৰ চোলা আৰু পায়জামাৰ জোখ লওঁতে বেলি হব ; আমি যাওঁগৈ, তুমি থাকা, কাইলৈ ৰাতিপুৱা গলেও হব ; আমি তোমাৰ ঘৰত বাতৰি দিমগৈ।" এই বুলি কৈ সিহঁত গুচি গল। অলপ পাচতে বকুলীয়ে গুচৰ চুবুৰীয়া ইঘৰ সিঘৰলৈ ফুৰাবলৈ নিলে। বুঢ়ী মানুহবোৰে মোৰ মূৰত হাত ফুৰাই আশীৰ্ব্বাদ দিলে আৰু কলে, "তোমাৰ যহতে আমি সোণৰ মুখ দেখিবলৈ পালোঁ। তুমি গুচি যাবাগৈ শুনি আমি বৰ বেয়া পাইছোহক।"

বকুলীয়ে মোৰ চোলা আৰু পায়জামাৰ জোখ লওঁতে লওঁতে ৰাতি হ'ল। ৰাতি অতধন বাট অকলৈ অকলৈ ঘৰলৈ উলটি যাবলৈ বকুলীৰ মাকে হাক দিলে। গতিকে বাধ্য হৈ সিহঁতৰ ঘৰতে চৰাইৰ মঙহেৰে ভাত খাই ৰাতিটো যাপন কৰিলোঁ আৰু ৰাতিপুৱা চাহপানী আৰু তিল দিয়া পিঠাৰে প্ৰাতৰাশ কৰি ঘৰ পালোঁগৈ। চাৰিদিনৰ মূৰত দুটা পিৰাণ আৰু দুটা পায়জামা লৈ এজনী সহচৰীয়ে সৈতে বকুলী আমাৰ ঘৰত ওলালেহি। মই কোঠাটোৰ ভিতৰলৈ গৈ কাপোৰবোৰ পিন্ধি চালোঁ, দেখিলোঁ মোৰ গাত বেছ 'ফিট্' কৰিছে। ওলাই আহোঁতে আই-মাৰ লগত ভেটাভেটি হ'ল ; মোক চিনিব নোৱাৰি আই-মা চক্ খাই পিছ হুহঁকি গল ; আটাইয়ে ঢেক্ ঢেককৈ হাঁহিবলৈ ধৰিলে। মই কলোঁ, "আই-মা, মই হে, গৌৰী।" আই মা অপ্ৰতিভ হৈ উলটি গ'ল। মোৰ সাজটো গাত ভালকৈ খাই ধৰা দেখি সকলোৱে বকুলীৰ দক্ষতা শলাগিলে। বাইদেৱে বকুলীহঁতক চাহপানীৰে আপ্যায়ন কৰাৰ পাচত মই সুধিলোঁ, "বকুলী, তুমি যে মোৰ ইমানটো উপকাৰ কৰিলা, তোমাক মই কি দিম ? দিবলৈ মোৰ যে একো নাই।"

বকুলীয়ে উত্তৰত কলে, "তেনেকৈ কৈ লাজ নিদিবা ; যথেষ্ট পাইছো ; তুমি যাবাগৈ ; আমালৈ নেপাহৰিবা দেই ; পেৰাচুটৰ কাপোৰ আৰু থাকিলে ; কি কৰিম ?" মই কলোঁ ; "তাৰে এটা চোলা সাদৰীক সি দিবা আৰু যদি থাকে তুমি লবা।" বকুলীয়ে মোৰ বদান্যতা শলাগি অন্তৰ্ধান হ'ল।

কলিতা ৰাজ্য এৰি যাবলৈ আৰু পাঁচ দিন মাত্ৰ আছে। গাৱঁৰ মানুহবোৰে মোক চাবলৈ দিনৌ আহে। গাৱঁৰ বুঢ়ীসকলে মোক আশীৰ্ব্বাদ দি যায়। আই-মাইয়ে যেতিয়া মোৰ বিপদ সঙ্কুল যাত্ৰাৰ কথা কয়, তেতিয়া এজনী বুঢ়ীয়ে কলে, "গৌৰীয়ে কেতিয়াও কাৰো অনিষ্ট কৰা নাই ; নাৰায়ণে তাইক ৰক্ষা কৰিব।" অইন এগৰাকীয়ে কলে, "তথাগতক সদায় স্মৰণ কৰিবা ; তোমাৰ কোনো অমঙ্গল হব নোৱাৰে" ; তৃতীয় জনাই কলে "সবিতামাতৃক ধ্যান কৰিবা"। চতুৰ্থাই কলে "দুৰ্গা দুৰ্গতি নাশিনী।" এওঁলোকৰ প্ৰত্যেকে পৃথক পৃথক দেৱতাক অৰ্চনা কৰে। কেতিয়াও সেই লৈ বাদ বিসম্বাদ কৰা নেদেখিলোঁ। মোক উপদেশ দিয়াৰ চলতে তেওঁলোকৰ মাজত যিবোৰ আলোচনা চলিছিল সেইবোৰো ভাবত গধুৰ। এজনাই কলে, "অনৃশংসং পৰং ধৰ্মাৎ।" তাৰ অৰ্থ মই বুজিলোঁ।—'সকলো ধৰ্মৰ ওপৰে বসিয়া অহিংসা নীতি প্ৰকাশে।' কথাষাৰ বৰ সঁচা যেন লাগিল। মোৰ কল্যাণকামী মাতৃসকলৰ চৰণ ধূলি মই হাতেৰে শিৰত তুলি ললোঁ।

দিন চাপি অহাৰ লগে লগে আমাৰ ঘৰৰ চাৰিটি প্ৰাণীৰ মুখ শুকাই টেমী যেন হ'ল। মই কৃত্ৰিম হাঁহি একোটা মাৰি বেঢ়ি ধৰা বেজাৰৰ কুঁৱলী ভেদ কৰি আটাইৰে মনত পোহৰ পেলাবলৈ চেষ্টা কৰোঁ। তথাপি ক'লা ডাৱৰ ছটা ক্ৰমে ডাঠ হবলৈহে ধৰিলে। টুনটুনীয়ে আহি ফণি কেঁচী-লৈ মোৰ দীঘল চুলি কোছা নিৰ্মম ভাৱে গুৰিতে কাটি মোক দেখিবলৈ মতা লৰাটোৰ দৰে কৰি দিলে। দেখি নয়নহঁতৰ মুখৰ মাত হৰিলে ; আগন্তুক বিচ্ছেদৰ চিন্তাত সিহঁত জৰ্জৰিত……।

আজি মই কলিতা ৰাজ্য এৰি যাবৰ দিন। ৰাতিপুৱা অতি সোনকালে আমি গোটেই ঘৰ বিছনাৰ পৰা উঠি নিত্য-নৈমিত্তিক কাম শেষ কৰি, চাহপানীৰ মেল চমু চপাই ভাতৰ চৰুৰ তলত জুই দিলোঁ। আই-মাই মঙ্গল চাই কলে দিনৰ বাৰ বজাত যাত্ৰা কৰিব লাগিব। এঘাৰ বজাত আমি খাই-বৈ উঠিলোঁ ; কুৰিজনীমান ছোৱালী লগত লৈ

টুনটুনী আমাৰ চোতালত উপস্থিত, মই ওলাবলৈ বাট চাই আছে। কলপতীয়া ৰঙৰ পেৰাচুটৰ কাপোৰেৰে তৈয়াৰী পিৰাণ আৰু পায়জামা পিন্ধি মই যাবলৈ ওলালোঁ ; বৰদা বাইদেৱে সুগন্ধি তেল ঘঁহি মূৰটো আচুৰি দিলে ; মাতৃতুল্যা, মৰমিয়াল, সকলো সদ্গুণৰ নিধি, অনাদীনৰা কেতেকী আই মা লাহে লাহে মোৰ ওচৰ চাপিলে ; মই আঠু কাঢ়ি আইৰ চৰণত মূৰ দোৱালোঁ। আইয়ে মোক অভিজিঘ্ৰণ কৰি, নিজকে চম্ভালিব নোৱাৰি হুক্-হুক্ কৈ কান্দিবলৈ ধৰিলে। পৰ্য্যাশ্ৰুবদনা বৰদা বাইদেৱে মোক সাৱট মাৰি ধৰি গালতে চুমা এটা খালে। তেওঁলোকৰ মনৰ বেদনাত মোৰ চিন্তা শক্তি ম্লান হৈ পৰিলে ; যেয়ে যিফালে মোক টানিছে সেই ফালেই গৈছোঁ ; চোতালত থকা ছোৱালী প্ৰত্যেক জনীয়েই মোক আলিঙ্গন কৰিছে ; সিহঁতৰ বহুদিনৰ ৰুদ্ধ পিপাসাই আজি ভেটা ভাঙিলে, মোক এৰি দিব নোখোজে। সিহঁতক ঠেলি হুছকি টুনটুনীয়ে মোক নঙলাৰ বাহিৰ কৰি লৈ গ'ল।

আমি যেতিয়া নৈৰ পাৰ পালোঁগৈ তাতো এজাক ছোৱালীয়ে বাট চাই আছে। আমি গৈ পালতে 'গৌৰী', 'গৌৰী' বুলি খেদি আহিলে। টুনটুনীয়ে অনেক বুজালত আমি সিহঁতৰ হাতৰ পৰা এৰাই আহি ঘাটে দি ভুৰত উঠিলোঁগৈ। পাচত থকা ছোৱালীবোৰে মঙ্গল আৰতি কৰি মোৰ মূৰত চাউল আৰু বেলপাত ছটিয়ালে ; চিঞৰি চিঞৰি কলে, "যোৱাঁগৈ।" মোৰ লগতে কেইবাজনী ছোৱালী ভুৰত উঠিলেহি, ভুৰখন টলং-ভটং কৰিবলৈ ধৰিলে। "ভুৰখন ডুবাব খুজিছনেকি ?" এইবুলি টুন টুনীয়ে ভেকাহি মাৰি দিলতহে সিহঁত নামি গ'ল।

ভুৰত থকা সকলো বস্তু মোক চম্জাই দি টুনটুনীয়ে কলে, "তুমি যদি বৰ্মা দেশত থাকাগৈ, তেতিয়াহলে ইয়ালৈ যে কাতি মহীয়া বেপাৰী নাওবোৰ আহে, সিহঁতৰ হাততে একোখন চিঠি মাজে মাজে আমালৈ দিবা ; আমিও উত্তৰ দিম।" এই বুলি কৈ সজল নয়নে, মোক ধৰি চুমা এটা খাই ভুৰৰ পৰা নামি গ'ল। মই গৰাৰ ফালে পিঠি দি চৰি ডালেৰে ভুৰখন সজোৰে নৈৰ মাজলৈ ঠেলি দিলোঁ ; উলটি নেচালোঁ ; মাত্ৰ শুনিলোঁ "যোৱাঁগৈ", "যোৱাঁগৈ।"

কিছুদূৰ উটি যোৱাৰ পাচত উলটি চাই দেখিলোঁ, ছৈ খনৰ তলত এখন কোমল বিছনা পৰা আছে। এখন খনীয়া কাপোৰ, এখন গামোছা, মোৰ নতুনকৈ সিয়া পায়জামা আৰু পিৰাণ। এখন দীঘল দা, এখন সৰু কটাৰী, এখন শকত ধেনু আৰু কিছুমান তীখা-মুখী কাঁড়। কেইবাটাও টেকেলি আছে, তাত নিশ্চয় খোৱা বস্তু আছে। আৰু আছে এটা এলুমিনিয়মৰ চচ্‌পেন, চামুচ। কিছুমান বাঁহৰ চুঙা ছৈৰ বেৰ খনত আঁৰি থৈছে ; বোধ কৰোঁ, তাত লোণ, তেল, ইত্যাদি ভোজনৰ উপকৰণ আছে ; বিছনাৰ তলতে চুকত আছে এটা বৰশী, শকত বটীয়াৰে সৈতে এডাল ডাঁৰি ; গাৰুৰ তলত দুটা জুইশলা বাহ। চৰি ডালৰ উপৰি এপাট ব'ঠাও আছে। ছোৱালীবোৰে মৰমতে দিয়া বস্তুবোৰ চাই চাই মোৰ চকুৰ পানী ওলাবলৈ ধৰিলে। অসহনীয় বেজাৰৰ বোজা বৈ মোৰ ভগা বুকুখন পানীত উটি গল। চিৰকাললৈ এৰি থৈ আহিলোঁ সেইখন গাওঁ য'ত হাঁহি-ধেমালি কৰি প্ৰিয়জনৰ লগত আলাপ-আলোচনা, আমোদ-প্ৰমোদ কৰি আনন্দত প্ৰায় দেড় বছৰ কাল কটালোঁ। আজি সেই সুদীৰ্ঘ কাল ছোৱা হঠাতে এটা ক্ষণিক স্বপ্ন যেন লাগিল। এতিয়া সেই সুৱদি সপোনৰ পৰা সাৰ পালোঁ ; সপোনৰ কথাবোৰ মনতে পাগুলি পানীত উটি গলোঁ। চিৰকাললৈ এৰি থৈ আহিলোঁ মোৰ শত জনমৰ মাতৃ কেতেকী আই-মাক, এৰি থৈ আহিলোঁ চিৰকাললৈ মাটি-মিঠা বৰদা বাইদেউক, ক'ত এৰি থৈ আহিলোঁ মোৰ নয়নৰ মণি নয়ন-তৰাক, মৰমিয়াল মাধৱী, উগ্ৰ স্বভাৱা মালতীক, সুনৃতা মঞ্জুলাক, সুনীতা শান্তিক, কুটিল পদ্‌মা মদাৰক। চিৰকাললৈ এৰি থৈ আহিলোঁ চিৰ সহায়িকা টুনটুনীক, সুদীৰ্ঘ কুন্তলা শকুন্তলাক আৰু ৰামলোচনা বকুলীক। সিহঁত সুখে থাকক। মৃত্যুৰ পাচত যেনেকৈ জীৱাত্মাই দৈহিক জীৱনৰ কথাবোৰ সুঁৱৰি সুঁৱৰি মৰিশালিত কান্দে, আজি

নমৰিও মোৰ অৱস্থা সাদৃশ্যাৎ তেনেকুৱা। আজি মই জীৱন্ত গৌৰীচৰণ বৰদলৈ নহওঁ, সেই নামৰ এক প্ৰেতাত্মা।

ছৈৰ বাহিৰে ভূৰখনৰ মুকলি অংশত বহি আগলৈ চাই গৈ আছোঁ; চিন্তা কৰিবলৈ একো নাই। উদ্দেশ্য বিহীন এই যাযাবৰী জীৱনৰ আকৌ চিন্তাৰ বিষয় কি হব পাৰে? যদি চিন্তা কৰিবলগীয়া কিবা আছে, মোৰ সলনি নৈখনে কৰক—মোক কলৈ নিব খোজে। মই চিন্তাও নকৰোঁ চৰি-ব'ঠাও নধৰোঁ। কিন্তু মন্দশ্ৰোতা নৈখনে মোক যেন গাওঁখনৰ পৰা নিবই নোখোজে।

যেতিয়া গাওঁ এৰি দুমাইল মান আহিলোঁ, তেতিয়া হঠাৎ দেখিলোঁ, সোঁ হাতে গৰাৰ কাষত এটা জোপাৰ মাজৰ পৰা এডাল চেকনীৰ মূৰত এখন বগা কাপোৰ হালিছে-জালিছে। এই নিৰ্জন ঠাইত নো এইখন মৈত্ৰীৰ পতাকা কোনে উড়ুৱাইছে জানিবলৈ আগ্ৰহ হ'ল। মোৰতো এনেকুৱা কোনো জৰুৰী কাম নাই যে মনৰ এই খজুৱতি মাৰিবলৈ সময় কৰিব নোৱাৰিম। এই বুলি ভাবি ভূৰখন ঠেলি গৰাত লগাই দিলোঁ। কিন্তু কাপোৰখন নেদেখা হলোঁ। দাখন লৈ হাতত সাৱে ভৰিত সাৰে বামলৈ নামি জোপাটোৰ ফালে আগ বাঢ়ি যাওঁতেই কোনোবাই মাত লগালে; "মই হে।" পিচ মুহূৰ্ত্ততে কাষলতিৰ তলত কাপোৰৰ টোপোলা এটা লৈ নয়নতৰা জোপা-টোৰ পৰা ওলাই মোক উচপ্ খুৱাই দিলে। অতি আচৰিত হৈ সুধিলোঁ, "তই ইয়াত অকলৈ কি কৰিছ? আৰু কোন আছে?"

"আৰু কোনো নাই, তোমালৈ বাট চাই আছিলোঁ।"

"তইঁতৰ পৰা মই বিদায় লৈ আহিলোঁ, আকৌ তই ইয়াত কিয়?"

"মই তোমাৰ লগত যাম।"

"এনে কথা কেতিয়াও হব নোৱাৰে। মই কিয় অপবাদৰ ভাগী হম? তই এতিয়াই ঘৰলৈ উলটি যা, লৰ দে।"

"তোমাৰ লগত যাম।"

"মই কেতিয়াও নিনিওঁ, নুশুনো তোৰ কথা।"

"তেনেহলে সেই দাখনেৰেই মোক দুডোখৰকৈ কাটি থৈ যোৱা।"

এই বুলি কৈ তাই ভূৰখনত জাপ মাৰি উঠিল। মইও বাধ্য হৈ উঠিলোঁ ; কি কৰিম ? ভুৰৰ পৰা তাইক গতিয়াই পানীত পেলাই দিলেহে হব। কি কৰিম বিমূঢ় হৈ ভাবি আছোঁ ; ইতিমধ্যে তাই চৰিডালেৰে ভূৰখন পানীৰ মাজলৈ ঠেলি দিলে, সোঁতে আমাক লৈ গল। এবাৰ ভাবিলোঁ ভূৰখন উজাই নি তাইক আকৌ গাৰঁত থৈ আহোঁগৈ ; কিন্তু কোন সতেৰে সিহঁতক আকৌ মোৰ মুখ দেখুৱাম ? তাই মোৰ ফালে পিঠি দি আগফাললৈ নৈৰ দুই কাষৰ শোভা চাই চাই গৈছে ; মই তাইক পিছ ফালৰ পৰা চাই থাকিলোঁ। ভাবিলোঁ বিষম সাহসী এই ছোৱালীজনী। এই অনবদ্যাঙ্গী ছোৱালী জনী মোৰ চকুত সদায়ে সুন্দৰ। কিন্তু এই জন শূন্য নৈৰ বুকুত তাইৰ শোভা যেন দুগুণে চৰিছে ; চাই চাই মোৰ হেপাহ নপলায়। হঠাৎ তাই মোৰ ফালে ঘূৰি চালত মোৰ লাজ লাগিল। তেতিয়া তাইলৈ নেচাই পানীত যিটো তাইৰ প্ৰতিবিম্ব পৰিছে তাকে চাই চাই উটি গলোঁ।

এবাৰ উলটি চাই তাই মোক সুধিলে, "কি ভাবিছা ?" মই কলোঁ, "নয়ন, তই কিয় মোক জঞ্জালত পেলালি ? মোৰ এই যাযাবৰী জীৱনটোক সাগৰত জলাঞ্জলি দিবলৈ ওলাইছোঁ ; তই কিয় বিধি-পথালি দিলিহি ?" নয়নে কলে, "তুমি অকলৈ গৈ গৈ মনৰ বিষাদত কেতিয়াবা যে জলত জাপ দি মৰিবা সেইটোকে নোহোৱা কৰিবলৈ মই আহিলো। এতিয়া আমি দুয়ো একেলগে বহি কথা পাতি পাতি নৈৰ দুই কাষৰ হাবি বোৰ চাই গৈ থাকো আহাঁ।" এই বুলি কৈ তাই ভূৰখনতে লেপেতা কাঢ়ি বহিলে আৰু গালে—

"তুমি আৰু মই দুয়ো এখনি তৰীত
একেলগে উটি যাম অনন্ত সুঁতিত।
চৰি-বঠা ধৰি তুমি বহিবা কাষত ;
মৰম সুধাৰ ধাৰা ঢালিবা প্ৰাণত।"

শুনি মই একেবাৰে অবাক! এই নিৰক্ষৰী ছোৱালীজনী হঠাৎ কবি হৈ পৰিল! প্ৰেমৰ কি আচৰিত শক্তি! তাইৰ কবিতাটো শুনি নিমিষতে মোৰ মনৰ পৰ্দা বদলি হৈ গ'ল। মোৰ অন্তৰত তাই যেন মেজিক্ লেম্প্ জ্বলাই দিলে; তাইৰ প্ৰতি মোৰ দৃষ্টিকোণ কিয় এনেদৰে সলনি হল? মই ৰ লাগি থাকি ভাবিলোঁ। মোৰ মনৰ ভাল পোৱা তাইক কেনেকৈ বুজাম? সেই ভাল পোৱা যে মধুৰতকৈয়ো মধুৰ, অতি মধুৰ। এই পূৰ্ব্বৰাগৰ মাদকতা কেৱল অনুভৱ কৰিব পাৰি, কাগজে কলমে প্ৰকাশ কৰিব নোৱাৰি। এক আপন্ন প্ৰতিভা মহিলা কবিয়ে লিখিছে—

"ভাষা হয় অপাৰগ, অক্ষম লেখনী;
অৱৰোধ কণ্ঠস্বৰ, নহয় স্ফুৰণ।
বসন্ত প্লাৱক সেই প্ৰণয়ৰ নৱ পৰশন।"—অৰ্পণা।

আগতে তাই যি ফাঁকি কবিতা মাতিলে তাৰ পৰা অৱশ্যে তাইৰ মনৰ গতি-বিধি লক্ষ্য কৰিব পৰা হৈছে। কিন্তু দুই মনৰ মাজত দলং এখন দিওঁ কেনেকৈ? এইদৰে ভাবি গৈ আছোঁ, হঠাৎ তাই মোক সুধি পেলালে, "তোমাৰ সঁচা নামটো কি?" মই কলো, "কেলৈ?" তাই কলে, "লাগিছে, কোৱাঁ।"

"তেও বুলি কোৱাচোন কিয়?"

তাই ওপৰলৈ আঙুলীয়াই কলে, "চোৱাঁ, সৌ পশ্চিম আকাশত সূৰ্য্য দেৱতা। মূৰৰ ওপৰত চোৱাঁ শুক্লা সপ্তমীৰ অৰ্ধ চন্দ্ৰ; আমাৰ তলত আছে চীনগঙ্গা। এওঁলোকক সাক্ষী কৰি এতিয়া আমাৰ উদ্বাহোৎসৱ সমাপন কৰিম।" কথা শুনি কি কম, কি নকম লাগিল। কলোঁ, "তুমি এটা অসম্ভৱ কথা কৈছা। তোমাক ইমান দিনে ভনী বুলিয়েই ভাবি আছিলোঁ। এদিন তুমি মোৰ বিছনাত বহা দেখি আই-মাই কি শ্লোকটো গাইছিলে মনত নাইনে?"

"জানো।"

"স্বস্ৰা দুহিত্ৰা মাত্ৰা বা নৈ কান্তাসনমাচৰেৎ। এনেস্থলত তোমাৰে মোৰে বিয়া ভাবিব নোৱৰা কথা নহয়নে?

নয়নে কলে, "তুমি আমাৰ ঘৰত আলহী স্বৰূপে থকা কালত অৱশ্যে এটা কৃত্ৰিম সম্বন্ধ পাতি লব লগা হৈছিল। কিন্তু সেই সম্বন্ধ যে কৃত্ৰিম সেইটো কোনে নেজানে? তোমাক প্ৰথম দেখাৰ পৰাই মোৰ অন্তৰত ভাল পোৱাৰ অঙ্কুৰ গজি উঠিছিল; ইমান দিনে ঢাকনী দি থৈছিলো মাত্ৰ। এতিয়া পৰিবেশ সলনি হল; ঢাকনী পেলাই দিলোঁ। তুমি যে মোক ভাল পোৱা মই জানো। এনেস্থলত ভণ্ডামিৰ মুখা পেলাই দি আমি বিবাহসূত্ৰত পাণিবদ্ধ হোৱাহে উচিত হব। মই নিজ ইচ্ছাই আহিছো; কাৰণ মই ভাল পাওঁ; তোমাক এৰি থাকিব নোৱাৰো। তুমি মোক যে ভাল পোৱা সেইটো পদে প্ৰমাণে বুজিছো। আহাঁ এতিয়া দেৱতা সকলক সাক্ষী কৰি আমি আমাৰ বিয়া পাতো।" এই বুলি কৈ তাই পানীত ভৰি ওলোমাই ভূৰখনৰ একাষত বহিলে, মোকো বহিবলৈ কলে; মই বহিলোঁ। তাই মোৰ নাম সুধিলে; মই কলোঁ, "গৌৰীচৰণ বৰদলৈ।" তাই সুধিলে, "ঘৰ ক'ত?" মই কলোঁ, "যোৰহাটত।" তেতিয়া তাই দুইখন হাতেৰে এক আঁজলি পানী তুলি লৈ গালে, "হে চন্দ্ৰ, হে সূৰ্য্য, হে স্ৰোতস্বিনী চীন্ মন্দাকিনী, তোমালোকক সাক্ষী কৰি আজি মই যোৰহাটৰ গৌৰীচৰণ বৰদলৈক স্বইচ্ছাৰে নিঃশঙ্ক মনে পতিৰূপে বৰণ কৰিলো।" এই বুলি কৈ তাই হাতৰ পানী এচলু মোক খুৱালে, এচলু নিজে খালে, আৰু এচলু তুলি নৈতে পেলালে। পাচত মোকো সেইদৰে পানী তুলি লৈ মন্ত্ৰ পঢ়িবলৈ কলে। মইও স্বইচ্ছাৰে নিঃশঙ্ক মনে নয়নতৰাক পত্নী ৰূপে গ্ৰহণ কৰিলোঁ বুলি শপত খালোঁ। পানীও খালোঁ।

## ২১

ইতিমধ্যে আমাৰ ভূৰখন কিমান দূৰ ভটীয়াই গ'ল আমি কৰকে নোৱাৰিলোঁ। বেলি পৰাৰ পাচত আমাৰ চিন্তা হল, ৰাতিৰ ৰাতিটো উটি গৈ থাকিমনে? কিজানি কৰবাত ওলাওঁগৈ! কিজানি গৰাত খুন্দা খাই বৈ থাকিলে হাবিৰ পৰা বাঘ আহি আমাক ভোজ খাই পেলায়! ইত্যাদি ভাবি চিন্তি আমি ভূৰখনৰ গতিৰোধ কৰি পাৰৰ আঠ হাত মান দূৰত লংগৰ পেলালোঁ। অৰ্থাৎ চৰি ডালৰ শকত মূৰটো দাবে জোঙালি পানীৰ তলত পুতি ভূৰখন জৰ-পুৰকৈ বান্ধিলোঁ।

আবেগভৰা আমাৰ দুখন হিয়াৰ হেন্দোলনি কিছু সাম কাটিলত পেটত ক্ষুধানল জ্বলি উঠিল। নয়নে ছৈ খনৰ ভিতৰলৈ গৈ তাৰ পৰা দুটা বাটিত লোৱা পিঠাগুৰি, গুৰ, ভীমকল দুটাৰে সৈতে আনি থলে।

মই কলোঁ, "এইয়া বিয়াৰ জলপান নেকি?" তাই খুব হাঁহিলে আৰু 'হয়, হয়' বুলি মোক খাবলৈ অনুৰোধ কৰিলে। খুব তৃপ্তিৰে সৈতে খাই উঠিলত মোৰ চাহপানীলৈ মনত পৰিল। নয়নে কলে,

"তেনে দুৰাশা নকৰিবা। চীন গঙ্গাৰ চেঁচা পানীয়ে কাক নাটিছে?" এই বুলি কৈ তাই নৈৰ অনাবিল চেঁচা পানী চলুৱে চলুৱে পান কৰিলে। ময়ো তাকে কৰিলোঁ। তুষ্ট হৈ পেটে একোটা উগাৰেৰে ধন্যবাদ দিলে।

কেউফালৰ পৰা এন্ধাৰে আহি আমাক যেতিয়া আগুৰি ধৰিলে, গছ, বন, নৈৰ গৰা আটাইবোৰ একাকাৰ হ'ল, কেনিও ক'তো চৰাই-চিৰিকতি এটাৰো মাত শুনিবলৈ নোপোৱা হলোঁ, তেতিয়া সেই ঘোৰ নিস্তব্ধতাত আমাৰ দুইৰো বুকু কঁপিবলৈ ধৰিলে। কোনো কালে জীৱনত নোপোৱা জগৎ জোৰা নিৰ্জন নিমাত-নিতাল আবেষ্টনীত নিজৰ

মাত শুনিয়েই নিজে চঁক্ খাই উঠিছিলোঁ। ভয়তে আমি ফুচ্ ফুচাই কথা কবলৈ বাধ্য হলোঁ। মাত্র ছটা ঘণ্টাৰ পাচতে আমি কি যে এটা অদ্ভুত পৰিৱেশৰ মাজত সোমালোহি আমি ভাবিবই নোৱাৰোঁ। আমিয়েই ছয় ঘণ্টাৰ আগতে এজাক ছোৱালীৰ মাজত নিৰাময় আনন্দেৰে ঘূৰি ফুৰিছিলোঁ। "সিহঁতে আমাৰ কথা ভাবিচেনে চাগৈ?" এই বুলি কলত নয়নে টপৰাই উত্তৰ দিলে, "সিহঁতে আমাক পাহৰি খাই-বৈ ফুৰ্ত্তি কৰি আছে।" কথা কোৱা ধৰণৰ পৰা মই বুজিলো, সিহঁতক মই পাহৰিব লাগে আৰু মোৰ সমস্ত চিন্তা-গ্ৰাম তাইলৈহে সূচিকাগ্ৰ কৰিব লাগে। মই কলোঁ, "তই যে গুচি আহিলি আই-মা আৰু বৰদা বাইদেৱে চাগৈ কান্দি কান্দি ব্যাকুল হৈছে।" তাই কলে, "তোমাৰ লগত গুচি আহিম বুলি চিঠি এখন লিখি থৈ আহিছো।" মই কলোঁ, "সেই চিঠিয়ে তেওঁলোকক একো শান্ত্বনা নিদিয়ে। বৰং মনৰ উদ্‌ৱেজনা বঢ়াব হে। কাৰণ এতিয়া এটাৰ ঠাইত দুটা প্ৰাণীৰ মৃত্যু সম্ভৱ হ'ল।" এই বুলিকৈ মই বিছনাত দীঘল দিলোঁ। টোপনিয়ে হেঁচা মাৰি ধৰিলে।

মাজ নিশা এটা বিকট আৰাও শুনি আমি সাৰ পালোঁ। নয়নে ভয়তে মোক টেপা মাৰি ধৰিলে। মই বুজালো, "সেইটো হৰিণা পহু, বাঘৰ গোন্ধ পাই সেই দৰে চিঞৰিছে।" আকৌ দুবাৰ সেই ভয়াবহ আৰাও শুনি আমাৰ বুকু কঁপিবলৈ ধৰিলে। কাৰণ ধ্বনিটো ক্ৰমে ওচৰ চাপিছে। তাৰ অলপ পাচতে শুনিলোঁ এটা কাতৰ কেঁকনি আৰু দপ্‌দপনি যেন কিহবাই হাবিখন মহতিয়াইছে। বুজিলোঁ, বাঘে পহুটো ধৰিলে আৰু দুইৰো মাজত দৰবা-দবৰি লাগিছে; তাকে কলত নয়নৰ ভয় দুগুণে চৰিলে। তাৰ পাচত একেবাৰে নিমাত-নিতাল; কেবল ঘোক্, ঘোক্ শব্দ। ভয়তে আমি জড় হলোঁ; ওচৰতে এটা শোণিত পিপাসু প্ৰমত্ত শাৰ্দ্দুলে পহু এটা জীয়াই জীয়াই চোবাই খাইছে। ততোধিক ভয় হল, যেতিয়া সেই বাঘটোৱে গৰাই দি নামি আহি আমাৰ পৰা আঠ হাত দূৰতে 'চপক্-চপক্' কৈ পানী খাবলৈ ধৰিলে আৰু তাৰ মুখৰ ভেকেটা গোন্ধ আমাৰ নাকত সোমালে।

মানুহৰ গোন্ধ পাই সি এতিয়া ভূৰত উঠিবহি, এই ভয়ে আমাৰ শৰীৰৰ তেজ পানী যেন চেঁচা কৰিলে ; মৃত্যু আমাৰ দুৱাৰ মুখত। তেতিয়াৰে পৰা নিশাটো টোপনি নাহিল। ঢলপুৱা হলত আমি ভূৰ মেলি দিলোঁ।

২২

দিনৰ দুইমান বজাত ছৈৰ তলৰ পৰা বিছনাখন বাহিৰলৈ আনি তাতে দুইয়ো চিৎ খাই পৰি নীল আকাশখন চাই চাই উটি গলোঁ। মাঘমহীয়া জাৰত আবেলিৰ ৰ'দ কাচলি বৰ সোৱাদ লাগিছিল। কি যে নির্মল আকাশ; ডাৱৰৰ লেশমাত্র নাই। মানুহৰ চকুত আকাশৰ নীলিমা কিয় ইমান ভাল লাগে, তাকে ভাবি ওপৰলৈ চাই গৈ আছোঁ। হঠাতে নয়নে কলে, "চোৱাঁচোন চোৱাঁ, বহুত ওপৰত শগুণৰ চকৰি এটা ঘূৰিছে।" মই নাই দেখা বুলি ক'লত বৰকৈ নিৰীক্ষণ কৰি চাবলৈ কলে। পাচত ময়ো দেখিলোঁ, প্রায় এমাইল মান ওপৰত এটা ক'লা চকৰিৰ ক্ষীণ পৰিধি। দেখাত প্রায় মাখি একোটাৰ সমান গোটাচেৰেক শগুণ ইটোৰ পাচত সিটো ঘূৰি ঘূৰি এটা চকৰি সাজিছে। চাওঁতে চাওঁতে শগুণৰ চকৰিটো ঘূৰি ঘূৰি মেলখাই এডাল দীঘল মিহি সূতালৈ পৰিৱর্ত্তন হৈ পুব ফালে দূৰ দিগন্তত বিলীন হৈ গ'ল। মোৰ মনটোও সেই দীঘল সূতাৰ পাছে পাছে উড়ি গল, কোন অজান দেশলৈ; সেই ভাবতে মই মজি আছিলোঁ।

একো মাত বোল নকৰাকৈ থকা দেখি নয়নৰ আমনি লাগিলত তাই কলে, "কিবা এটা কোৱাঁ, নির্ব্বাক হ'লা কিয়?" মই কিন্তু তাইৰ কথালৈ কাণ কৰা নাছিলোঁ; কাৰণ মোৰ মনটো ইতিমধ্যে শগুণৰ সূতাডাল খেদি খেদি ভিয়েৎনাম পালেগৈ। অসহ্য হলত নয়নে মোক ধৰি জোকাৰণি এটা দিলতহে মনটো ঘূৰি আহিলে। তাই কলে, "মুখেৰে নেমাতা কিয়?" তেতিয়া মোৰ মুখৰ পৰা ওলাই গ'ল এটা কবিতা। আমাৰ কবি সকলে অনেক চৰাইকে গঁৰিলা লৈ কবিতা ৰচিছে; কিন্তু কোনেও শগুণক সেইটো সন্মান দিয়া নাই। দিগন্ত অতিক্রম কৰি যোৱা শগুণবোৰলৈ মোৰ মুখৰ পৰা শগুণ বন্ধুক অৱলম্বন কৰি এটা কবিতা ওলাই গ'ল—

"অম্বৰ উলংঘি, শগুনী বিহঙ্গী চালি দি আকাশত ঘূৰে ;
মোৰ মন উতলি, বনফুল বুটলি অজান্তি মুলুকত ফুৰে ।"

নয়নে সমালোচনা কৰিলে, "ভাল শুনিছো।"

"অজান্তি মুলুকত লুইতৰ এসুঁতি একা-বেঁকা বৈ যায় ;
নৈৰে পাৰতে অকলে অকলে কাপোৰ এছাৰিছে তাই ।"

নয়নে কলে, "সচানে ?"

"কাপোৰৰ লাচতে কৰ্কালৰ এমুঠি ভাগো ভাগো যেন কৰে ;
সহাঁৰি পাই মোৰ থমকি চাই ৰ'ল চকিতা হৰিণীৰ দৰে ।"

' ক'ৰ নো সেইজনী মৃগ নয়না ?"

"মই অসমীয়া দূৰণিবটীয়া, হাবিত হেৰুৱালো বাট ;
তোমাৰ দুচকুত কৰুণা জিলিকে, দিবানে চেনেহৰ মাত ?"

"সাজ নেলাগিলনে তেনেকৈ কবলৈ ?"

"কৰ পৰা আহিলা অ' মোৰ সোণাই,
সাৱটি ধৰিলে মৰমে বুৰাই ।
তোমাকে ধীয়াই আছো বাট চাই,
তুমি মোৰ জীৱনৰ ঘাই ।"

"সেই বনৰী জনীক ক'ত এৰি থৈ আহিলা ?"

নয়নৰ হাতত ধৰি মই ক'লো, "তুমিয়েই সেইজনী। নৈৰ পাৰৰ সেই জোপাটোত অভিসাৰিকাৰ দৰে কোনে খাপ লৈ আছিলে মোলৈ ?" শুনি নয়নৰ চকুত যেন জুই হে জ্বলিলে। নিজৰ হাতখন মোৰ মুঠিৰ পৰা জোৰেৰে টানি নি কলে, "সেইজনীৰ লগত মোক তুলনা নকৰিবা দেই ; ভাল নহব। তাইৰ নিলাজ বাসনা মোৰ অন্তৰৰ পৱিত্ৰ ভাল পোৱাৰ লগত একে কৰিব খুজিছা ?" এই বুলি কৈ তাই মোৰ পৰা মুখ ঘূৰাই বহি থাকিলে ; আমাৰ মাজত মাত বোল বন্ধ হ'ল।

আমাৰ দাম্পত্য জীৱনৰ এইয়ে প্ৰথম মনোমালিন্য যি প্ৰায় এঘণ্টা-কাল আমাক বিষাদৰ সাগৰত ডুবাই ৰাখিছিলে। মইয়ে সেও হৈ অনেক বাহিৰা কথাৰ অৱতাৰণা কৰিও, কোনো মতে নয়নৰ মৌন ব্ৰত

ভাঙ্গিব নোৱাৰিলোঁ। অনেক খুহুটীয়া কথা কৈ যেতিয়া হাতেৰে অঙ্গি-ভঙ্গি কৰি মান ভগ্গনৰ অভিনয় কৰিলোঁ তেতিয়া তাইৰ কোৱাৰিৰ দুই চুকে হাঁহি বিৰিঙিলে, দেখি একে জাপে থিয়হৈ দশাৱতাৰৰ নৃত্য আৰম্ভ কৰিলোঁ। হাতৰ মুদ্ৰা, কণ্ঠৰ স্বৰ, তাল আৰু লয় যুক্ত বিভিন্ন পদক্ষেপত মুগ্ধ হৈ নয়নে হাঁহিবলৈ ধৰিলে। তাই কোনো কালে নাচ দেখা নাই, নামহে শুনিছে। উজাই যোৱা বেপাৰী নাও এখনেও মোৰ নৃত্য দেখি নিজৰ গতি মন্দ কৰিলে। নাচি নাচি যেতিয়া 'দেহি মে তব বদনাৰবিন্দ মধু পানং' বুলি বহি পৰিলোঁ, তেতিয়া নয়ন ওচৰ চাপি আহি এক মধুৰ আশ্লেষত মোক সামৰি ললে।

পাচদিনা ধল পুৱাতে বিছনা এৰি ভূৰৰ মুকলি ঠাই ডোখৰলৈ ওলাই দেখিলোঁ দিগন্ত ৰেখাৰ ওপৰত আকাশখনে যেন কিবা এটা উৎসৱ পাতিছে। গোটেইখন আকাশ কুসুমবুলীয়া। খণ্ড খণ্ড ডাৱৰ, বোৰে গাত নানা ৰং সানি অ'ত ত'ত বৈ আছে, যেন কোনো ৰাজ-পুৰুষৰ আগমনৰ প্ৰতীক্ষাত। কিন্তু সিহঁত সৰহপৰ ৰব লগা নহল; হিৰণ-কিৰণৰ কিৰীটি পিন্ধি ডাঙৰ হেঙুলীয়া কাঁহী এখনৰ দৰে মাৰ্তণ্ড দেৱতা গহীনে গম্ভীৰে ওলাই আহিলে। পুব আকাশৰ এই চমকপ্ৰদ সৌন্দৰ্য্য উপভোগ কৰিবলৈ মই নয়নক জগাই দিলোঁ। তাই খকা-মকাকৈ উঠি আহি লৰালৰিকৈ মুখ হাত ধুলে; কিন্তু আকাশৰ সৌন্দৰ্য্য উপভোগ কৰক ছাৰি তাই চকু মুদি স্তব-স্তুতি কৰিবলৈহে ধৰিলে, 'জবাকুসুমসংকাশং কাশ্যপেয়ং মহাদ্যুতিম্' ইত্যাদি।

কিছুদূৰ উটি গৈ আমি বাওঁকাষে এটা বালুময় সৈকতত ভূৰখন চপালোঁ। ওপৰ গৰাত ফুৰিবলৈ উঠি দেখিলোঁ এক মধুৰ দৃশ্য। এখন বিশাল অৰণ্যানি; অথচ তাৰ মাজেদি এক মাইল দূৰলৈকে কেউফালে দেখা যায়। হাবি নহয়, প্ৰকৃতিৰ গুপ্ত ৰম্যস্থান বা মন্দিৰ বুলিব পাৰি। 'ৰুল' মাৰি যেন পোন একোজোপা আকোৱালি নোপোৱা হোলোং গছ, এশফুটমান ওখ, ডাল-পাত নাই, একেবাৰে ওপৰত গোটাচেৰেক পল্লৱিত শাখাই ফেৰ মেলি যেন এটা প্ৰকাণ্ড ছাতি ধৰি আছে। ওপৰলৈ চালে আকাশখন নেদেখি। তেনেকুৱা হেজাৰ হেজাৰ গছ থিয় হৈ সহস্ৰ-স্তম্ভ-শোভিত যেন এটা বিৰাট দেৱমন্দিৰ। তলত শুকান পাতবোৰ একাঠুমান ডাঠ হৈ পৰি আছে, ভৰি দিলে মৰ্মৰাই উঠে। ঘোৰ নিস্তব্ধতাত সেই মৰ্মৰণি শুনি আমি চঁক্ খাই উঠোঁ। এডাল বন তৃণ বা এটা জোপোহা নাই আমাৰ দূৰ-দৃষ্টিত বাধা দিবলৈ।

বহুত দূৰত দেখিলোঁ এদল ●নৰীয়া হাতী অগাপিছাকৈ গছৰ মাজে মাজে লীলা গতিৰে গৈ আছে। পৃথিৱীৰ ভিতৰত ৰত্ন অলঙ্কাৰ খচিত

বস্তুত বৃহৎ বৃহৎ মন্দিৰ আৰু গীৰ্জাঘৰ আছে, কিন্তু প্ৰকৃতিৰ এই মন্দিৰৰ ওচৰত সেইবোৰ অতি তুচ্ছ। ক'তো চৰাই চিৰিকতিৰ মাত নুশুনিলোঁ। আমি মাত মাতিলে গোটেইখন ৰজনজনাই যায় আৰু তাৰ প্ৰতিধ্বনি প্ৰায় এক মিনিট কাল কেউফালে ঘোষিত হৈ থাকে। উঠি অহা বেলিটোৰ পথালি কিৰণ একোছাটি গছবোৰৰ মাজেদি সৰকি গৈছে। তাকে দেখি নয়নে কবিতাৰ সুৰত গালে—

"হোলোং গছৰ শাৰী সৰকাই সূৰুযে হানিলে সোণালী বাণ!"

কিমান পৰ আমি সেই স্বৰ্গীয় দৃশ্যত মুগ্ধ হৈ আছিলোঁ কব নোৱাৰোঁ। কিন্তু সেই দৃশ্যৰ বিশালতা আৰু ঘনীভূত নিৰ্জনতাই আমাক তাৰ পৰা গুচি আহিবলৈ বাধ্য কৰিলে।

আমি স্থিৰ কৰিলোঁ, দিনৰ ভাত সাজ আবেলিৰ ভাগলৈ খালে ৰাতি ভাত নোখোৱাকৈ হব। আমি ভূৰত উঠি ভটীয়াই গলোঁ। বেপাৰীবোৰৰ মতে আমি আৰু আঠদিনৰ মূৰত মেনদেল নগৰ পামগৈ। তাত গৈ নো কি কৰিম তাকে আলোচনা কৰি আমি গৈ আছোঁ। 'পৰৰ মূৰত খোৱা আৰু ভটীওৱা পানীত যোৱা' কোনো কোনো ভাগ্যৱানৰ জীৱনতহে ঘটে; আমিও সেই শ্ৰেণীৰে।

তেতিয়া প্ৰায় দুই বাজিছিল। এটা অচিন শব্দ আহি আমাৰ কাণত সোমালে—'ছো-ও-ও, ছো-ও ও'। শুনি বেছ আৰাম লাগিছিল; আমি কাণ পাতি সেই মধুৰ শব্দ উপভোগ কৰিছিলোঁ।

নয়নে ক'লে, "বনদেবীয়ে আমাক বাঁহী বজাই শুনাইছে।" কিন্তু মই তাইৰ ধেমেলীয়া কথাৰ ৰস উপভোগ কৰিব নোৱাৰিলোঁ; কাৰণ শব্দটো ক্ৰমে ডাঙৰ হৈ আহিছিল। আধাঘণ্টামানৰ পাচত সেই শব্দই আমাৰ অন্তৰত ভয় সঞ্চাৰ কৰিবলৈ ধৰিলে। শব্দটোৰ আঁতি-গুৰি চিন্তা কৰি একো ঠাৱৰ কৰিব নোৱাৰিলোঁ; ইফালে-সিফালে চাই ক'তো কেনিও ডাৱৰ এচপৰাও নেদেখিলোঁ।

"এইটো বৃষ্টিপাতৰ শব্দ নহয়", নয়নে কলে। 'বৃষ্টিপাত' শব্দটো শুনিয়েই মোৰ মনত পৰিল জলপ্ৰপাতলৈ আৰু লগে লগে মোৰ বুকুখন কঁপিবলৈ ধৰিলে।

মই কলোঁ, “সৰ্বনাশ নয়ন, আমি এটা জলপ্ৰপাতৰ অভিমুখে দৌৰ দিছোঁ !”

নয়নে পানীলৈ লক্ষ্য কৰি কলে, “নৈৰ সোঁত আগতকৈ বেছি হৈছে !” আমাৰ ধমনীত খৰস্ৰোতে শোণিত ৰবলৈ ধৰিলে। আগলৈ চাই দেখিলোঁ, এটা চাপৰ পাহাড়ৰ গাত ঠেকা খাই নৈখন দুছিটা হৈ হৈছে। আমাৰ ভুৰখন নৈৰ সোঁদাতিয়ে গৈছে আৰু সেই ফালৰ পৰাই শব্দটো আহিছে। এতেকে হাত সাবটি বহি থাকিলে নৈয়ে আমাক নি জলপ্ৰপাতত পেলাই দিবগৈ। তাকে ভাবি আমি চৰি-ব’ঠা ধৰি ভুৰখন নৈৰ সিপাৰলৈ নিবলৈ যত্ন কৰিলোঁ; নৈখনৰ সোঁমাজটো পাৰ হৈ গলেই আমি নিৰাপদ হ’ম।

তাকে ভাবি আমি প্ৰাণ কাতৰেৰে ব’ঠা মাৰিবলৈ ধৰিলোঁ। কিন্তু আমি যিমানেই নৈৰ সোঁমাজলৈ গৈছোঁ সিমানেই সোঁত প্ৰবলতৰ হৈ আমাক ভটীয়াই বেগেৰে টানিলৈ গৈছে। এতিয়া আমি জলপ্ৰপাতৰ বহুত ওচৰ চাপিলোঁ; আগৰ “ছো-ও-ও-ও” শব্দৰ ঠাইত এতিয়া “হো-ও-ও” শব্দ হল। আমাৰ বুকুৱে ঢিপিং ঢিপিং কৰিবলৈ ধৰিলে; তথাপি চৰি-ব’ঠা বাবলৈ এৰা নাই। আমাক কিহে পাইছিলে নৈ খন পাৰ হবলৈ। পাৰত ভুৰখন বান্ধি থোৱা হলেই ভাল আছিল। ভাগৰত ঘামিজামি গৈছিলোঁ; প্ৰাণৰ আশা তেতিয়াও এৰা নাছিলোঁ। কিন্তু সকলো মিছা হ’ল। আৰু আধা মিনিটতে আমি পাহাড়ৰ সেই জোঙা মূৰটো এৰি গ’লো, যিঠাইত নৈখন দুছিটা হৈছে। এতিয়া আৰু জীয়াই থকাৰ আশা নাই। ক্ৰমবৰ্দ্ধমান বেগেৰে জলপ্ৰপাতত পৰি মৰিবলৈ আমি লৰ দিছোঁ। উপস্থিত মৃত্যুৰ ভয়ত আমাৰ শৰীৰ অৱশ হ’ল, গাৰ বল-শকতি হৰিলে, চৰি-ব’ঠা হাতৰ পৰা খহি পৰিল। জলপ্ৰপাতৰ গৰ্জন ইমান প্ৰচণ্ড হ’ল যে আমি দুটাৰ মাজতে কাৰো মাত কেনেও শুশুনা হলোঁ। গাতে লাগি থাকিও আমি যেন প্ৰত্যেকে অকল-শৰীয়া। নয়নৰ তেজ-গোৰা মুখখন কাগজ খিলাৰ দৰে শেতা পৰিলে। ঝৰ-ঝৰকৈ বৈ পৰা চকুৰ পানীৰ গুণে তাই মোক দেখা নাই, হাতেৰে খেপিয়াইছে। তাইৰ অৱস্থা দেখি মই ব্যাকুল হলোঁ। তাইক টানি

আনি বুকুত সাৱটি ধৰি মৰিবলৈ বাট চাই আছোঁ। পানীৰ কাণ-ফটা গৰ্জনত বিহ্বলহৈ 'হে ভগবান', 'হে ভগবান' বুলি চিঞৰিছোঁ, যদিও নিজৰ মাত মই নিজেই শুনা নাই। 'ৰক্ষা কৰাঁ' এই দুটা কথা মোৰ মুখেদি ফুটি নোলায়, কাৰণ সেই সময় উকলি গ'ল। বলিশালনৈ চোচোৰাই নিয়া ছাগলীৰ দৰে আমি হালক প্ৰচণ্ড সোঁতে মৃত্যুৰ কৰাল মুখ-গহ্বৰলৈ নিকৰুণ ভাবে টানি নিছে। কাৰ সাধ্য আমাক ৰক্ষা কৰে। জলপ্ৰপাতত পানীৰ কণিকাবোৰ ওপৰলৈ উঠি গোটেই খন ধোৱাঁ-কোৱাঁ কৰিছে।

শেষ মুহূৰ্ত্তত আই-মা কেতেকীলৈ মনত পৰিল। "মা তুমি ভাবিছানে তোমাৰ মৰমৰ নয়নতৰা আৰু সোণাইৰ এতিয়া কি গতি হ'ল ?' এনেতে দেখিলোঁ এটা সৰুগোটৰ বাঁহ পাহাৰৰ গাৰ পৰা পানীলৈ দোঁ খাই আছে। কিন্তু চুকি পোৱাত নাই। পেটতে ভাবিলোঁ, "যদি সেই বাঁহটো আৰু দুহাত মান তললৈ দোঁ খালেহেতেন।" এই ভাবটো মনত খেলোৱাৰ প্ৰায় লগে লগে ক'ৰ পৰা উড়ি আহি এজনী ডাঙৰ চিলনী বাহঁটোৰ ওপৰত বহিলে। লগে লগে বাহঁৰ আগটো দুহাত মান তললৈ নামিলে। ক্ষুধাৰ্ত্ত বাঘৰ দৰে মই থাপ্ মাৰি ধৰিলোঁ। মোকে দেখি নয়নেও ধৰিলে। আমাৰ হিয়াভৰা কৃতজ্ঞতা আৰু ওলগ লৈ আই-মাই পঠিয়াই দিয়া চিলনী জনী উড়ি গ'ল।

ভূৰখন ভৰিৰ পৰা পিছলি নেযাবলৈ আমি দুয়ো ছৈখনত গাৰ ঠেকা দি সজোৰে বাহঁটোত ধৰিলত নদীৰ সোঁত আৰু বাহঁৰ লগত টনা-টনি হ'ল। বাহঁটোৱে মেৰ-মেৰাইছিলে। আমাৰ ভয় হ'ল, জানোচা বাহঁটো উভলি আহে। ভাগ্যে সেইটো নহল। দুই শক্তিৰ টনাটনিতে ভূৰখন বাধ্য হৈ পাৰলৈ চাপিলে। ক্ষিপ্ৰহস্তা নয়নে নিমিষতে পাৰৰ পৰা হাউলি থকা ইকৰাণি বৰতানিবোৰৰ চুলিত ধৰিলে। মইও বাহঁটো এৰি সেইবোৰৰ চুলিত ধৰিলোঁ। সেইবোৰকে অৱলম্বন কৰি বহু কষ্ট কৰি আমি ভূৰখন পাহাড়ৰ গাইদি উজাই নিবলৈ ধৰিলোঁ। এই শ্ৰমসাধ্য কামত আমি একেবাৰে ভাগৰি গলোঁ। গাৰ ঘামেৰে জুকলি জুপুৰি হলোঁ। ভোকে পিয়াহে প্ৰাণ যায়-যায়।

পানী ওচৰতে আছে যদিও এচলুলৈ খাবলৈ হাতৰ আজৰি নাই। ইতিমধ্যে এন্ধাৰ ক্ৰমে নামি আহিছে, বিশ্ৰাম লবৰ সময় নাই। বহু কষ্ট কৰি ভূৰখন ঠেলি-হুচকি সেইখিনি পোৱালোঁগৈ য'ত নৈখন ঠুছিটা হৈছে। তেতিয়া আমি স্বস্তি লভি এক মিনিট মান জুৰালোঁ। এন্ধাৰ ঘন হৈ অহা দেখি আমি আকৌ কামত ধৰিলোঁ। খুব জোৰেৰে ভূৰখন ঘূৰাই নিৰাপদ সুঁতিটোত নি পেলালোঁ।

পুৱাৰ পৰা সন্ধ্যালৈকে পেটত খুদকণ এটাও নপৰাত আমি ভোকত জৰ্জৰিত হৈছিলোঁ। নয়নক কলোঁ ছৈৰ ভিতৰলৈ গৈ কিবা কল-বন আছে যদি আনিবলৈ; ইতিমধ্যে মই ভূৰখন পাৰৰ পৰা আঠ হাত মান দূৰত বান্ধিবলৈ চৰি ডাল মাটিত পুতিব খুজিছোঁ, এনেতে পাহাড়ৰ গাত মৰ্মৰকৈ হাবি ভঙা শব্দ শুনি সেইফালে চাওঁতেই দেখিলোঁ, আমাৰ মুখামুখিকৈ পাৰত হাবিৰ মাজত পকা অওঠাৰ দৰে দুটা চকু জিলিকিছে। হাতত থকা চৰি ডাল মাটিত নুপুতি তাৰে খুব জোৰেৰে ভূৰখন পানীৰ মাজলৈ ঠেলি দিলোঁ। সেই মুহূৰ্ত্ততে এটা ভয়ানক গোজৰণিয়ে হাবিখন কঁপাই তুলিলে; লগে লগে আমাৰ নিচেই ওচৰতে ঝপংকৈ এটা শব্দ হল এন্ধাৰতে দেখিলোঁ এটা বিৰাট চিত্ৰকায় আমাৰ ভূৰখনৰ নিচেই ওচৰতে পৰি আমালৈ সাঁতুৰি আহিছে। ঠিক তিনি বা চাৰি চেকেণ্ড আগতে সি জাপ মাৰি দিয়া হলে, বা ভূৰখন ঠেলি দিয়াত তিনি চাৰি চেকেণ্ড পলম কৰা হলে বাঘটো আমাৰ ভূৰৰ ওপৰতে পৰিলেহেঁতেন। মৃত্যু আৰু আমাৰ মাজত মাত্ৰ এটা মুহূৰ্ত্তৰ ব্যৱধান! তৎক্ষণাৎ চৰিডালৰ জোঙা মূৰটোৰে বাঘটোৰ জ্বলি থকা চকু দুটাত দোখোচা দিলোঁ। নয়নে ব'ঠা পাত তুলি লৈ তাৰ ধাৰেৰে বাঘৰ নাকত এটা পূৰ্ণহতীয়া কোব বহুৱালে। তথাপি সি নৰৰক্তৰ লোভ সামৰিব নোৱাৰি আমাৰ ফালে আহিবলৈ চেষ্টা কৰিছিল; কিন্তু খোচা-খুচি কৰাত তাৰ আৰু আমাৰ মাজত দূৰত্ব বাঢ়ি গ'ল। এন্ধাৰত তাক নেদেখা হলোঁ।

আমাৰ হাত ভৰি থৰ থৰকৈ কঁপি আছিল। খুব জোৰেৰে চৰি-বঠা বাই যেতিয়া বহুত দূৰ ভটীয়াই গলোঁ তেতিয়াহে আমাৰ মুখত মাত

ওলাল। পাৰলৈ ভুঁড় চপোৱাৰ কথা বাদ দি গুৰে ৰাতি নৈৰ বুকুতে ওপঙি যোৱাকে নিৰাপদ ভাবি আমি ছৈৰ তলত সোমাই শুই থাকিলোঁ। ভোক পিয়াহ পেটতে মাৰ গ'ল।

## ২৪

গোটেই নিশা ভুঁড়তে উটি গৈ পুৱা যেতিয়া সাৰ পাওঁ, তেতিয়া বেলিটো দিগ্‌বলয়ৰ পৰা দহ ডিগ্ৰীমান উঠিলে। চাৰিওফালে চকু ফুৰাই দেখি আচৰিত হলোঁ. পাৰিপাৰ্শ্বিক দৃশ্যাৱলীৰ আমূল পৰিবৰ্ত্তন হল। গৰাৰ ওপৰত ঘোপ্‌ মৰা অটবা অৰণ্যৰ সলনি আছে ঢাপ আৰু জেওৰা-জপনা দি বেঢ়া তামোল পানৰ বাৰী, যতনে বেঢ়ি থোৱা বাঁহনি আৰু খেৰ-বাঁহেৰে সজা ঘৰ। নাই ঝৰঙ্গাৰ বুকু কঁপোৱা গোজৰণি বা ভীতিভৰা পহুৰ ৰেঙনি। সেইবোৰৰ সলনি শুনিবলৈ পালো গৰুৰ হেম্বেলনি আৰু ছাগলীৰ বেবনি। ইমান দিনে হাবিত নুশুনা কাউৰীৰ "কা-আ" মাতটোও ইয়াত শুনি মৌ বৰষা যেন লাগিল ; যেন কাণ পাতি শুনি থাকিম।

অহা নাই ইয়াত নৈ গৰাই দি নামি পানী খাবলৈ সপৰিয়ালে বাঘ-বাঘিনী বা হৰিণা-হৰিণী। আহিছে কাষত কলসী লৈ লয়লাসে নামি হালধি গাঁহি যেন হেমাঙ্গা প্ৰিয়দৰ্শনা, কূৰ্পাস পীড়িতস্তনা খাম্‌প্তী মহিলা, কোৱামণিৰ মালা আৰু ফুলবছা পথালি মেখেলা পিন্ধা। সেই ঠেক্‌-চুটি কাপোৰ ডোখৰে কোনো কালে ধাৰ খোৱা নাই বেজী-বটিয়াৰ। গতিকে, খোজেপতি লুকা-লুকি খেলা পিন্ধতীৰ সুঠাম জংঘা'ক সদায় ঢাকিবলৈ বাধ্য নহয়। পানীত খেদ্‌খেদাই আছে সৰু সৰু ল'ৰা-ছোৱালীইঁতে, সাতুৰিছে-নাদুৰিছে, এঠাইত বুৰ মাৰি বহুত দূৰত ওলাইছে। ঘাটত শাৰীপাতি এজাক ছোৱালীয়ে কাঠৰ ফলকত কাপোৰ এছাৰিছে। এখন তুলুঙা-নাৱত উঠি এটা খাম্‌প্তী ডেকাই পৰঙীজাল এখন পানীত পেলাই ভটীয়াই গৈছে, উজাই অহা মাছবোৰ ধৰিবলৈ।

মনত আনন্দ আৰু আত্মস্বস্তি লাভ কৰিলো, জানিলো, আমি নিৰাপদ দেশ পালোঁহি। তেজেৰে তুংৰলী নখ-দন্ত শোভিতা শ্যামা প্ৰকৃতিৰ ভয়ঙ্কৰী ৰাজ্য এৰি মানুহৰ সমাজত সোমালোঁহি। আচহুৱা

কানি–কাপোৰ পিন্ধা এহাল যুৱক-যুৱতী এখন ভুঁড়ত উঠি যোৱা দৃশ্যটো এই গাৱঁলীয়া মানুহবোৰৰ চকুত উভহা লাগিছিল। সিহঁত আটাইবোৰে নিজ নিজ হাতৰ কাম বন্ধ কৰি ৰ-লাগি আমালৈ চাবলৈ ধৰিলে। সিহঁতৰ এই জিজ্ঞাসু দৃষ্টি এৰাবলৈ আমি খৰ-খেদাকৈ চৰি বঠা মাৰিলো। নৈখনৰ মেচ এটা ঘূৰি এডোখৰ নিৰ্জন ঠাই পাই ভুঁড়খন পাৰত চপাই বান্ধিলো। ওচৰত বালি, দূৰত হেলনীয়া গৰা। যোৱা চৌবিশ্ ঘণ্টা শুদা পেটে আছো। লৰা-লৰিকৈ জুই একুৰা ধৰিলো, গামোছাত চিৰা বান্ধি পানীত ওলোমাই থলো। ছৈখনৰ ভিতৰৰ পৰা নয়নে এটা বাঁহৰ চুঙা আনি ফালি চাই দেখে তাত শুকান কল আছে। পকা কলবোৰ দীঘে দীঘে ফালি ৰ'দত শুকুৱাই চুঙাত বহুত দিনলৈকে থব পাৰি। মৰমী ছোৱালীহঁতে মোৰ পাথেয় স্বৰূপে পঠিওৱা এই শুকান কল পৰম তৃপ্তিৰে আমি চিৰাৰ লগত সানি খালো। তাৰ ওপৰত চাহপানী পীলোঁ।

অলপপৰ বালিত ৰ'দ লোৱাৰ পাচত ওপৰ গৰালৈ উঠি গলোঁ। দূৰত দেখিলো এটা মানুহে কুঁহিয়াৰ বাৰীত কুঁহিয়াৰ কাটিছে। ওচৰ চাপি গলত মানুহটোৱে আমালৈ চাই ৰ-লাগিল। আমি দুয়ো আগ বাঢ়ি গৈ আকাৰে-ইঙ্গিতে কুঁহিয়াৰ খুজিলোঁ। সি অনুগ্ৰহ কৰি দুডাল কুঁহিয়াৰ আমাৰ ফাললৈ দলি মাৰি দি নিজৰ কামত ব্যস্ত হল। মানুহ-জনৰ এই ইক্ষুদানত বিৰক্তি নে বদান্যতা মিহলি আছিল আমি বুজিব নোৱাৰিলোঁ; তথাপি তেওঁৰ এই দানৰ দ্বাৰা আমি উপকৃত হলোঁ। চেনিৰ অভাৱত আমাৰ শৰীৰ দুৰ্ব্বল হৈছিল; সেই অভাৱ এই কুঁহিয়াৰ দুডালে বহুতখিনি পূৰণ কৰিলে। খৰি একোছালৈ আমাৰ ভুঁড়ৰ ওচৰলৈ গৈ ভাত ৰন্ধাৰ দিহা কৰি চচ্‌পেনত চাউল, পানী আৰু তলত জুই দি বালিস্তূপ এটাত উঠিলোগৈ। বালিস্তূপটোৰ টিঙত উঠি তললৈ ভৰি মেলি নিজকে অলপ ঠেলি দিলেই চো চো কৈ নামি গৈ তলত পৰোঁগৈ। এই ধেমালি বেছ উত্তেজনাপূৰ্ণ হ'ল—আমি তাতে মগ্ন হলোঁ। কোনে কিমান খৰকৈ ওপৰলৈ উঠি তললৈ চোচোৰা খাই আহিব পাৰে সেইটোকে লৈ আমাৰ মাজত বেছ অৰিয়া-অৰি লাগিল।

এবাৰ দেখিলোঁ নয়ন ওপৰৰ পৰা তললৈ চুচৰি যাওঁতে যাওঁতে পাছে পাছে কিছুমান বগা কণী ওলাই গৈছে। নয়নে এইবোৰ কি যাদুবিদ্যা কৰিছে বুলি মই বাগৰি বাগৰি হাঁহিলোঁ। দুয়ো পৰীক্ষা কৰি বুজিলোঁ এইবোৰ দুৰাকাছৰ কণী; বালিত পাৰি থৈ কাছজনী গাওঁ ফুৰিবলৈ গ'ল। বালি খুচৰি খুচৰি প্ৰায় ছয় আঁৰামান কণী পালোঁ। ভাত সিজি যদিও চচ্‌পেনৰ তলত কিছু ধৰিছিল, দহোটামান কণী তেলত ভাজি লৈ পৰম তৃপ্তিৰে ভাত খাই উঠিলোঁ। লাম-লাকটুবোৰ সামৰি আমি আকৌ ভুঁড়ত উঠি ভটীয়াই গলোঁ। মনত বেছ ফুৰ্ত্তি; ঈশ্বৰক খাটিলোঁ—এই নৈ খন বহুত দীঘল হওঁক, যাতে আমি এইদৰে পৰম হৰিষত চিৰকাল উটি গৈ থাকিব পাৰোঁ।

পিচদিনা প্ৰায় দহমান বজাত আমাৰ ভুঁড়খন গৰা চপাই বান্ধিলো। ঠাই ডোখৰ নিৰ্জন, মুকলি, বহুত দূৰলৈকে দেখা যায়; গতিকে কোনো ভয়ৰ কাৰণ নাই যেন লাগিল। ৰাতিপুৱাৰ পৰা পানীয়ে পানীয়ে আহি ঘাঁহনিত খোজ কাঢ়ি বৰ ভাল লাগিল। নয়নক ভাত ৰান্ধিবলৈ কৈ মই ইফালে-সিফালে ফুৰা-চকা কৰিবলৈ ল'লো। চকুত পৰিল এটা লুংলুঙীয়া সৰুবাট। সেই বাটেদি যাবৰ মন গ'ল; অলপ যাওঁতেই মোৰ আগেদি এটা ম'ৰা চৰাই বাটটো পাৰ হৈ গ'ল। তবধ লাগি চাই থাকোঁতেই আৰু এটা কলাপী, আগৰটোতকৈ ডাঙৰ, আগেদি পাৰ হৈ গ'ল। পাছৰটো মতা ম'ৰা, দীঘে মূৰৰ পৰা পুচ্ছাগ্ৰলৈ চাৰি হাত মান হ'ব। আগে পাছে নেদেখা চৰাই দেখি মনৰ উলাহত আগবাঢ়ি গৈ আছো; এবাৰো নেভাবিলো, নয়নক অকলৈ নৈৰ পাৰত এৰি থৈ আহিছো। সৰু বাটটোৰ এটা পাক ঘূৰি দেখিলো, দুটা মানুহে কুঁহিয়াৰ তলিত কুঁহিয়াৰ কাটিছে। ভাবিলো কুঁহিয়াৰ এডাল নিলে নয়নে খুব ভাল পাব। এই বুলি ভাবি সিহঁতৰ ওচৰ চাপি আকাৰে-ইঙ্গিতে কুঁহিয়াৰ খুজিলোঁ। এটা মানুহে দীঘল কুঁহিয়াৰ এডাল কাটি মোৰ হাতত দি মুখেৰে কিবা কিবি কৈছে; মই কুঁহিয়াৰ ডাল ধৰিলো, কিন্তু সি খামোচ এৰি দিয়া নাই, মুখেৰে কথা কৈছে। এনেতে মনিব নোৱাৰিলো, কোন তলকত সিটো মানুহে আহি মোক পিছ ফালৰ পৰা গৰা মাৰি ধৰিলে। সিহঁতৰ দুৰভিসন্ধি বুজি হাতৰ কিলাকুটিৰে পাছৰ মানুহটোৰ বুকুত ইমান জোৰেৰে মাৰিলো যে সি মোক এৰি মাটিত চিৎ খাই পৰিলে। সেই মুহূৰ্ত্ততে আগত থকা মানুহটোৱে মোক টেঁটুত চেপামাৰি ধৰিলে। তাৰ উত্তৰত মই দুই হাতেৰে তাৰ নাকে মুখে এনেদৰে মুষ্টি-বৃষ্টি কৰিলো যে সি বাধ্য হৈ মোৰ ডিঙি এৰি দিলে। তেতিয়াই মই উলটি লৰ মাৰিবলৈ খোজ লওঁতেই মাটিত পৰি থকা মানুহটোৱে মোৰ ভৰিত লেং মাৰি দিলে;

মই হামখুৰি খাই পৰিলোঁ। সেই সুযোগতে সিহঁতে মোৰ পিঠিত উঠি মোক 'কাবু' কৰিলে। পাচত সিহঁতে এডাল ৰছিৰে মোক হাতে কঁকালে বান্ধি. মাটিৰ পৰা তুলি ৰছিত ধৰি টানি লৈ গ'ল। এটাই বান্ধি থোৱা কুঁহিয়াৰ এপোলা মোৰ কান্ধত তুলি দি মোক পিছ ফালৰ পৰা ঠেলিবলৈ ধৰিলে। মই বাধ্য হৈ কুঁহিয়াৰ পোলা কান্ধত লৈ অগ্ৰসৰ হবলৈ ধৰিলোঁ। চকুৰ পানীৰে মই বাট দেখা নাছিলো। সেই চকুৰ পানী মোৰ দুৰ্গতিৰ নিমিত্তে নহয়, মোৰ চকুৰ মণি নয়নৰ নিমিত্তে। তাইৰ গতি কি হ'ব ? তাই চাগৈ মোলৈ বাট চাই চাই নৈৰ পাৰত বহি আছে। বহুত বেলিলৈকে মোক উলটি নোযোৱা দেখি তাই চাগৈ মাটিতে বাগৰি বাগৰি কান্দিছে ; কান্দি কান্দি মাত ভাগি গৈছে, মুখ ফুলি পৰিছে। অৱশেষত সংজ্ঞাহীনা অৱস্থাত ধূলি ধূসৰিতা হৈ নৈৰ দাঁতিতে পৰি আছে। কোনে তাইক তুলি ধৰিব ? কোনে তাইৰ মুখত পানী এটোপা দিব ? সংজ্ঞালাভ কৰিলেও মোক নেদেখি পানীত জাপ দি আত্মহত্যা কৰাৰ বাহিৰে তাইৰ অন্য কি পন্থা আছে ?

সিহঁতে মোক কোন ফালেদি কিমান দূৰ আনিলে মই কব নোৱাৰিলো। যেতিয়া মনটো স্থিৰ হ'ল তেতিয়া দেখিলো মই ঘৰ এটাৰ ভিতৰত তক্তা এখনতে পৰি আছো। আধা ঘণ্টামানৰ মূৰত এটা মানুহে তিতা গামোছাৰে মোৰ চকু মুখ মোহাৰিলে আৰু বান্ধ-ছাট্ কাটি এখন পীৰাত নি বহুৱালে। অইন এটা মানুহ আহি মোৰ আগত ভাতৰ কাঁহী এখন থৈ আকাৰে-ইঙ্গিতে মোক খাবলৈ কলে। সিহঁত দুটাইও আগত একোখন কাঁহী লৈ খাবলৈ আৰম্ভ কৰিলে। মই নেখালো ; মুখেৰেও নেমাতিলোঁ। মোক চকুৰ পানীৰ ধাৰ তেতিয়াও ছিগা নাছিলে ; নয়নতৰাৰ চিন্তাত মই ব্যাকুল ; তাইৰ কি হ'ল ? তাই কি কৰিছে ? অ' মোৰ জীৱনতৰা, তই আছ ক'ত ? কি কৰিছ ? 'অ' মোৰ অনুৱ্ৰতা প্ৰাণৰ লগৰী ! সিহঁতে ভাত খাই উঠি মোক নি এখন বিছনাত থলে ; তাতে মই টোপনি গলোঁ।

বেলি পৰাৰ অলপ আগতে সাৰ পাই নয়নলৈ মনত পৰিলত আকৌ চকুপানী ওলাবলৈ ধৰিলে। উঠি দেখো, ঘৰত কোনো মানুহ নাই। পিছফালে ভুমুকিয়াই চাই দেখিলো মানুহ দুটাই বাৰীত কাম কৰি আছে। এই ছেগতে পলাই লৰ মাৰিব পাৰোঁ। কিন্তু যাম কেনি ? মোক ঘূৰাই পকাই আনিলে; নৈ খন বা কোন ফালে তাকো কব নোৱাৰোঁ; কিজানি নৈ এৰি কৰবাত ওলাওঁগৈ ? যদি অকস্মাৎ নৈ পাওঁগৈ, তাইক জানো পাম। তাই ইমান বেলি নৈৰ পাৰত থকা নাই। তাই হয়তো আত্মহত্যা কৰিছে নৈত জাপ দি, বা বাঘৰ ভয়ত ভুঁড়ত উঠি উটি গৈছে। তাই আত্মহত্যা নকৰে; তাই এলা-পেচা ছোৱালী নহয়; তাইৰ বুকু ডাঠ। মোক নেপাই নিশ্চয় হিয়া ঢাকুৰাই কান্দিছে; কিন্তু তাই বৰ জ্ঞানী ছোৱালী; মাকৰ পৰা বহুত জ্ঞান পাইছে। তাইৰ বৰ্ত্তমান দুৰ্দশা বিধিৰ লিখন বুলি মানি লব। ইতিমধ্যে তাই কিজানি বহুত দূৰ ভটীয়াই গ'ল; মই গৈ লগ পোৱাৰ কোনো সম্ভাৱনা নাই। বিচাৰি গলে বিপদত হে পৰিম; হয়তো বেজাৰতে আত্মহত্যা কৰিম। কিন্তু জীয়াই থাকিলে আকৌ তাইক পাবও পাৰোঁ; সধ্যে হেৰুৱাইছো বুলি ধৰি লওঁ। কত মানুহে আপোন জনক চিৰকাললৈকে হেৰুৱায়; তথাপিতো আত্মহত্যা নকৰে। এই স্থলত তাইক যে চিৰকাললৈ হেৰুৱালো, সেই বুলি কব নোৱাৰি। আকৌ পাব পাৰোঁ, তেনে এটা ক্ষীণ আশা মনত মাজে মাজে ভুমুকি মাৰি আছে।

মোক বন্দী কৰি ধৰি অনা মানুহ দুটাৰ অন্ন-জল খোৱাতকৈ নেখাই মৰিম বুলি প্ৰতিজ্ঞা কৰিছিলো। এতিয়া সেই প্ৰতিজ্ঞা এৰিলো; কাৰণ নেখাই মৰাতকৈ পানীত জাপ দি মৰাই ভাল; কিন্তু নমৰো। কিজানি নয়নে মোক বিচাৰি বিচাৰি এইখিনি পাইহি! তেতিয়া কি হব ? সেই আশাকে বুকুত লৈ জীয়াই থাকিম। এতেকে সিহঁতৰ অন্ন-জল খাম কিন্তু মুখেৰে একো নেমাতি বোবাৰ ভাও জুৰি থাকিম।

এই দৃঢ় সংকল্প কৰি বিছনাতে পৰি থাকিলোঁ। অলপ পৰৰ পাচত সিহঁতে যেতিয়া আহি মোক জগালে, মই উঠিলো আৰু সিহঁতে দিয়া কোমল চাউল, গাখীৰ আৰু ভীম কল খাই সুস্থ হলোঁ। তেতিয়াৰ পৰা মনৰ সকলো সন্তাপ মনতে মাৰ নিয়াই সিহঁতৰ লগতে মিলি-জুলি থাকিবলৈ ললো। কাম-কাজত সিহঁতক সহায় কৰো; যি দিয়ে তাকে খাওঁ; কিন্তু মুখেৰে নেমাতো।

এদিন সিহঁতে মোক গাওঁ ফুৰাবলৈ লৈ গল। যাওঁতে যি কেইঘৰ মানুহৰ পদূলিৰ আগেদি গৈছিলো প্ৰত্যেক ঘৰৰ মুখতে বৈ বৈ সিহঁতে গিৰিহঁতৰ লগত কথা পাতিলে। নিশ্চয় মোৰ বিষয়ে। সিহঁতৰ কথালৈ কাণ নকৰি মই কেৱল মানুহবোৰৰ ঘৰবাৰী, চলন–ফিৰণ নিৰীক্ষণ কৰিছিলো। এঘৰত দেখিলো ঘৰৰ বাৰান্দাত এটা মানুহে ঢেকী দিছে; অইন এটাই কুলাচালনী লৈ জাৰিছে চালিছে। অইন এঘৰত এটা মানুহে চোতাল সাৰিছে; অইন এঘৰত এটা মানুহে বাচন-বৰ্ত্তন ধুইছে। আৰু এঘৰত এটা মানুহে যতঁৰত মহুৰা ফুৰাইছে, আৰু সিটোৱে তাঁত বৈছে। কতো মাইকী মানুহ নেদেখি ভাবিলো— স্ত্ৰীৰাজ্য এৰি এই বেলি পুৰুষ ৰাজ্যত সোমালোহি নেকি?

আমি গৈ গৈ যি ঘৰত সোমালো, সেই ঘৰতো দুটা মানুহ আছে; এটাই কৰত বটালী লৈ কিবা কাম কৰি আছিলে। আমাক যোৱা দেখি আদৰ-সাদৰ কৰি নি আমাক এখন বেঞ্চত বহুৱালে আৰু মোৰ লগত যোৱা দুটাৰ লগত খুব কথা-বতৰা পাতিলে। কথাৰ মাজে মাজে সিহঁতে মোৰ ফালে চোৱাৰ পৰা বুজিলো, সিহঁতৰ আলোচনাৰ বিষয়-বস্তু মইয়ে। অলপ পাচতে গিৰিহঁতে আমাৰ হাতে হাতে একোগিলাচ তপত চাহ পানী দিলে। চাহ খাই উঠি তামোল, পান আৰু কৰ্পূৰেৰে মুহুদি কৰি ঘৰলৈ উলটিলোঁ। আহোতে গাওঁ খনৰ অইন এটা বাটেদি পাক মাৰি আহিলোঁ। মোৰ আন্দাজত এই গাওঁ খনত কিজানি দুশ ঘৰমান মানুহ আছে। ক'তো মহিলা মানুহ নেদেখি আচৰিত হলোঁ। প্ৰত্যেক ঘৰৰ পিছ ফালে আম, কঠাল, তামোল, পান আৰু বাঁহনি বাৰী আছে, ভড়ালৰ গাধৈত হালবোৱা সঁজুলি আছে; কিন্তু জকাই, জুলুকী,

চেপা, খোবা, জাল আদি মাছ ধৰা যতন কাৰো ঘৰত নেদেখিলো। গাওঁ ফুৰি মোৰ ধাৰণা হ'ল, এই মানুহবোৰে মাছ, মঙহ, মহিলা আৰু মদ বৰ্জন কৰি নিৰামিষীয়া আৰু কেৱলীয়া জীৱন যাপন কৰে।

স্বাস্থ্যত তুংগস্থ এই মানুহবোৰ হৃষ্ট, পুষ্ট, বলী আৰু পৰিশ্ৰমী; পুৱাৰ পৰা গধূলিলৈকে কামতে ব্যস্ত থাকে। গাখীৰ আৰু গাখীৰজাত বস্তু সিহঁতৰ দৈনিক আহাৰ্য্য। যদিও সিহঁতে মোক কাম কৰিবলৈ বাধ্য নকৰে তথাপি মোৰ নিজৰ স্বাস্থ্য ৰক্ষাৰ নিমিত্তেই সকলো শ্ৰমসাধ্য কামত মই সিহঁতক সহায় কৰোঁ। সিহঁতে সকলো বিধৰ খেতি কৰে; কাৰো ওচৰত কোনো বস্তুৰ কাৰণে হাত পাতিব নেলাগে। বাঢৈৰ কামত সিহঁত পটু; ঘৰে ঘৰে চকী, মেজ, বেঞ্চ আছে। সিহঁতৰ পিন্ধন হল গেৰুৱাকৈ বোলোৱা মেখেলা আৰু হাত খঁড়া চোলা।

গাঁৱৰ মাজত এঠাইত দেখিলোঁ, আমাৰ দেশৰ দৰে এটা ডাঙৰ ঘৰ আছে; বুকুৰ সমান ওখকৈ বেৰ দিয়া; কাঠৰ দুৱাৰত লতা-ফুল কটা। ঘৰটোৰ চাৰিওকাষে ফুলনি বাৰী নানা ৰঙৰ ফুলেৰে সুশোভিত। সপ্তাহত এদিন গধূলি তাত মানুহ গোট খাই ভজন গায়। মই যাৰ ঘৰত আছোঁ সিহঁতে মোকো তালৈ মাজে মাজে লৈ যায়। সিহঁতে কি গায় একো নুবুজোঁ; শুনি শুনি বহি থাকোঁ। পূৱা পছি-মাকৈ সজা নাম ঘৰটোৰ পূব মূৰত এহাতমান ওখ বেদী এখনৰ ওপৰত বুদ্ধদেৱৰ লেপেতা কাঢ়ি বহি থকা মূৰ্ত্তিটো আছে। সেই মূৰ্ত্তিৰ আগত ধূপ-ধুনা আৰু সৰিয়হৰ তেলৰ দহ-বাৰগছ চাকি জ্বলায়। অনিপুণ হাতেৰে কাগজত আঁকা বুদ্ধদেৱৰ চিত্ৰপট দুই চাৰিটা বেৰত ওলমি আছে। বেৰত ওলোমাই থোৱা খনচেৰেক সৰু সৰু কাগজত কিবা লিখা আছে। আখৰবোৰ দেৱনাগৰীৰ লগত কিছু মিলে। সেই দেখি মই কিছু পঢ়িব পাৰিছিলোঁ। প্ৰত্যেকখন তেনেকুৱা কাগজৰ সমুখত ক্ষন্তেক ৰৈ মই পঢ়িবলৈ চেষ্টা কৰিছিলোঁ। এখনত লিখা আছে—"সে কৰোই দীপকম্ অত্তানো"; অইন এখনত আছে—'অত্তানং উপমং কত্তা ন হনেয়া ন ঘাটয়ে'; আৰু এখনত আছে—'অক্কোধেন জিনে কোধং'। প্ৰত্যেকখন কাগজৰ সমুখত মই এক-দুই মিনিট ৰোৱা দেখি মানুহবোৰৰ

মনত সন্দেহ হৈছিল কিজানি মই পঢ়িব পাৰিছিলোঁ। তেতিয়াৰ পৰা মোলৈ যেন শ্ৰদ্ধা বাঢ়িলে, তেনেকুৱা লক্ষণ সিহঁতৰ ব্যৱহাৰত পৰিলক্ষিত হ'ল! আৰু এখন কাগজত লিখা আছে—

'তৃ * কিমি * সংকুলে
লমন্তি মুক্খা বিলমন্তি পইআঁ।'

অৰ্থ একো নুবুজিলোঁ। এনেকুৱা আৰু বহুত কাগজ আছে। সিহঁত আচৰিত হৈ মোৰ ফালে চাই থাকে কাৰণে সেইবোৰ পঢ়িবলৈ চেষ্টা নকৰি নিজৰ ঠাইত আহি বহি থাকিলোঁ। বুজিলোঁ এই গোটেই গাওঁখন এখন বৌদ্ধ সত্ৰ, আশ্ৰম বা বিহাৰ। অইন ঠাইত বৌদ্ধ ভিক্ষুবোৰে ভিক্ষাৰ জোলোঙা লৈ ঘূৰি ফুৰে। ইহঁতে কিন্তু লোকৰ ওচৰত হাত নাপাতি প্ৰভূত পৰিমাণে শ্ৰম কৰি আত্মনিৰ্ভৰশীল হৈ জীৱন যাপন কৰে। এইদৰে ইহঁত বৌদ্ধ ধৰ্মৰ এটা স্বকীয়া ব্যাখ্যা দাঙি ধৰিছে। স্ত্ৰীবিবাহ নকৰিলেই যে অলসতাক বিবাহ কৰিব লাগিব তাৰ কোনো অৰ্থ নাই। ডেকা নিৰোগী মানুহ পালে ইহঁতে কেতিয়াবা ছলে, বলে বা কৌশলে ধৰি আনি নিজৰ দল বৃদ্ধি কৰে, যাতে বৰ্ত্তমান তৰপৰ মানুহবোৰ বুঢ়া হলে সিহঁতক আলপৈছান ধৰিবলৈ অন্য এতৰপ মানুহ সাজু থাকে। মোকো সেই কাৰণেই ধৰি আনিলে। অনেকে কিন্তু স্ব-ইচ্ছাতে ইয়াত আহি যোগ দিয়ে।

স্ত্ৰীৰাজ্যৰ দৰে এই পুৰুষ ৰাজ্যতো মানুহবোৰে ঘৰমুৰি খেতি নকৰি সমূহীয়াকৈ কৰে; পাচত ঘৰেপতি থকা মানুহৰ সংখ্যা অনুযায় উপাৰ্জিত শস্য ভগাই লয়। গোটেইখন গাঁৱকে একে ঘৰ বুলি কলেও হানি নাই; মাত্ৰ কামত বিশৃঙ্খল নঘটিবলৈ আৰু একে লগে থকাৰ পৰা উদ্ভৱ হোৱা অসুকাল বোৰ এৰাই যাবলৈ, বেলেগ বেলেগ ঘৰ কৰি দুই চাৰিটাকৈ থাকে।

গাঁৱত কেইবা ঠাইতো কুঁহিয়াৰ পেৰা কাম চলিছে। মই থকা ঘৰৰ এটা মানুহে ঘৰত ৰন্ধা-বঢ়া কাম কৰে; সিটো মানুহ আৰু মই কুঁহিয়াৰ পেৰা ঠাইলৈ গৈ কামত সহায় কৰোঁগৈ। লোহাৰ শালত দীঘল বাঁহ এডাল ভৰাই ই মূৰে চাৰিটা আৰু সিমূৰে চাৰিটা মানুহে ধৰি ঘূৰাবলৈ লয়। দীঘল কুঁহিয়াৰবোৰ ধূলি মাকটি গুচাই পানীত ধুই বলিশালত ভৰাই দিয়ে। তলত পাতি থোৱা চৰিয়া এটাত ৰস বোৰ চোঁ-চোঁকৈ পৰে। জুইৰ ওপৰত এটা ডাঙৰ পাত্ৰ পাতি আধালৈকে পানীদি তলিত তামোলটো যেন চাৰিটা শিলগুটি দি তাৰ ওপৰত আৰু এটা মজলীয়া পাত্ৰ থৈ তাতে কুঁহিয়াৰৰ ৰসবোৰ ঢালে। ডাঙৰ চচ্‌পেনৰ পানী তপত হোৱাৰ লগে লগে কুঁহিয়াৰৰ ৰসবোৰো উতলিবলৈ ধৰে। খুব টানকৈ জুই দিয়ে, আৰু কাঠৰ পাগ্‌মাৰী এডালেৰে ৰসবোৰ লৰাই থাকে। কুঁহিয়াৰৰ ৰসবোৰ উতলি উতলি ক্ৰমে ডাঠ হয় কিন্তু আমাৰ দেশৰ দৰে ৰঙচুৱা নপৰে, একেবাৰে বগা হৈ থাকে। তাৰ কাৰণ হ'ল, ৰস থকা পাত্ৰটো দেই নেযায়। আমাৰ দেশত ৰস পগোৱা থালীটো খুব তপত হোৱাৰ কাৰণে ভিতৰৰ ৰস বোৰ পোৰ খায়, সেই দেখি গুৰ কলা বা ৰঙা হয়।

এইখন গাঁৱত থকা মোৰ দুমাহ হৈ গল। নয়নে মোক বিচাৰি আহিব বুলি যি ভুৱা আশা এটা লৈ আছিলো এতিয়া সেইটো ত্যাগ কৰিলো। এই গাঁৱতে জীৱনৰ বাকী অংশ কটাব লাগিব বুলি ভাবি কাম কৰোঁ বা বাটে পথে ঘূৰি ফুৰো। এদিন দেখিলোঁ, মানুহবোৰে নিজৰ ঘৰ বাৰী আঁতোৰাত বৰ তৎপৰ হৈছে; যেন নতুন ভাবনা এছাটি আহি সিহঁতৰ মনত খলক লগাইছে। সেইদিন গাঁৱৰ মানুহ-বোৰে নিজৰ কানি কাপোৰ পৰিস্কাৰকৈ ধোৱাত লাগি গৈছে। কাৰণটো যদিও নেজানো, সিহঁতকে দেখি মোৰো গা উঠিল। সিহঁতে দিয়া

গামোছা এডোখৰ পিন্ধি মোৰ একেযোৰ কাপোৰ-পিৰাণ আৰু পায়জামা চাবোনেৰে ধুই চকৃচকীয়া কৰি ৰ'দত মেলি দিলোঁ।

ঘৰৰ মানুহ দুটাই ওপৰত ওলোমাই থোৱা টোপোলা এটা মেলি তাৰ পৰা গেৰুৱা ৰঙৰ দীঘল চোলা দুটা উলিয়াই জাৰি-জোকাৰি ৰ'দত দিছে। ওলাই দেখিলোঁ, প্ৰত্যেক ঘৰতে সেইদৰে গেৰুৱা ৰঙৰ দীঘল চোলাবোৰ ৰ'দত দিছে। গধূলি যেতিয়া আলিবাটলৈ ওলালো, তেতিয়া দেখিলো জোনটো পূৰঠ হৈছে। অলপতে পূৰ্ণিমা হ'ব। তেতিয়া মোৰ মনতে গাজিলে, মানুহবোৰে বুদ্ধ পূৰ্ণিমা পাতিবলৈ সাজু হৈছে।

ৰাধে পূৰ্ণিমাৰ পবিত্ৰ দিনটো যেতিয়া পূবেদি উদয় হ'ল তেতিয়া গোটেই গাঁওখনত খদম্ দম্ লাগিল। খুব সোনকালে শুই উঠি গাঁৱৰ মানুহবোৰে, গৰু খিৰাই, গোহালি অতাঁই, মাহ হালধি সানি গৰুবোৰক নোৱালে আমাৰ তাত ব'হাগৰ বিহুত কৰাদি। তাৰ পাচত নিজৰ গাতো মাহ-হালধি সানি গা ধুলে, মইও ধুলোঁ। বোধ কৰো, অসমৰ বহাগ-বিহু পৰ্ব্বটোৰ মূল এই ৰাধে-পূৰ্ণিমা উৎসব, যুগৰ পৰাই চলি আহিছে; বৌদ্ধধৰ্মৰ সাঁচ যে আমাৰ গুৰু—সেৱা মন্ত্ৰত পৰিছে তাক কোনেও নুই নকৰে।

সেই দিনটো আছিল অবৰ্ণনীয়। গা ধুই উঠি বহিলোঁ খাবলৈ, ভাত নহয়; কোমল চাউল, দৈ গাখীৰ আৰু বগা গুৰ। দিনৰ বাৰ মান বজাত কোনোবাই নাম-ঘৰত ডবা কোবালে। ডবাৰ হুঙ্কাৰ শুনি গোটেইখন গাঁৱৰ মানুহ গেৰুৱা বসন পিন্ধি বাহিৰলৈ ওলাই নাম-ঘৰৰ ফালে খোজ ললে, মইও গলোঁ গেৰুৱা বসনাবৃত সিহঁতৰ মাজত কলপতীয়া ৰঙৰ সাজটো পিন্ধি মই জাকত জিলিকা হৈছিলো।

নাম ঘৰত সোমাই পাৰি থোৱা কঠ চাৰিত আমি শাৰী পাতি বহিলোঁ। নাম ঘৰৰ সিমূৰে থকা বুদ্ধ মূৰ্ত্তিটো ফুলৰ মালাৰে সজাই থৈছিলে। উপস্থিত সকলৰ মাজৰ পৰা দহজন মানুহ আগ বাঢ়ি গৈ বহি খোল তাললৈ ভজন গাবলৈ আৰম্ভ কৰিলে; আনবোৰে কাণ পাতি শুনি থাকিলে। মূৰ্ত্তিৰ আগত জ্বলোৱা দহোটা মিঠা তেলৰ চাকি আৰু

অনেক ধূপ কাঠিৰ পৰা ওলোৱা সৌৰভে বাদ্য বৃন্দৰ মধুৰ ধ্বনি আৰু ভজনৰ লেনীয়া সুৰৰ লগত মিহলি হৈ এক অপূৰ্ব মোহ-কলিল ৰচনা কৰিছিলে যাৰ আৱেশত আমি ভালেখিনিপৰ লুপ্তসংজ্ঞা হৈ মজি আছিলো।

ভজন শেষ হ'লত আমি আটাইয়ে মূৰ্ত্তিৰ ফালে মূৰ দোৱাই সেৱা কৰিলোঁ। কোনোবা এজনে মন্ত্ৰ পঢ়ি আশীৰ্বাদ দিলে অনুষ্ঠান শেষ হোৱাৰ সংকেত স্বৰূপে ডবাত কোব পৰিল, সভা ভঙ্গ হ'ল। দিহা-দিহি মানুহবোৰ গুচি গ'ল। কিন্তু মাহ-প্ৰসাদ বা নিৰ্মালি একো নাই। ঘৰলৈ গৈ তিনিমান বজাত কেচা পিঠাগুৰিৰ জলপান একোটা গাইপতি খালোঁহক।

গধূলি হোৱাৰ লগে লগে আকৌ নামঘৰত ডবা বাজি উঠিল। আমি যেতিয়া গৈ নামঘৰ পালোঁ তেতিয়া গেৰুৱা বসন ভূষিত গাঁৱলীয়া মানুহেৰে চোতাল ভৰি পৰিছে। অৱস্থা দেখি বুজিলোঁ, আজিৰ উৎসৱত যোগ দিবলৈ আমাৰ মানুহে কোনোবা বিশিষ্ট জনক আমন্ত্ৰণ কৰিছে; সেইহে, তেওঁৰ আগমন প্ৰতীক্ষা কৰি বৈ আছে। অলপতে, কিবা এটা সংকেত পাই মানুহবোৰ চঞ্চল হৈ পৰিল আৰু নামঘৰলৈ সোমোৱা বাটটোৰ দুই কাষে বেহু পাতি থিয় হল; দুই চাৰিজনৰ মুখৰ পৰা 'বাপু' 'বাপু' শব্দ শুনিবলৈ পালো। এদল মানুহ আমাৰ কালে আহিছে। আগত আহিছে এজন সম্ভ্ৰান্ত ভদ্ৰলোক, ডাঢ়ি-মূৰ খুৰোৱা, গেৰুৱা সাজ পিন্ধা; চকুত ক'লা বাও বন্ধা চশ্‌মা, দেখাত ধুনীয়া পুৰুষ, ৰং কলা মুগীয়া। সকলোৱে হাত যোৰ কৰি বিনীত ভাবে স্বাগত কৰিলে আৰু সসম্ভ্ৰমে ত্ৰিঙ্গিত মালা পিন্ধালে; সেই মুহূৰ্তত নাম ঘৰত ডবা, কাঁহ, শঙ্খ নিনাদি উঠিছিল। অভ্যাথিতজনে ভৰিৰ জোতা সোলোকাই মূৰ দোৱাঁই নামঘৰত প্ৰবেশ কৰিলে, আৰু নিৰ্দিষ্ট আসনত বহিল। সকলোৱে নামঘৰ সোমাই পাৰি থোৱা ঢাৰি কঠত বহাৰ পাচত, এজন মুখিয়াল মানুহে কিবা কলে, আৰু সকলোৱে হাত চাপৰি মাৰি তেওঁক সমৰ্থন কৰিলে। অতিথিজনে ভাষণ দিয়াৰ পাচত আমাৰ মাজৰে পৰা এজন আগ বাঢ়ি গৈ এখন

ঠগীৰ ওপৰত পুথি থৈ পঢ়িবলৈ ধৰিলে। এবাৰ 'ত্রিপিটক' শব্দটো শুনিলো ; তাত বাজে একো নুবুজিলো। পঢ়োঁতা জনে কথাবোৰ ব্যাখ্যা কৰি মানুহবোৰক ভালকৈ বুজাই দিছিল।

এঘণ্টামান এই কাৰ্যক্ৰম চলাৰ পাচত পাঠকে পুথি সামৰি "বুদ্ধং শৰণং গচ্ছামি" বুলি লগাই দিলত আন সকলে দোহাৰিলে। তাৰ পাচত 'সংঘং শৰণং গচ্ছামি' আৰু 'ধৰ্মং শৰণং গচ্ছামি" বুলি পাঠকে লগাই দিলে। তাৰ পাচত অভ্যথিত জনে থিয় হৈ এক দীঘল বক্তৃতা আৰম্ভ কৰিলে। তেওঁ বোধকৰোঁ বৰ্মী ভাষাতে কৈছিলে ; মোৰ বাহিৰে সকলোৱে বুজি সোৱাদ পাইছিলে আৰু অনুপ্রাণিত হৈছিল যে, সেইটো ঘনে ঘনে উঠা চাপৰিৰ জাউৰিৰ পৰা ধৰিব পাৰিছিলোঁ। বক্তৃতা শেষ হোৱাৰ পাচত সমজুৱাৰ ফালৰ পৰা জন চেৰেকে শলাগণি শৰাই আগবঢ়াই দুই-চাৰি আষাৰ কলে। সেই শলাগণি শৰাইত যোৰ চেৰেক গেৰুৱা পোছাক উপহাৰ দিছিল। সভা ভঙ্গ হ'ল ; মানুহবোৰ ওলাই গৈ আগৰদৰে বাটৰ দুই কাষে শাৰী পাতি থিয় হ'ল। এটা শাৰীৰ সুদূৰ মূৰত ময়ো থিয় হলোঁ। বাপুৱে নামঘৰৰপৰা ওলাই আহি দুই হাত যোৰ কৰি দুয়োফালে মাজে মাজে একোটা নমস্কাৰ কৰি আগবাঢ়ি যেতিয়া মোৰ ওচৰ পালেহি, তেওঁ থমক খাই ৰ'ল মোৰ অসংগত সেউজীয়া সাজটোৱেই বোধ কৰোঁ তাৰ কাৰণ। তেওঁৰ স্থিৰ কটাক্ষত পৰি মই বিমূঢ় হলোঁ। হঠাৎ তেওঁ শুধি পেলালে, "ভাৰত কা আদ্‌মি মালুম হোতাহে" ; মইও হিন্দীতে উত্তৰ দিলোঁ—"হাঁজী, আপ্ ঠিক হি মালুম কিয়ে হেঁ"। মোৰ মুখৰ পৰা মাত ওলোৱা, শুনি মানুহবোৰ 'আচৰিত' হ'ল। সিহঁতে ভাবি থৈছিলে মই মূক ; কিন্তু বাপুৰ ইমান মহিমা যে তেওঁ একাষাৰ কথা কৈ মোক বাচাল কৰি পেলালে। বাপুৰ এই অলৌকিক শক্তি দেখি সিহঁত স্তম্ভিত হ'ল। তাৰ পাচত বাপুৱে শুধিলে—"Are you a Bengalee ?'' মই উত্তৰ দিলো, "No Sir, I am an Assamese, "তেওঁ শুধিলে, "আসামেৰ কোন জায়গায় বাড়ী ?" মই কলো "যোৰহাটে"। মানুহবোৰ আৰু আচৰিত হ'ল, কাৰণ তেওঁ যি ভাষাতে

সোধে মইও সেই ভাষাতে উত্তৰ দিওঁ। তাৰ পাচত বাপুৱে যেতিয়া সুধিলে, "যোৰহাটৰ কোনখিনিত ?"—মইও আচৰিত নহৈ নোৱাৰিলোঁ; চমুকৈ উত্তৰ দিলোঁ, "তৰাজানত"

বাপুজী নিশা থাকিবলৈ গাওঁখনৰ এমূৰে এটা ঘৰ উদ্দিষ্ট আছিল। দহ-বাৰজন মানুহে বাপুক লৈ গ'ল সেই ঘৰলৈ। মই লগতে গলোঁ। বঙলা ভাষাত কথা পাতি যাওঁতে মোৰ অশেষ দুৰ্গতিৰ কথাবোৰ কৈ গলোঁ। যেতিয়া আমি গৈ তেওঁৰ বহা-ঘৰ পালোঁ, তেওঁ মোক বিদায় দিলে এষাৰ কথা কৈ—Let me see what I can do for you." এই কথা আষাৰকে মোৰ জীৱনৰ সম্বল বুলি লৈ ঘৰত গৈ শুই থাকিলোঁ। কিন্তু টোপনি অহাৰ আগতে বহুত পৰ ভাবিও ওৰ নেপালোঁ—এই আচৰিত বহুভাষী মানুহজন কোন দেশৰ হব পাৰে!

## ২৮

পাচ দিনা ৰাতি পুৱা আমি চাহ জলপান খাই উঠাৰ অলপ পাচতে সেই গাঁৱৰে চিনাকী দুজন মানুহ আহি উপস্থিত ; বাপুজীয়ে পঠাইছে, আমাৰ ঘৰৰ গিৰিহঁত দুটাক বাপুৰ ওচৰলৈ লৈ যাবলৈ। দুঘণ্টামানৰ মূৰত সিহঁত উলটি আহিলে, মুখেৰে ভোৰ্-ভোৰাই। আহিয়েই পোনেই মোলৈ চাই বাং-বিং কিছুমান গালে ; সিহঁতৰ ছুটা-মুটা কথাবোৰ শুনি আৰু চকুৰ টেলেকা-টেলেকী কটাক্ষ দেখি মোৰ পেটত ভয় সোমালে, কিজানি কি কৰে ! আগ নিশা বাপুজীৰ লগত কথা পতাৰ পৰা সিহঁতে মোক নমতা হল, জানিলে মই ভাও বুৰিহে তিনি মাহ নমতাকৈ আছিলো। অলপ পৰ সিহঁতৰ মাজতে কথা পাতি পাচত মোক টানি নি নঙলাৰ বাহিৰ কৰি গতিয়াই দি ক'লে "বাপু. বাপু"। মই উৎফুল্ল মনেৰে বাপুৰ বহা-ঘৰলৈ বেগ দিলোঁ।

বাপু বহি আছিল এখন চকীত ; মোক দেখি হাঁহি এটা মাৰি "এস, এস" বুলি ওচৰতে থকা বেঞ্চ এখনত বহিবলৈ ইঙ্গিত দিলে। তেওঁ কলে, যে মোৰ মুক্তি সাধিবলৈ সেই মানুহ দুটাক বহুত কথা কব লগাত পৰিছিল ; আৰু উপস্থিত গাঁৱলীয়া মানুহবোৰেও তেওঁক সমৰ্থন কৰি মোক এৰি দিবলৈ সিহঁতক টানি কলে। এটা বোবা নিৰপৰাধী মানুহক ধৰি আনি বন্দী কৰি ৰখাৰ কাৰণে সিহঁতক সকলোৱে নিন্দা কৰিলে।

ইয়াতকৈ আৰু সুখৰ বাতৰি কি হব পাৰে ? বাপুজীৰ প্ৰতি কৃতজ্ঞতাৰে মোৰ মন উপচি পৰিলে আৰু ভক্তিত মূৰ দোঁ খাই গ'ল, মই তেওঁৰ চৰণ স্পৰ্শ কৰিলোঁ। তেওঁ মোক তুলি ধৰি কলে, "ওঠ. ওঠ"। উঠি বহি মই কৃতজ্ঞতাত গদ-গদ হৈ চকুৰ পানী টুকিলো ; সেই চকুৰ পানী এবাৰ মছিলে আকৌ ওলায়। বাপুৱে কলে দিনৰ বাৰ বজাত তেওঁ এই গাওঁ এৰি ভটীয়াই যাব ; মোকো তৈয়াৰ হবলৈ কলে, আৰু সুধিলে কিবা খালো নে নাই। মই খালো বুলি কলো। তেওঁ গা

ধুবলৈ ভিতৰ সোমালো। মই বহিবহি ভাবি থাকিলো, এই মানুহজন মোৰ নিচিনা এটা ক্ষুদ্ৰ অচিনাকী মানুহলৈ ইমান হিতৈষী কেনেকৈ হব পাৰে ? খোৱা-কামোৰা সংগ্ৰামেৰে জৰ্জৰিত এই পৃথিৱীত যে এনেকুৱা একোজন সুপুৰুষ এতিয়াও আছে যি ধন-ঐশ্বৰ্য্য আৰু স্ত্ৰী-পুত্ৰৰ স্পৃহা ত্যাগ কৰি, কেৱল "পৰোপকাৰায় হি সতাং জীবনং" মন্ত্ৰ সাৰোগত কৰি পৃথিৱীত বিচৰণ কৰি ফুৰিছে ; এইটো অষ্টম আশ্চৰ্য্য নহয়নে ?

ঠিক বাৰবজাত 'চাউল ধৰা' শেষ কৰি বাপুজী ওলাই আহিল। তেওঁৰ লগুৱা দুটাই বস্তু-বাহানি গোটাই টালি-টোপোলা বান্ধি যাবলৈ প্ৰস্তুত হ'ল। গাৱঁৰ পৰা কেইবাজনো মানুহে ভোজনীৰ সম্ভাৰ লৈ বাপুৰ ওচৰত সেৱা জনাইছে। কুৰিজন মান মানুহৰ দল এটাৰে সৈতে আমি নৈ-পাৰলৈ গ'লো, তাত এখন ডাঙৰ ছৈ দিয়া নাও বন্ধা আছে। বাপু নাৱত উঠিলে. মোকো কলে উঠিবলৈ ; মই উঠিলো ; নাওখনৰ তিনি ভাগৰ প্ৰায় এভাগ ঠাই মানুহে দিয়া ৰছদ্-পাতিৰে ভৰিলে। বাপুৱে পাৰত থকা ৰাইজলৈ দুহাত যোৰ কৰি বিদায়-সেৱা জনালতে গোটেইখিনি মানুহে গিৰ্জনি মাৰি মঙ্গল-ধ্বনি কৰিলে আৰু হাত বাউল দি আমাক বিদায় দিলে। আগে পাছে থকা দুটা নাৱৰীয়াই ভটীয়নী পানীত নাওখন নৈৰ মাজলৈ ঠেলি দিলে।

সঁচাকৈয়ে মই আকৌ সেই একেখন নৈয়েদি ভটীয়াই গলোঁ, যিটো ঘটিব বুলি আশা কৰা নাছিলোঁ। নৈখন দেখিয়েই মোৰ নয়নলৈ মনত পৰিল ; কিন্তু তাইৰ একো চিন-চাব দেখিবলৈ নাপালোঁ। শোকে যদিও খুন্দা মাৰি ধৰিছিল, তথাপি অতবোৰ মানুহৰ মাজত এটা বিসদ্ দৃশ্য সৃষ্টি কৰাটো দমাই ৰাখিলোঁ। নাৱত উঠি মই তাইৰ কথাকে ভাবি গলোঁ। নয়ন জীয়াই আছেনে ? অসম্ভৱ ; উটি গৈ গৈ তাই চাগৈ নীল সাগৰত মিলি গ'ল ! অ' মোৰ নয়নতৰা, এইদৰেই তই সাগৰত মাৰ গলি। কিহে পাইছিল তোক আহিবলৈ এই অভাগাৰ লগত ?

আধাঘণ্টামানৰ পাচত, মোৰ মনৰ দুশ্চিন্তা দূৰ কৰিবলৈকে হওক, বা নিজৰ কৌতুহল সন্তুষ্ট কৰিবলৈকে হওক, বাপুজীয়ে মোৰ ফালে চাই

কলে—“এখন তোমাৰ সমস্ত ইতিহাস বল ত”। তেওঁৰ উদাৰ মনৰ পৰা ওলোৱা এই সহানুভূতিপূর্ণ কথাষাৰ শুনি বেজাৰত ডুবি থকা মোৰ মনটো পাতল হৈ ওপৰলৈ ওপঙিলে আৰু অন্তৰ উবুৰিয়াই সকলো কথা যেন তেওঁক কৈ দিম এনেকুৱা লাগিল। মই যে পিতৃ-মাতৃহীন এটা নিঠৰুৱা লৰা সেইটো তেওঁক বুজাই কলো; এমেৰিকেন পাইলট্ জনৰ সহায়ত মই কেনেকৈ ‘মিকেনিক’ৰ কাম শিকিলোঁ, কেনেকৈ সেই পাইলটৰ লগত আহি বিমান ভাগি কলিতাৰাজ্যত পৰি মৰাৰ পৰা জীলোঁ আদি সকলো কথা তেওঁক কলোঁ। আৰু কলোঁ কেনেকৈ নয়নতৰাই ঘৰৰ পৰা পলাই আহি মোক বাটত লগ ধৰি মোৰ লগত গুচি আহিল আৰু চন্দ্ৰ-সূৰ্য্যক সাক্ষী কৰি নদীৰ বুকুত মোক বিয়া কাৰলেহি। অৱশেষত কলোঁ কেনেকৈ মই কুঁহিয়াৰ বিচাৰি যাওঁতে সেই নিষ্ঠুৰ মানুহ দুটাই মোক বন্দী কৰি তিনিমাহ কাল ৰাখিলে।

কথাবোৰ শুনি তেওঁ আমনি পোৱা যেন নেদেখিলোঁ; বৰং মোক উৎসাহ দি কলে—

“দেখ গৌৰী, তোমাৰ এই ঘটনাবহুল জীবনেৰ একটা কাহিনী লিখিয়া ৰাখ। সময়ে সেই কাহিনী সাহিত্যেৰ আদৰ পাইবে।”

মই কলোঁ, “নভেল লিখি সাহিত্যিকৰ চোলা পিন্ধিবলৈ মোৰ হাবিয়াস নাই; দেশত সাহিত্য কুলাই-পাচিয়ে নধৰা হৈছে।” পেটতে ভাবিলোঁ ‘মোৰ জীৱনৰ সৰ্ব্বশক্তি উৎসর্গা কৰিম মোৰ প্ৰাণৰ প্ৰতিমা, মোৰ জীৱনৰ ধন, মোৰ চেনেহৰ লগৰী নয়নতৰাক উদ্ধাৰ কৰিবলৈ—যদি জীয়াই আছে। যদি নাই, তেনেহলে মোৰ গন্তব্য পথ সুনিশ্চিত— সন্যাসী হৈ হিমালয় পৰ্ব্বতলৈ গুচি যাম।

মই ভাবি থকাখিনি সময় বাপুৱে নিতাল মাৰি থাকি পাচত যি কলে তাৰ মৰ্ম হল, “গৌৰী, তুমি সাহিত্যৰ ওপৰত যি নিন্দাসূচক মন্তব্য কৰিলা শুনি মই বেয়া পালোঁ, তুমি সাহিত্যৰ মহিমা নাজানা। অন্ন আৰু বস্ত্ৰ, এই দুটা বস্তুৰ পাছতে আমাক লাগে সাহিত্য। সাহিত্যই সভ্যতাৰ মূল; সাহিত্যলৈ পিঠি দি মানুহ পশু-তুল্য হয়। সাহিত্য আৰু সঙ্গীতেহে মানুহক পশুৰ পৰা আঁতৰাই ৰাখিছে। সাহিত্যৰ ঠাই

ধৰ্ম্মৰো ওপৰত, ধৰ্ম্মই পৃথিৱীৰ মানুহক খণ্ড খণ্ড কৰিছে ; সাহিত্যই এক কৰিছে। পৃথিৱীৰ সকলো মানুহকে মই এটা ধৰ্ম্মত দীক্ষিত হবলৈ আহ্বান কৰোঁ — সেই ধৰ্ম্ম হৈছে 'সাহিত্যানুৰাগ'।" এনেতে নৈ খনৰ দুই পাৰে থকা হলো বান্দৰবোৰে 'হ'ল-উ' 'হ'ল-উ' বুলি ইমান চিঞৰিবলৈ ধৰিলে যে বাপুজীয়েও বোধ কৰোঁ ভাবিলে যে যথেষ্ট কোৱা হ'ল. আৰু দৰ্কাৰ নাই।

বান্দৰবোৰ নিতাল মাৰিলত মই আকৌ সুধিলোঁ,—"সকলো ধৰ্ম্মই মানব জাতিক খণ্ড খণ্ড কৰেনে ?" তেওঁ কলে—"নকৰে ; যিটো চিৰন্তন মানবীয় ধৰ্ম্ম সি মানুহক ভাগ ভাগ নকৰে ; বৰং এক কৰে সেই ধৰ্ম্ম সাহিত্যৰ ওপৰত প্ৰতিষ্ঠিত। মই উদাহৰণ বিচাৰিলত তেওঁ কলে—"ভাৰতবৰ্ষৰ যি সনাতন ধৰ্ম্ম তাক ধৰি আছে চাৰিটা বিৰাট সাহিত্যস্তম্ভই ; সেই স্তম্ভ কেইটা হৈছে শ্ৰীমদ্ ভাগৱত শাস্ত্ৰ, শ্ৰীমদ্ ভাগবত গীতা, ৰামায়ণ আৰু মহাভাৰত। এই শাস্ত্ৰ চাৰিখন নিলিখা হলে আজি হিন্দু বুলিবলৈ এটাও প্ৰাণী নাথাকিলেহেঁতেন।"

## ২৯

প্ৰথম দিনা বেলি পৰাৰ অলপ আগতে বালি চাপৰি এটাত আমাৰ নাওখন চপালে। নাৱৰীয়া দুটাই খোলা চিকোনাই জুই ধৰিলে আৰু চাহ খাবলৈ আমাক উতলা পানী যোগালে। সেই পানীৰে বাপুজীয়ে নিজৰ কেট্‌লিত চাহ কৰি মোক দিলে, নিজেও খালে। নাৱৰীয়া দুটাই ভাতৰন্ধা কাম আৰম্ভ কৰি দিলে। সন্ধ্যা ভগাৰ পাচত এটা 'ডিট্‌জ্‌লেম্প'ৰ পোহৰত আমি দুয়ো খাবলৈ ৰহিলোঁ। খাই বৈ নাৱত উঠি শুই থাকিলোঁ। লগুৱা অৰ্থাৎ নাৱৰীয়া দুটাই খাই উঠি পাল পাতি এটা শুই এটা সাৰে থাকি ৰাতিটো কটালে।

পাচদিনা ৰাতিপুৱাতে প্ৰাতঃকৃত্য শেষ কৰি বাপুজী প্ৰাতৰাশৰ আয়োজনত ব্যস্ত হৈ পৰিল। বাপুজীয়ে তেওঁৰ পেটাৰীটোৰ পৰা ঘন-গাখীৰৰ টিন এটা মেলি চাহ কৰিলে; ক্ৰীম-ক্ৰেকৰ বিস্কুটেৰে দুয়ো চাহ খালোঁ। নাৱৰীয়া দুটাই চাহপানীৰ লগত শুকান চিৰা চোবোৱা দেখিছিলোঁ।

আঠ বজাত আমাৰ নাও মেলি দিলে। দেড় ঘণ্টামান ভটীয়াই আমি এখন গাওঁ পালোঁহি। আহল-বহল ঘাটেদি মানুহ উঠা-নমা কৰিছে; মহিলাসকলে শাৰীপাতি পানী যুঁৱলিত কাপোৰ এছাৰিছে। কিছুমানে কাষত কলহ লৈ গৰা বগাইছে। বাপুৱে নাওখন চপাবলৈ কলে আৰু নাৱৰীয়া দুটাক ওপৰৰ গাৱঁলৈ পঠিয়াই দিলে কাৰোবাক মাতি আনিবলৈ, এই গাৱঁত হেনো তেওঁৰ চিনাকী মানুহ আছে। সিহঁতক পঠিয়াই বাপুৱে অসমীয়া সমাজ, সাহিত্য, ৰীতি-নীতি, গীত-উৎসৱ ইত্যাদি সম্বন্ধে বহুত তথ্য মোৰ পৰা আহৰণ কৰিলে।

এঘণ্টামানৰ পাচত তিনিজন পৰিষ্কাৰ কানি-কাপোৰ পিন্ধা ভদ্ৰলোকক লৈ নাৱৰীয়া কেইটা উলটি আহিল। আগৰে পৰা চিনাকী মানুহৰ দৰে তেওঁলোকৰ লগত বাপুৰ আদৰ-সম্ভাষণ বিনিময় হল। কুৰি মিনিটমান কথা-বতৰা হোৱাৰ পাচত বাপু আৰু মই বামলৈ উঠিলোঁ; বাপুজীৰ চুট্‌কেচ্‌টো এজন মানুহে ললে আৰু বাকী বিছনা-পত্ৰ এটা নাৱৰীয়াই লৈ আমাৰ পাছে পাছে আহিল। ভদ্ৰলোক কেইজনৰ এৰাব নোৱাৰা অনুৰোধত আমি আজি তেওঁলোকৰ আলহী হব লগা হ'ল। অঁকোৱা-পকোৱা বাটেদি গাওঁৰ মাজেদি গৈ গৈ এটা ডাঙৰ টিংপাতেৰে ছোৱা ঘৰ দেখিলোঁ। ঘৰৰ মুকলি অংশত পাৰি থোৱা দুখন মাচিয়াত আমি বহিলোঁ. লগত অনা বিছনা-পত্ৰবোৰ নাৱৰীয়াটোৱে লগতে লাগি থকা এটা সৰু কোঠালিত সুমাই থৈ উলটি গ'ল। ভিতৰৰ পৰা এটা মানুহ আহি চোতালত এখন তামুলী পিৰা পাৰি গামোছা আৰু আচমনীয় থৈ গ'ল। আমি হাত মুখ ধুই আকৌ নিজ নিজ আসনত বহিলত এজনী বৰ্মীকৈ নাক-চেপেটী ছোৱালী আহি আমাৰ আগত থকা মেজ খনতে দুকপ্‌ চাহ পানী থৈ, মিচিকীয়া হাঁহি এটা মাৰি আমাক চকুৰেই যেন আতিথ্য গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। বাপুৱে ধন্যবাদসূচক কিবা এষাৰ কোৱাত তাই দুই হাতেৰে নমস্কাৰ কৰি গুচি গ'ল।

চাহ খাই থাকোঁতে মই বাপুক কলো, এই গাওঁৰ মানুহবোৰক যেন নয়নৰ কথা সুধিবলৈ নেপাহৰে। তেওঁ একো উত্তৰ নিদিলে। চাহ পানী খাই অঁতালত কেইবাযোৰাও মানুহ বাপুজীক চাবলৈ আহিছিলে। কিছুমানে তেওঁৰ লগত কথা পাতিলে; কিছুমান কেৱল দৰ্শক। মই বৰ আশা কৰিছিলো, ইহঁতৰ আগত বাপুজীয়ে নয়নৰ কথা উলিয়াব; কিন্তু তেওঁ ঘূণাক্ষৰেও সেই কথা নুলিয়ালে; মই মৰ্মান্তিক বেজাৰ পালোঁ। সেই দিনা মধ্যাহ্ন ভোজন সেই মানুহ ঘৰতে সাং কৰি আমাৰ নিৰ্দিষ্ট নিজ নিজ বিছনাত বিশ্ৰাম ললো। আবেলি তিনি মান বজাত উঠি দেখিলোঁ, বাপুজীক দেখা কৰিবলৈ আৰু কিছুমান মানুহ আহিছে। বাপুজীয়ে সিহঁতৰ লগত বৰ্মীজ ভাষাত বহুত কথা পাতিলে; মই

বাপুজীৰ মুখলৈ চাই আছো ; কিজানি জানোচা মোক দেখি সিহঁতক নয়নৰ কথা সুধিবলৈ মনত পৰে। সেই কথা শোধা হলে তাৰ প্ৰতিক্ৰিয়া মানুহবোৰৰ মুখত ধৰা পৰিলহেতেন ; কিন্তু সিহঁতৰ মুখত কোনো অস্বাভাবিক ৰেখাপাত হোৱা নেদেখি বৰ হতাশ হলোঁ। বাপুজীয়ে ক্ৰূৰ ভাৱে নয়নৰ কথা তল পেলাই থোৱা দেখি মোৰ চকু ছল্-ছলীয়া হ'ল। পাঁচমান বজাত সেই নাক-চেপেটী ছোৱালী-জনীয়ে আকৌ আমাৰ আগত কিছুমান ঘিলাপিঠা, মৌজোল আৰু চাহ পানী থলেহি। বাপুজীয়ে তাইক কিবা প্ৰশ্ন সুধি তাইৰ ৰগা গাল দুখন তেজ ৰঙা কৰি পেলালে ; তাই তৎক্ষণাৎ অন্তৰ্ধান হ'ল।

বাপুজীয়ে বোধ কৰো মোৰ গোমোঠা মুখত হাঁহি উলিয়াবলৈকে সেই অভিনয় কৰিছিল

মই কিন্তু সেইবোৰত কোনো "ইন্টৰেষ্ট" নেদেখুৱাই মনটো মাৰি মোৰ ভাগটো খাই, মুখেৰে একো নেমাতি বাৰান্দাত থিয়া-থিয়ি কৰি থাকিলোঁ। ক্ষুৰৰ ধাৰ যেন বুদ্ধিসম্পন্ন বাপুজীয়ে মোৰ মনৰ জড়তাৰ কাৰণটো যে সুবুজাকৈ আছিল এনে নহয়—তাৰ প্ৰমাণ গধূলি পালোঁ।

যি তিনিজন ভদ্ৰলোক পুৱা নাৱৰ পৰা আমাক গাৱঁলৈ আনিলে, তেওঁলোক গধূলি আহি বাপুৰ লগত বহি বহুতপৰ কথা পাতিলে। তেতিয়া কথা প্ৰসঙ্গত বাপুৱে বোধ কৰো নয়নৰ কথা তেওঁলোকৰ আগত উলিয়াইছিলে। মই মন কৰিছিলো, বাপুৰ কথা শুনি, তেওঁলোকে ইজনে-সিজনে প্ৰতীক্ষণ কৰি নিজৰ মাজতে কথা পাতিছিলে ; দেখি মোৰ বুকুখন চিৰিং কৰি গ'ল ; নিশ্চয় এই মানুহ কিজনে কিবা জানে। সিহঁতে মোলৈকো ঘনে ঘনে চাইছিলে। তাৰ পাচত বাপুৰ লগত পাঁচ মিনিট মান কথা পাতি বাপুৰ পৰা বিদায় লৈ, মোলৈকো এটা সহানুভূতিসূচক দৃষ্টি নিক্ষেপ কৰি গুচি গ'ল।

সিহঁত যোৱাৰ পাচত মই কৰুণ দৃষ্টিৰে বাপুৰ মুখলৈ চাই থাকিলোঁ। তেওঁ কলে, তুমাহঁতে কিছু আগতে নৈৰ পাৰত গৰু চৰাই ফুৰা দুটা লৰাই দেখিছিলে—কাঠৰ ভুঁড় এখনত আউলী-বাউলী চুলি মেলি উটি-গৈছে এজনী বোকদা ৰমণী। গধূলি মাক বাপেকৰ আগত কলে ; পাচদিনা

গাৱঁৰ অইন মানুহৰ কাণতো পৰিল ; কিন্তু কিবা প্ৰতিকাৰ কৰিবলৈ সময় অতীত হ'ল বুলি সেইটো কথা তল পৰিল। তাৰ বাহিৰে অইন একো নেজানে বুলি সেই মানুহ তিনিজনে কলে।

কথাখিনি শুনি এটা আশাৰ ৰেঙনিয়ে মনটো খন্তেকলৈ পোহৰ কৰিছিলে ; কিন্তু নিৰাশাই আকৌ বেঢ়ি ধৰিলে। এইটোকে বুজিলোঁ ; মোক নেপাই তাই নৈত পৰি আত্মহত্যা কৰা নাই ; কিন্তু তাৰ পাচত কি হ'ল ?

ৰাতি খাই-বৈ আমি বিছনাত আশ্ৰয় ললোঁ ; বাপুৱে ঘোট্-ঘোট্ কৈ শুলে ; মোৰ চকুত কিন্তু টোপনি নাই ; কেৱল ইকাতি-সিকাতি কৰি বিছনাত বাগৰিলো। "কান্দি কান্দি ভুঁড় এখনত নয়ন উটি গৈছে" এই ছবিটো জাপ যাব খোজা চকুৰ আগত ঘনে ঘনে ওপঙি উঠে। পুৱঁতী নিশা চেগা-চোৰোকাকৈ অলপ টোপনি আহোঁতে সমাজিকতো সেই একেটা দৃশ্য :—তাই ভুঁড় খনত উটি গৈছে হাঁহি হাঁহি মোলৈ চাই ; মই দীঘল হাঁকুটি এডাল লগাই ভুঁড়খন টানিছোহে টানিছো ; পাৰলৈ চপাব নোৱাৰোঁ।

পিচ দিনা সেইখন গাৱঁতে দিনৰ ভোজন সোনকালে সাং কৰি আমি নাৱত উঠি ভটীয়াই গলো। প্ৰায় একমান বজাত অইন এখন গাওঁ পাই, বাপুৰ ইচ্ছামতে ঘাট এটাত নাওখন বন্ধা হ'ল। তেওঁ আৰু মই গৰাৰ ওপৰলৈ উঠিলো আৰু গোটাচেৰেক মানুহক পথাৰত কাম কৰি থকা দেখি ওচৰ চাপি গলোঁ। বাপুৱে কথাৰ পাতনি নেমেলি পোনে পোনেই সুধিলে উটিযোৱা ছোৱালী এজনী দেখিছিলেনে। সিহঁতে একো নেজানে বুলি ক'লত আমি নামি আহি নাৱত উঠি আকৌ ভটীয়াই গলোঁ।

চাৰিমান বজাত আকৌ এখন গাৱঁৰ ওচৰ চাপি আমি দুইও গৰাৰ ওপৰলৈ উঠি মানুহক লগ পাই সুধিলো, সিহঁতেও একো কব নোৱাৰিলে ; হতাশ হৈ আকৌ নাৱত উঠি ভটীয়াই গলোঁ। তেতিয়া বাপুৰ ওচৰ চাপি মই কলোঁ—আপুনি মোক দাসত্বৰ পৰা মোকলাই অনাৰ কাৰণে আপোনাৰ ওচৰত আজীবনকাল কৃতজ্ঞ থাকিম। এতিয়া

আকৌ নয়নক বিচাৰি ঘনে ঘনে নৈৰ থিয় গৰা বগাই শৰীৰত কষ্ট দিব নেলাগে। আপোনাৰ কষ্ট আৰু প্ৰতিবাৰ সাধাৰণ মানহৰ ওচৰত বিমুখ হোৱা দেখি বেয়া পাইছো। তাৰ উত্তৰত তেওঁ কলে—"তোমাক যেনেকৈ কিছুমান মানুহে দাসত্ব পাশত আবদ্ধ কৰি ৰাখিছিল, তাইকো কিজানি কোনোবাই দাসী কৰি ৰাখিছে। পাৰিলে তাইৰো মুক্তি সাধন কৰোঁ; সেই দেখিহে গাৱেঁ গাৱেঁ খবৰ কৰিছো"। গধূলি হোৱাৰ আগে আগে নিৰলা চাই এডোখৰ ঠাইত নাৱৰীয়াহঁতে নাও চপালে; আমি বালিময় তটত খোজ কাঢ়ি সিৰামূৰীয়া ধৰা হাত ভৰি পোনালো; নাৱৰীয়া দুটাই খোৱাৰ আয়োজন কৰিলে।

৩০

পাচদিনা সোনকালে খাই-বৈ উঠি ন-মান বজাত নৌ-যাত্রা আৰম্ভ কৰিলোঁ। দিনৰ দুইমান বজালৈকে দুই কাষে কেৱল হাবিকেহে দেখিলোঁ। আঠৈমান বজাত এটা মেচ ঘূৰি গাৱঁৰ ওচৰ চাপিলোঁ। দেখিলোঁ নৈখনৰ দুয়োপাৰে মানুহৰ ঘন বসতি ; দুফালে দুটা ঘাটেদি মানুহ উঠিছে নামিছে ; কেইবাখনো নাৱত মানুহ ইপাৰ-সিপাৰ হৈছে। বাপুৱে কলে, "দেখ গৌৰী, তোমাৰ নয়নতৰাৰ খবৰ ইয়াতে পাব লাগে ; কাৰণ এই খন নৌ চলাচলৰ জাল ভেদ কৰি তাই যাব নোৱাৰে।"

পাৰলৈ নাও চপোৱা হল ; বাপুৱে ময়ে ওপৰলৈ উঠিলোঁ। ওপৰ গৰাত উঠি তেওঁ মানুহবোৰৰ লগত চা-চিনাকী হৈ কথা পাতিবলৈ ধৰিলে—অৱশ্যে অন্য কথা। মই ইফালে-সিফালে টহল দি মানুহবোৰৰ চলন ফুৰণ চাইছোঁ।

হঠাৎ মোৰ চকুত পৰিল, অলপ দূৰতে বান্ধিথোৱা নাওবোৰৰ মাজত এখন কাঠৰ ভুঁড় ; ওপৰত ছৈ নাই। মই বেগাবেগীকৈ সেইফালে খোজ ললোঁ ; শেহত লৰ মাৰি গৰাই দি নামি গলোঁ ; পিচ মুহূৰ্ত্ততে সেই চিনাকী ভুঁড়খনত জাপ দি "অ' মোৰ নয়ন তই কলৈ গলি" বুলি ঢাচ্ খাই পৰিলোঁ। মোৰ কাণ্ড দেখি বাপুৱে মানুহবোৰক এৰি বেগা-বেগীকৈ নামি আহি মোক তুলি ধৰিলে। খঙেৰে কলে, "কি হয়েছে ? হয়েছে কি ?"

মই কলোঁ, "এইখনেই আমাৰ ভুঁড় ; নয়ন কলৈ গ'ল ?"

তেওঁ কলে, "খুব ভাল কথা, তেনেহলে তাই জীয়াই আছে"। পাৰৰ মানুহবোৰ চাপি আহি জিজ্ঞাসু দৃষ্টিৰে আমাৰ কাণ্ড-কাৰখানা

চাই আমোদ পাইছিল। মোক এৰি বাপুৱে আগবাঢ়ি গৈ সিহঁতক ওপৰ গৰালৈ লৈ গৈ কথা পাতিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ মাজত হোৱা কথোপকথনৰ বিষয়টো মোৰ খন্তেকীয়া অভিনয়ে যোগালে ; মই ভুঁড়খনকে চাই চাই বহি থাকিলোঁ ; যেন ভুঁড়খনে মোক কব মোৰ নয়নতৰাক ক'ত পেলাই থৈ আহিল।

বাপুৱে সিহঁতৰ লগত আধাঘণ্টামান কথা পাতিলে। তেওঁলোকৰ মাজত আলাপ যিমানেই দীঘলীয়া হৈছিল সিমানেই মই আশান্বিত হৈছিলোঁ—নিশ্চয় কিবা শুং-সূত্ৰ ওলাইছে এই ভাবি। যেতিয়া মানুহবোৰ দিহাদিহি গ'ল, তেতিয়া মই ভুঁড়ৰ পৰা উঠি আহি বাপুক লগ ধৰি নাৱলৈ গলোঁ। বাপুৱে অলপ ধন দি নাৱৰীয়া দুটাক গাৱঁৰ মাজত বহা বজাৰলৈ পঠিয়ালে। গাওঁখন যথেষ্ট ডাঙৰ ; নাম 'কলেৱা'। গাওঁখনত দৈনিক ডাঙৰ হাট-বজাৰ বহে। নাৱৰীয়াহঁত বজাৰলৈ যোৱাৰ পাচত বাপুজীয়ে নয়নৰ কি সন্ধান পালে মোক কবলৈ ধৰিলে—এই নৈখনৰ আগলি ভাগত অপেশ্বৰী বিলাকৰ এখন দেশ আছে ; তালৈ পুৰুষ মানুহ যোৱা নিষিদ্ধ। যদিচাৎ কোনো পুৰুষে লুকাই-চুৰকৈ তালৈ যায় আৰু থাকেগৈ, অপ্সৰীবোৰে তেনেলোকক মন্ত্ৰৰ বলেৰে স্ত্ৰীলৈ পৰিবৰ্ত্তন কৰি পেলায় ; তেতিয়া সি অৰণ্যে থাকিব পাৰে। যদি কোনো অপেশ্বৰীয়ে পুৰুষৰ লগত অবৈধ সম্বন্ধ স্থাপন কৰা ধৰা পৰে, তেনে অপ্সৰীক ভুঁড় এখনত তুলি নৈত উটাই দিয়ে। প্ৰায় তিনিমাহৰ আগতে তেনে এজনী অপ্সৰী সেই ভুঁড়খনতে উঠি কান্দি কান্দি উটি আহিছিল ; এনেতে সিপাৰৰ পৰা মুঙ্কুক্ফা গোহাঁই হাঁহ চিকাৰ কৰি উলটি পাৰ হৈ আহোঁতে মাজসোঁতেতে উটি অহা অপ্সৰীজনীক পাই ভুঁড়েসৈতে লৈ আহে। সেই অপেশ্বৰী এতিয়া গোহাঁইৰ ঘৰতে আছে। তেওঁৰ তিনিজনা পত্নী বা কুৱঁৰী আছে। আৰু পোন্ধৰ দিনৰ পাচত অপেশ্বৰীজনীকো বিধিমতে বিয়া কৰিব। সেই বিয়াখন আগতেই হলহেঁতেন যদিহে তেওঁৰ পিতৃ শয্যাগত হৈ নেথাকিলহেঁতেন। চৈধ্য দিনৰ আগতে তেওঁ পৰলোক প্ৰাপ্ত হল ; আৰু পোন্ধৰ দিন গলেহে বিয়াখন পাতিব পাৰিব।'

মানুহবোৰৰ পৰা পোৱা এইখিনি বাৰ্ত্তা বাপুৱে মোক জানিবলৈ দি কলে, "দেখা গেল, তোমাৰ নয়নতাৰা এখনও জীবিত ; এক সম্ভ্ৰান্ত পৰিবাৰভুক্ত হইয়া সুখে আছে।"

মই কলোঁ, "তাই জীয়াই আছে আৰু এক আঢ্যৱন্ত মানুহৰ ঘৰত আশ্ৰয় পাইছে বুলি শুনি অতিশয় সুখী হলোঁ আৰু মোৰ মনৰ পৰা সকলো চিন্তা দূৰ হ'ল আৰু এটা ডাঙৰ বোজাও গ'ল। মই তাইক পলুৱাই অনা নাছিলোঁ ; আৰু তেনে বুজাবুজি আমাৰ মাজত নাছিল। তাই স্বইচ্ছাই ঘৰৰ পৰা লুকাই চুৰকৈ পলাই আহি মোক বাটত লগ ধৰিলেহি। মই তাইক অনেক বুজাইও ঘৰলৈ ওভোটাই পঠাব নোৱাৰিলোঁ ; তাই বলপূৰ্ব্বক মোৰ ভুঁড়ত উঠি আহিলে। মই কেনেকৈ তাইক হাবিৰ মাজত বা পানীত পেলাই থৈ আহিম ? তাই নিজৰ দশা নিজে গঢ়ি তাৰ ফল ভোগ কৰিছে। তাই সুখে থাকক তাকে বিচাৰোঁ। এতিয়া মই য'লৈকে ত'লৈকে যাব পাৰোঁ। আপুনি আশ্ৰয় দিলে আপোনাৰ পৰিচৰ্য্যা কৰি থাকিম।"

কিছুপৰ টলকা মাৰি থাকি বাপুজীয়ে কলে—'গৌৰী তোমাক মই এতিয়াও ভালকৈ চিনি পোৱা নাই। যাৰ বিৰহত তুমি ইমান দিনে কন্দা-কটা কৰি ফুৰিছিলা, নেখাই-নবৈ শুকাই গৈছিলা আৰু মৌন ব্ৰত ধৰি আছিলা ; এতিয়া নয়নতৰাৰ প্ৰতি উদাস হৈ পৰিলা ! তাই তোমাৰ সহধৰ্মিনী নহয়নে ? তুমি কি খন্তেকীয়া উত্তেজনাৰ বশবৰ্ত্তী হৈহে চন্দ্ৰ-সূৰ্য্য সাক্ষী কৰি নদীৰ বুকুত উদ্‌বাহোৎসৱ পাতিছিলা ? শ্ৰীৰামচন্দ্ৰই সাগৰ পাৰ হৈ ৰাক্ষসৰ লগত যুদ্ধ কৰি সীতাক উদ্ধাৰ কৰি আনিলে। তাকে নকৰি ৰামেও কব পাৰিলেহেঁতেন—ৰাৱণৰ ঘৰত সীতা সুখে আছে, থাকক। এতিয়া মাত্ৰ দুই মাইল ব্যৱধানত তোমাৰ বিবাহিতা পত্নীক এটা মানুহে গ্ৰাস কৰিব খুজিছে আৰু তুমি নিশ্চেষ্ট হৈ বহি থাকিবা ? ইয়াতকৈ আৰু কাপুৰুষালি কি হব পাৰে ? তেনে কাপুৰুষক মই ঘিণ কৰোঁ, মোৰ আশ্ৰয় বা প্ৰশ্ৰয় পোৱা দূৰৰ কথা।'

তেওঁ আকৌ কলে, 'কথাটো নয়নৰ ফালৰ পৰাও ভাবি চাব লাগে।

হয়তো তুমি ছলনা কৰিছিলা বা নকৰিছিলা ; কিন্তু তাইৰ যে তোমাৰ প্ৰতি অগাধ ভালপোৱা আছিল সেইটো তুমি ভালকৈ জানিছিলা। সেই ভালপোৱা এতিয়া তাইৰ বুকুত জুইলৈ পৰিবৰ্ত্তন হ'ল আৰু সেই জুয়ে তাইক ডেই পুৰি মাৰিছে। তুমি ভাবিছানে ৰাজ কাৰেঙত থাকি তাই শান্তি পাইছে ? কেতিয়াও পোৱা নাই। তাইৰ বুকুৰ সেইকুৰা জুই নুমাবলৈকে তাইক উদ্ধাৰ কৰিব লাগিব। স্ত্ৰী-অন্তৰ কঠাল আঠাৰ দৰে, এবাৰ লাগিলে এৰুওৱা টান।'

বাপুজীৰ কথা শুনি মই লাজতে তলমূৰ কৰিলোঁ ; পাচত কলোঁ, "আপুনি এটা উপায় দিয়ক ; যিহকে কৰিবলৈ কয়, মই কৰিম। মৰিবলৈকো প্ৰস্তুত আছোঁ।" মোৰ কথা শুনি তেওঁ সন্তোষ প্ৰকাশ কৰিলে। এনেতে লগুৱা দুটা উলটি আহিল ; আমিও কথা সামৰিলোঁ।

পাচদিনা পুৱা বাপুৱে কলে, 'গৌৰী, আমি এতিয়া মঞ্জুকৃষ্ণ গোহাঁইৰ ঘৰলৈ যাম, ওলোৱা।' নিৰ্বিকাৰ সুৰত 'বাৰু' বুলি কলোঁ। মোৰ নো ওলাবলৈ আছে কিটো ? সেই একেজোৰ মলিয়ন কাপোৰ। কলপতীয়া ৰঙৰ পায়জামা আৰু কুৰ্ত্তাটো গাতে সদায় লাগিয়ে আছে। তাকে হাতৰ তলুৱাৰে মোহাৰি সোত-মোছবোৰ গুচাই ললোঁ। নৈৰ পানীতে মুখখন চাই আঙুলিৰে চুলিবোৰ আঁচুৰি বাপুজীৰ লগত যাবলৈ ওলালোঁ। এটা মানুহক নাৱৰীয়া থৈ সিটো মানুহক লগত লৈ আমি গাৱঁত সোমালোঁ। হাতত গেৰুৱা ৰঙৰ ছাতি আৰু গাত সেই ৰঙৰে এটা অধীবাস পিন্ধা, চকুত ক'লা বাও বন্ধা চশমা লগাই টকলামূৰীয়া মানুহ এজন কাচিৎহে সেই গাৱঁত আবিভাৱ হয়। লগতে আকৌ এটা বিপৰীত কেচপতীয়া ৰঙৰ কাপোৰ পিন্ধা লগুৱা। গতিকে গাৱঁত প্ৰবেশ কৰাৰ লগে লগে আমাক চাবলৈ অহা মানুহৰ অভাৱ নাছিল ; লৰাছোৱালীৰতো কথাই নাই। মঞ্জুকৃষ্ণ গোহাঁইৰ ঘৰলৈ যাবলৈ বাটটো দেখুৱাই দিবলৈ বাপুজীয়ে মানুহবোৰক অনুৰোধ কৰিলত সমবেত সকলৰ মাজৰপৰা চাৰিজন আগবাঢ়ি আহিল।

প্ৰায় ডেৰ মাইলমান পথ অতিক্ৰম কৰাৰ পাচত আমি মঞ্জুকৃষ্ণ

গোহাঁইৰ বিৰাট টোলটো পালোঁগৈ। পাঁচ পুৰামান মাটি সামৰি এটা প্ৰকাণ্ড গড়; তাৰ চাৰিওফালে সাতহাতমান বহল এটা খাৰৈ। দলং এখন পাৰহৈ গড়ৰ ভিতৰলৈ যাব লাগে এখন ওখ সিংহদ্বাৰেদি। সেই সিংহদ্বাৰত এটা আৰক্ষই সদায় পহৰা দি থাকে; অচিনাকী মানুহক গড়ৰ ভিতৰলৈ সোমাবলৈ নিদিয়ে। আমাৰ সাতজনীয়া দলটোৱে তাক অৱশ্যে কিছু বিচলিত কৰিলে। সি আগবাঢ়ি আহি আমাক সুধিলে আমি ভিতৰলৈ যাম নেকি বুলি। লগত অহা চাৰিজন মানুহৰ দুজনক বাপুৱে আৰক্ষৰ সৈতে গোহাঁইৰ ওচৰলৈ পঠিয়াই দিলে শুভেচ্ছা জ্ঞাপন কৰিবলৈ। আধাঘণ্টামানৰ পাচত মানুহ দুজন আৰু আৰক্ষ উলটি আহিল; কলেহি —বাপুক লগ পালে গোহাঁই বৰ সুখী হব। তেতিয়া সেই মানুহ দুজনকে আকৌ লগত লৈ বাপু গোহাঁইৰ ঘৰলৈ গ'ল। আমি সিংহদ্বাৰৰ ওচৰৰ বননিতে বহি থাকিলোঁহঁক।

৩১

বাপুজী গৈ মঞ্চুক্ফা গোহাঁইৰ ঘৰ পালত তেওঁলোকৰ মাজত কেনে সম্ভাষণ আৰু বাক্যালাপ হৈছিল, বাপুজীয়ে পাচত মোক সবিশেষ কৈছিল ; তাৰ মৰ্ম এই—

বাপুজীয়ে সুধিছিল, 'তিনিমাহমানৰ আগতে এজনী ছোৱালী এখন কাঠৰ ভুঁড়ৰে নৈয়েদি কান্দি-কাটি উটি আহিছিল। সেই ছোৱালীজনীক পানীৰ পৰা তুলি আনি আপোনাৰ ঘৰতে আশ্ৰয় দিছে ; হয়নে ?' গোহাঁয়ে এই কথা স্বীকাৰ কৰিলে।

'তাইৰ প্ৰাণ ৰক্ষা কৰি আপুনি অক্ষয় পুণ্য সঞ্চয় কৰিলে ; আপোনাৰ শিৰত তথাগতৰ আশীৰ্ব্বাদ বৰ্ষণ হওক। সেই ছোৱালী জনীক মই বিচাৰি আহিছোঁ। তাইৰ গিৰীয়েকক কিছুমান পাষণ্ড মানুহে বন্দী কৰি তাইক হাত কৰিব খুজিছিল ; তাকে গম পাই তাই পানীয়ে পানীয়ে পলাই আহিছিল। তথাগতৰ আদেশ পাই মই তাইৰ গিৰীয়েকক সেই পাষণ্ডহঁতৰ হাতৰ পৰা মোকোলাই আনিলোঁ। বৰ্ত্তমান সি মোৰ লগতে আছে। এতিয়া মই আহিছোঁ তাৰ বিবাহিতা পত্নীক আপোনাৰ পৰা নি তাইৰ গিৰীয়েকক গতাই দিবলৈ। লোকৰ দুখ দূৰ কৰাই আমাৰ নিচিনা সন্যাসীৰ কাম।

'আপুনি যেতিয়া ছোৱালীজনীক পানীৰ পৰা তুলি আনে তেতিয়া তাইৰ লগত কিবা কানি কাপোৰ পাইছিলেনে ?'

'হয় পাইছিলোঁ।'

'সেই কাপোৰৰ মাজত পুৰুষ মানুহৰ সাজ নাছিলনে ?'

'হয়, আছিলে ; এটা পায়জামা আৰু এটা কুৰ্ত্তা।'

'তেনেহলে আপোনাৰ মনত নিশ্চয় খেলাইছিলে যে ছোৱালীজনীৰ কোনো স্বামী আছিলে।'

'স্বামীও হব পাৰে, ভাই, ককাই বা বাপেকো হব পাৰে।' তেতিয়া বাপুৱে আগত থকা মেজখনৰ সেউজীয়া ৰঙৰ ঢাকনী কাপোৰখনলৈ আঙুলিয়াই কলে, 'সেই পায়জামা আৰু কুৰ্ত্তাৰ ৰং ঠিক এই কাপোৰখনৰ দৰে নহয়নে ?'

গোহাঁয়ে আচৰিত হৈ সুধিলে, 'আপুনি কেনেকৈ জানিলে ?'

'তাইৰ গিৰীয়েকে মোক কৈছিলে ; যি মোৰ লগতে আছে বুলি আপোনাক কৈছোঁ !'

এইবাৰ মুঞ্জুকুফাই ধীৰে ধীৰে কলে, 'এই ছোৱালীজনী কান্দি কান্দি নৈত উটি আহিছিল—জীৰ্ণ কাপোৰেৰে ঢকা এটা শীৰ্ণ শৰীৰ লৈ। তাই দেখিবলৈ শুৱনী ; মোৰ বেথা লাগি তাইক পানীৰ পৰা তুলি আনি মোৰ ঘৰতে প্ৰতিপাল কৰি ৰাখিছোঁ। মানুহে কয় উজনিত যে অপ্সৰীবিলাকৰ ৰাজ্য আছে তাৰ পৰা খেদা খোৱা এইজনী ভ্ৰষ্টা ছোৱালী। কিন্তু এজনী গাভৰু ছোৱালী এইদৰে ঘৰত ৰখাতকৈ বিধিমতে বিবাহ কৰাই ভাল। তাকে ভাবি অহা পূৰ্ণিমাত আমাৰ মাজত বিয়াখন বিধিমতে পাতিম বুলি স্থিৰ কৰিলোঁ। সেইমতে বিবাহৰ সকলো আয়োজন কৰা হৈ গ'ল। কানি-কাপোৰ, আ-অলঙ্কাৰ গোটোৱা হ'ল ; কেৱল মানুহক নিমন্ত্ৰণ কৰিবলৈহে আছে। এতিয়া তাইক মই কেনেকৈ এৰি দিওঁ ?'

বহুত দিনৰ মূৰত এজন টকলামূৰীয়া বৌদ্ধ ভিক্ষু গাৱঁলৈ অহা গম পাই ওচৰ-চুবুৰীয়া মানুহেৰে গোহাঁইৰ চোতাল ভৰি পৰিল। এটা আমোদজনক বিষয়লৈ তেওঁলোকৰ মাজত হোৱা কথা-বাৰ্ত্তা শুনিবলৈ সকলো উদ্‌গ্ৰীৱ হ'ল। গোহাঁইয়ে যদিও সিহঁত থকাত অস্বস্তি বোধ কৰিছিলে তথাপি মানুহবোৰক চোতাল এৰি গুচি যাবলৈ কবলৈ মনত সাহ গোটাব নোৱাৰিলে।

নয়নক এৰি দিবলৈ অমাস্তি হোৱাত বাপুৱে উত্তেজিত হৈ কবলৈ ধৰিলে, 'আপুনি কি লোকৰ বিবাহিতা আৰু কৃতোপভোগা মানুহ

এজনীক বিধিৰ গাত আঁউজি নিজৰ কৰি লব খুজিছে ? যিখন বিধিৰ আঁৰত আপুনি এই বিয়া পাতিব খুজিছে, সেই বিধিৰ গাত আপুনি কলঙ্ক সানিব খুজিছে। স্বামী জীয়াই থকাত এজনী স্ত্রীক অইন এটা মানুহে বিয়া কৰাব পাৰে এনে কথা পৃথিৱীৰ কোনো বিধিয়ে সমৰ্থন নকৰে। অৱশ্যে আপুনি আগতে নেজানিছিল এই মানুহজনীৰ স্বামী আছে বুলি। অজ্ঞানতাবশতঃ কোনো এটা কাম কৰিলে আপোনাক কোনেও নোদোষে। কিন্তু এতিয়া মই আপোনাক জনালোঁ তাইৰ পতি জীৱিত আছে ; আপোনাৰ সিংহদ্বাৰতে তাইক নিবলৈ বুলি অপেক্ষা কৰি আছে। এতিয়া আপোনাৰ কৰ্ত্তব্য তাক মাতি আনি তাৰ হাতত মানুহজনী সমৰ্পণ কৰা।

'শুনিছোঁ আপোনাৰ তিনিজনা সুলক্ষণা কুঁৱৰী আছে। তেওঁ-লোকক অধিবিন্না কৰি বাটৰ পৰা বুটলি অনা এক পৰস্ত্রীক পাৰ্শ্বশায়ী কৰি লবলৈ যোৱাটো অত্যধিক ইন্দ্রিয়াশক্তিৰ পৰিচায়ক মাত্র। তাইৰ প্রতি আপোনাৰ এই বয়সত কোনো প্রেম হব নোৱাৰে। গৰিহনাৰ যোগ্য গ্ৰাম্যধৰ্ম্মৰ সোৱাদ বিচাৰিহে আপুনি তাইক পাবলৈ উত্তম কৰিছে।'

বাপুজীৰ কথাবোৰ শুনি উপস্থিত গ্ৰামবাসী সকলে সমৰ্থন সূচক মূৰ দুপিয়াইছিলে আৰু মাজে মাজে 'ভালকৈছে', 'সঁচা কৈছে' এনেবোৰ মন্তব্যৰ বাণ মাৰিছিল। বাপুজীৰ উত্তেজিত কথাবোৰ শুনিবলৈ বেৰৰ আঁৰত গোহাঁইৰ তিনিজনা কুঁৱৰীয়েও কাণ থিয় কৰি আছিল ; সেইটো গোহাঁইয়ে জানিছিলে আৰু জানি লাজ পাইছিল।

বাপুজীয়ে সামৰণি মাৰিলত গোহাঁইয়ে তললৈ মুখ কৰি কলে, 'আপুনি কৈছে ছোৱালীজনীৰ গিৰীয়েক সিংহদ্বাৰত আছে ; মাতি পঠাওক, মই চাওঁ।' তেতিয়া বাপুজীয়ে লগত যোৱা গাৱঁলীয়া মানুহ দুটাক পঠিয়াই দিলে মোক নিবলৈ। বাপুজীয়ে গোহাঁইক কলে—

'আপুনি পানীৰ পৰা উদ্ধাৰ কৰি অনা ছোৱালীজনীক আনকচোন, চাওঁ।' গোহাঁই উঠি গৈ নয়নতৰাক হাত বাউল দি মাতি আনিলে। নয়নে ওলাই আহি বাপুজীক চুটি নমস্কাৰ এটা কৰি থিয় হৈ থাকিল।

বাপুজীয়ে কলে, 'মা, নয়নতৰা, তুমি কেনে আছা?' নয়নে কেতিয়াও ভবা নাছিলে এজন বৌদ্ধ ভিক্ষুৰ মুখত অসমীয়া কথা ফুটিব বুলি। বাপুজীৰ কথা শুনি তাই অবাক হ'ল; লগে লগে মাতৃভাষাত যি স্বাভাৱিক মধু আছে তাৰ সোৱাদ পাই শৰীৰ ৰোমাঞ্চিত হ'ল।

তাই উত্তৰ দিলে 'যেনে তেনে আছোঁ।' বাপুৱে দেখিলে নয়নৰ শাৰীৰিক অৱস্থা বৰ বেয়া; কোনোমতেহে মাতষাৰকে মাতিছিল। বোধকৰোঁ আগন্তুক বিবাহৰ চিন্তাত তাই নেখাই-নবৈ শুকাই গৈছিল। বাপুৱে তেওঁৰ মিহলি ভাষাত আকৌ কলে—

'মা, তোমাকে আমি একটা শুভ বাৰ্ত্তা দিব; তোমাৰ গৌৰী বৰদলৈ ভালে আছে।' বাতৰিটো পাই তাইৰ শৰীৰৰ মাজেদি যেন এটা তড়িৎ প্ৰবাহ বৈ গ'ল। অতি ব্যগ্ৰতাৰে সুধিলে—

'ক'ত আছে, হয়নে ক'ত আছে?' তাইৰ কেহেৰাজ বৰ্টা মুখখন উজ্বল হৈ পৰিল; লগে লগে চকুপানী বৰলৈ ধৰিলে। উপস্থিত গাঁৱলীয়া মানুহবোৰ তাইৰ বাহ্যিক অৱস্থা দেখি আৰু চকুৱে মুখে ফুটি ওলোৱা অন্তৰ্বেদনা অনুমান কৰি 'অস্, অস্' শব্দ উচ্চাৰিছিল।

বাপুৱে কলে, 'গৌৰী মোৰ লগতে আছে। শীঘ্ৰে দেখিতে পাৰা। এতিয়া ভিতৰে যোৱা।' নয়নতৰা ভিতৰলৈ গ'ল।

বাপুজীয়ে ইমান সহজে এই অপেশ্বৰী দেশৰ ছোৱালীজনীৰ লগত কথা পাতি ভাব বিনিময় কৰা দেখি উপস্থিত মানুহবোৰ বৰ আচৰিত হ'ল। অনেক ভাষা জানে বুলি বাপুজীলৈ সিহঁতৰ শ্ৰদ্ধা যেনেকৈ বাঢ়িলে, নিবোকা ছোৱালী এজনীক আবদ্ধ কৰি ৰখাৰ কাৰণে গোহাঁইলৈ শ্ৰদ্ধা সেইদৰে কমিলে।

ইতিমধ্যে মই গাঁৱলীয়া মানুহ দুজনেৰে সৈতে গোহাঁইৰ চৰাত উপস্থিত হলোঁগৈ। দেখিলোঁ এখন কলপতীয়া ৰঙৰ মেখেলাৰ ওপৰত ক'লা ৰঙৰ এটা দীঘল কোট চোলা আৰু চাৰিটা আঙুলিত চাৰিটা সোণৰ আঙঠী পিন্ধা, ওখ, সুশ্ৰী মঙ্গলীয় মানুহ এজন বাপুজীৰ ওচৰত বহি আছে। মোক দেখি বাপুজীয়ে কলে, 'এস, এস'।

সিজনক ঘৰৰ গিৰিহঁত বুলি ভাবি নমস্কাৰ এটা কৰিলোঁ।

গোহাঁইয়ে মোক ভৰিৰ পৰা মূৰলৈকে চাই চকী এখনত বহিবলৈ কলে। বাপুজীয়ে কলে "আপুনি পানীৰ পৰা উদ্ধাৰ কৰি অনা ছোৱালীজনী এওঁৰে পত্নী"। গোহাঁইয়ে আকৌ এবাৰ মোৰ ওপৰত চকু ফুৰালে আৰু বাপুৰ লগত দুই-চাৰি আষাৰ কিবা কথা পাতি উপস্থিত সকলোবোৰ গাঁৱলীয়া মানুহক নিজ নিজ ঘৰলৈ যাবলৈ কলে; সিহঁত গুচি গ'ল।

নয়নক পানীৰ পৰা তুলি আনোতে তাইৰ লগত যে কলপতীয়া ৰঙৰ পায়জামা আৰু কুৰ্ত্তাচোলা পাইছিল, ঠিক তেনেযোৰ কাপোৰকে মোৰ গাত দেখি গোঁহাইৰ বুজিবলৈ বাকী নাথাকিল যে ময়েই তাইৰ সঙ্গী আছিলোঁ যাক হেৰুৱাই তাই কান্দি কান্দি নৈত উটি আহিছিল। ওচৰ চুবুৰীয়া মানুহবোৰ ঘৰাঘৰি গুচি যোৱাৰ পাচত গোহাঁইয়ে বাপুজীৰ লগত পাঁচমিনিটমান কথা পাতি ভিতৰলৈ গ'ল। বাপুজীয়ে মোক একো নকৈ মনে মনে বহি থাকিল; মইও তেওঁক একো কথা নুসুধি—কিবা এটা ঘটনা ঘটিব—এনে এটা ভাবৰ দোলনাত দুলি থাকিলোঁ। বৈ আছোঁ, বৈ আছোঁ; একো উম্‌ঘাম্ নাই; বাপুৱেও মুখ বন্ধ কৰি বহি আছে। বৈ বৈ এক মিনিটকে আধাঘন্টা যেন লাগিছিল। তেনে এক মিনিট দহোটামান পাৰ হৈ গ'ল।

অৱশেষত গোহাঁইয়ে এটা কোঠালিৰ দুৱাৰ মুখৰ পৰা মোক হাত বাউল দি মাতিলে।• মই গ'লত গোঁহাইয়ে মোক কোঠাটোৰ ভিতৰলৈ ঠেলি দি দুৱাৰখন জপাই গুচি গ'ল। পোহৰৰ পৰা গৈ পোনতে মই একো দেখা নাছিলোঁ। অলপ পাচতে দেখিলোঁ এজনী মানুহ মোৰ ফালে পিঠি দি 'টুল' এখনত বহি আছে। সম্পূৰ্ণৰূপে নিশ্চিত নহৈও মই যেতিয়া 'নয়ন' বুলি মাতিলোঁ, তাই একে চাবে আহি মোক সাৱট মাৰি ধৰিলে। মোৰ মুখখন তাই ভালকৈ দেখা নাছিল যদিও মোৰ মাতটোৱে ধৰা দিলে। মোক সাৱট মাৰি ধৰি তাই হুক্-হুক্ কৈ কান্দিবলৈ ধৰিলে। মোৰ চকুৰ পৰা নিগৰি পৰা আনন্দাশ্ৰুৱে তাইৰ দুই গাল তিয়াই দিলে। কাৰো মুখত মাত নাই।

মিলন মাধুৰিত সিক্ত হৈ থকা নয়নক মোৰ গাৰ পৰা এৰুৱাই সুধিলোঁ, "নয়ন তই জীয়াই আছ? তই সঁচাকৈ জীয়াই আছ?'

তাই মোক তুনাই সাৰটি ধৰি কলে, “তুমি কেনেকৈ হেৰাইছিলা ? কলৈ গৈছিলা ?”

“কিছুমান দুষ্ট মানুহে মোক পাই ধৰি নি বন্দী কৰি ৰাখিছিল। বাপুজীয়েহে মোকোলাই আনিলে।”

“বাপুজী কোন ?”

“বাহিৰত যে বহি আছে গেৰুৱা বসন পিন্ধি।”

এনেতে আমি বহি থকা কোঠাটোৰ কাষেদি হা-হা-হা কৈ হাঁহি গোহাঁই পাৰ হৈ গ'ল।

বাপুজীয়ে উচ্চ স্বৰত বাহিৰৰ পৰা মাতিলে, “গৌৰী, তুমি বুঝি নয়নকে পেয়ে আমাকে ভুলে গেছ ?”

“ব'লা আমি বাহিৰলৈ যাওঁ,” এই বুলি কৈ নয়নৰ হাতত ধৰি দুয়ো বাহিৰ চ'ৰালৈ ওলাই আহিলোঁ। ইতিমধ্যে গোহাঁইও আহি উপস্থিত হ'লহি।

মই নয়নক কলোঁ, “বাপুজীক সেৱা কৰ।” তাই জানু পাৰি সেৱা কৰিলত বাপুৱে 'স্বস্তি' বুলি আশীৰ্বাদ দিলে। গোহাঁইয়ে দেখিলে ইতিমধ্যেই মই নয়নৰ ওপৰত প্ৰভুত্ব চলাইছোঁ। তেওঁৰ মুখত বিৰক্তিৰ ছাঁ নেদেখিলোঁ। গোহাঁইয়ে বৰ্মী ভাষাত বাপুৰ লগত অলপ কথা পাতি গুচি গ'ল।

গোহাঁই যোৱাৰ পাচত বাপুৱে কলে, সেইটো কোঠাত তোমালোক দুয়োৰে মিলনৰ দৃশ্যটো গোহাঁইয়ে বেৰৰ জোলোঙাইদি চাই আছিল। তোমালোকৰ মাজত যে গভীৰ ভালপোৱা আছে তাৰ প্ৰমাণ পাই সুখী হ'ল। তেওঁ ভাবিছিল কিজানি দ্বন্দ লাগিহে তোমালোকৰ মাজত বিচ্ছেদ ঘটিছিল। সেইটো যে নহয় তেওঁ এতিয়া বুজিলে। নিৰাশ্ৰয়া হৈ পানীত উটি অহা ছোৱালীজনীক তাইৰ ন্যায্য অভিভাৱকক শোধাই দিবলৈ পাই তেওঁ সুখী হৈছে। দুপৰীয়া সাজ ভাত হেনো গোহাঁইৰ ঘৰতে খাবলৈ আমাৰ সকলোকে নিমন্ত্ৰণ কৰিছে।' কথাখিনি শুনি মই আনন্দিত হলোঁ ; নয়নে ডেও দি দুবৰি খোৱা হৰিণীজনীৰ দৰে লাস্যৰ ভঙ্গিমাত ভিতৰ সোমাল।

গোহাঁইৰ লা-লগুৱাবোৰে বাপুজীক গা ধুবলৈ সকলো সুবিধা কৰি দিলে ; মই পা ধুয়েই সন্তুষ্ট হলোঁ। পাচত গোহাঁইয়ে আমাক ভিতৰলৈ আদৰি নি ভাতৰ পাতত বহুৱালে সুগন্ধী মছলাৰে ৰন্ধা হাঁহৰ মঙহৰ আঞ্জা আৰু আন আন সুখাদ্য দুটা ৰান্ধনীয়ে পৰিবেশন কৰিছিল। খাই বৈ উঠি আমি যেতিয়া আগফালে চ'ৰাত বহিলোগৈ তেতিয়া গোহাঁইয়ে প্ৰস্তাৱ কৰিলে—বাপুজী নিজৰ নাৱলৈ যাওকগৈ, মই গোহাঁইৰ ঘৰতে নিশাটোৰ বাবে আলহী থাকিব লাগে ; গধূলিকৈ ওচৰ চুবুৰীয়া দুই চাৰিজনক মাতি আনুষ্ঠানিক ভাবে সকলোৰে সাক্ষাতে নয়নক মোৰ হাতত অৰ্পণ কৰিব। প্ৰস্তাৱটো শুনি বাপুৱে মুখলৈ চালে। মই আনন্দত আত্মহাৰা হৈ একো ভবা চিন্তা নকৰি 'মোৰ একো আপত্তি নাই' বুলি কৈ দিলোঁ। ভৱিষ্যতে যে কিবা বিপদ হব পাৰে সেইটো ভাবিবলৈ মোৰ মনত আহৰি নাছিল।

অনতিপলমে বাপু লগুৱাটোৰে সৈতে যাবলৈ ওলাল। বাপু আৰু গোহাঁই ওলাই যোৱাৰ পাচত নয়ন আৰু মই মুকলি মনেৰে কথা পাতিবলৈ সুবিধা পালোঁ।

নয়নে ক'লে, "সেইদিনা মোক অকলে এৰি থৈ যে তুমি ফুৰিবলৈ গৈছিলা, মই ভাবিছিলোঁ তোমাক নিশ্চয় বাঘে খালে। কেতিয়াবা আকৌ ভাবোঁ, তুমি মোক কিবা কথাত বেয়া পাই গুচি গলা। এন্ধাৰ হোৱালৈকে যেতিয়া নাহিলা, তেতিয়া মই বাঘৰ ভয়ত ভেঁকুৰ মেলি দিলোঁ।"

মই নয়নক বুজাই কলোঁ কেনেকৈ কুঁহিয়াৰৰ লোভে মোক নি দুটা নিষ্ঠুৰ মানুহৰ হাতত বন্দী কৰিলে ; কেনেকৈ মই বোবাৰ ভাও জুৰি সিহঁতৰ গাৰঁত তিনিমাহ কটালোঁ আৰু কেনেকৈ বাপুজীয়ে মোক সিহঁতৰ হাতৰ পৰা উদ্ধাৰ কৰি আনিলে। এঘণ্টামান কথা পতাৰ পাচত নয়ন উঠি গ'ল। অকলৈ থাকি মনত এটা ডাঙৰ ভয় পোষণ কৰিবলৈ ললোঁ —বাপুজীৰ লগত গুচি নগৈ কিয় মই আচহুৱা মানুহৰ মাজত ৰাতিটো থাকিবলৈ সন্মত হলোঁ। তাহানি হিতোপদেশত পঢ়িছিলোঁ, 'অজ্ঞাত কুলশীলস্য বাস দেয় নকশ্চচিৎ'। বাস দিয়া যদি বেয়া, বাস লোৱাও

সমানে ভুল। ইত্যাদি অমঙ্গলীয়া কথাবোৰ ভাবি থাকোঁতেই হাতত টোপোলা এটা লৈ গোহাঁই উলটি ঘৰ পালেহি। টোপোলাটো মেলি হাঁহি মুখেৰে তাৰ পৰা এটা বগা পায়জামা, এটা বগা কামিজ আৰু এযোৰ ফিটা লগোৱা ক'লা ৰবৰৰ জোতা উলিয়াই মোৰ কালে আগ বঢ়াই দিলে আৰু মুখেৰেও কিবা এটা ক'লে। মই অনুমান কৰিলোঁ, মোক পিন্ধি চাবলৈ কৈছে। বস্তুবোৰ বুটলি লৈ মই কোঠাটোত সোমালোঁ। পিন্ধি উৰি আকৌ ওলাই আহি তেওঁক দেখা দিলোঁ। আটাই কেইপদ বস্তু মোৰ গাত ভালকৈ খাপ খাই ধৰা দেখি তেওঁ এটা মিচিকি হাঁহি মাৰি ভিতৰলৈ গ'ল। তেওঁৰ কাৰ্য্যবোৰ দেখি মোৰ মনৰ পৰা সকলো দুশ্চিন্তা দূৰ হ'ল; চিদাকাশৰ চুকে কোণে যি অলপ ক'লা ডাৱৰ আছিল সকলো কেনিবা উৰি গ'ল। গোহাঁই এজন জ্ঞানী আৰু উদাৰ ভাবাপন্ন মানুহ। পাচত এদিন নয়নক কথাটো ক'লত তাই শ্লোক মাতিলে—

'কাচ কাঞ্চন সংসৰ্গাৎ ধত্তে মৰকতেদ্ৰ্যুতি।'

অলপ পাচতে নয়নে মোক মাতি নি কোঠাটোৰ ভিতৰত বহুৱালে; সন্মুখৰ মেজত আছে চাহপানী আৰু ঘিউত ভজা আটাগুৰিৰ মণ্ড, চেনি আৰু কুটা নাৰিকল।

গধূলি লগুৱা এটা আহি চৰাৰ চকী-মেজবোৰ আঁতৰাই একাষৰীয়া কৰি মজিয়াত ধুনীয়া দলিছা পাৰিলে; দলিছাৰ মাজ ঠাইতে এখন বহল পিতলৰ কাঁহী থৈ তাত বাৰটা মিঠাতেলৰ চাকি কেউকাষেৰে ঘূৰণীয়াকৈ সজাই মাজত কিছুমান ফুল থলে। অলপ পাচতে গাৱঁৰ পৰা চাৰিজন ভাল সাজ-কাপোৰ পিন্ধা মানুহ কাঁহীখনক আগত লৈ বহিল। মই আছিলোঁ কোঠাটোত সোমাই, নতুনকৈ অনা সাজটো পিন্ধি। গোহাঁইয়ে আহি মোক কোঠাটোৰপৰা উলিয়াই নি দীপমালা-শোভিতা কাঁহীখনলৈ মুখ কৰি বহুৱালে। কাঁহীখনৰ সিপাৰে মোলৈ মুখ কৰি বহা ভদ্ৰলোক কিজনৰ আঠোটা ঔৎসুক্যভৰা চকুৰ দৃষ্টি মোৰ ওপৰত ঘনীভূত হোৱা দেখি মই তলমূৰ কৰিলোঁ। এটা লিক্‌চৌৱে ধুনাৰ মলা ঘূৰাই ঘূৰাই গোটেইখন ধোৱাঁ-কোৱা কৰিলে; ধূপ

কাঠিৰ পৰা ওলোৱা সুবাসে কেউফালে আমোলমোলাই গ'ল। গোহাঁইয়ে পটাত পিহা চন্দনৰ ফোঁট এটা মোৰ কপালত দি মোৰ অধিবাস পাতিলে। আলহী সকলৰ এজনে জেপৰ পৰা পুস্তিকা এখন উলিয়াই পঢ়িবলৈ ললে; আমি আটায়ে কাণ পাতি শুনিলোঁ যদিও মই একোটো বুজা নাছিলোঁ।

মিনিটচেৰেকৰ পাচতে মোৰ পাছফালে এটা খচ্-মচ্ শব্দ শুনি ঘূৰি চাই দেখিলোঁ, ক্ষৌম বস্ত্ৰ পৰিহিতা নানা অলঙ্কাৰ ভূষিতা, সুবাস মণ্ডিতা গোহাঁইৰ তিনিজনা কুৱঁৰীয়ে চিকমিকোৱা চাটিন কাপোৰৰ মেখেলা আৰু সোণালী বুটা দিয়া আকাশ বৰণীয়া উত্তৰীয় পিন্ধাই ওৰণিৰে মুখখন ঢাকি কইনাৰ খোজত নিশ্চয় নয়নকে আগবঢ়াই আনিছে; আনি মোৰ সোঁহাতে দলিচাতে বহুৱালে; কুৱঁৰী সকলো বহিল; পাছতে জনীচেৰেক গাৱঁলীয়া মাইকী মানুহো বহিল। আমন্ত্ৰিত পুৰুষ কেইজনৰ মাজৰ পৰা এজনে মন্ত্ৰ উচ্চাৰণ কৰি মঙ্গলাচৰণ কৰি আমাৰ দুয়োৰো গাত কিছুমান ফুল ছটিয়ালে। তাৰ পাচত গোহাঁইয়ে ডাঙৰ নাৰ্জিফুলৰ মালা এধাৰ পাক মাৰি '৪' অঙ্কটোৰ আকৃতি কৰি নয়ন আৰু মোৰ মূৰেদি সৰকাই ডিঙিত পিন্ধাই দিলে। লগে লগে পিছফালে বহি থকা জোষিকা সকলে উৰুলী জোকাৰ দি আমাৰ মাজত বিয়াখন সাব্যস্ত কৰি পেলালে। তেতিয়া আমাৰ সমুখত থকা ভদ্ৰলোক কিজনক মূৰ দোৱাঁই সেৱা কৰিলোঁ আৰু তেওঁলোকেও অন্তৰৰ পৰা আমাৰ সুখ কামনা কৰি এক মিনিট জুৰি আশীৰ্ব্বাদ দিলে। আশীৰ্ব্বাদৰ অন্তত কুৱঁৰীসকলে আকৌ নয়নক আগৰদৰে ধৰি লৈ গ'ল। মইও নিজৰ কোঠাত সোমালোগৈ। তাত দেখিলোঁ পৰিস্কাৰ আঠুৱা টনা, বগলী পাখি যেন বগা এখন কোমল বিছনাই মোক হাত বাউল দি মাতিছে।

## ৩২

পাচদিনা আমাক দুয়োকো ভাত পানী খুৱাই উলিয়াই পঠিয়াবলৈ ঘৰ খনত উখল-মাখল লাগিল। গোহাঁইয়ে তেওঁৰ আদেশবোৰ তেজী ভাষাত কেউফালে দলিয়াবলৈ ধৰিলে।

ভাত পানী খাই উঠাৰ পাচত দেখিলোঁ, এটা দঁতাল হাতী আৰু এজনী মাখুন্দী আমাক নিবলৈ বুলি চোতালত ৰৈ আছে। গাৱঁৰ লৰা-ছোৱালীবোৰে জপনাৰ সিফালে ৰৈ হাতী চাই আছে। নয়ন আৰু মই দুয়ো আঠু কাঢ়ি প্ৰথমে গোহাঁইক আৰু পাচত কুৰঁৰী সকলক সেৱা কৰিলত তেওঁলোকে আমাৰ মূৰত হাত ফুৰালে। আমি প্ৰফুল্ল মনেৰে আঠু কঢ়াৰ পৰা উঠিলোঁ; সিক্তনয়না কুৰঁৰীসকলে বাওফাললৈ মূৰ হলাই সোঁহাত মেলি আমাক বিদায় দিলে।

দঁতাল হাতীটোত গোহাঁই উঠি আগে আগে গ'ল; মাখুন্দীজনীত আমি দুয়ো উঠি পাছে পাছে গলোঁ। নৈ পাই দেখিলোঁ ঘাটত দুখন ছৈ দিয়া নাও বন্ধা আছে; তাৰে এখনত বাপুজী বহি আমালৈ বাট চাই আছে। হাতীৰ পৰা নামি আমি পোনে পোনে বাপুৰ ওচৰলৈ গৈ তেওঁক প্ৰণাম কৰিলোঁ। তেওঁ আমি দুয়োকো একেলগে দেখি বৰ আনন্দ পালে, কাৰণ তেওঁ জানে যে এই দুটা দুৰ্দ্দশাগ্ৰস্ত প্ৰাণীৰ পুনৰ্মিলনৰ কাৰণ তেৱেঁই। তাৰ পাচত আমি সিখন নাৱত উঠিবলৈ গলোঁ। নয়নে যৌতুকত পোৱা কাপোৰেৰে ঠাহখোৱা টিনৰ পেৰাটো গোহাঁইয়ে আমাৰ নাৱত তুলি আমাক সমজাই দিলে; গোহাঁইয়ে আমাৰ নাওখনৰ নাৱৰীয়া দুটাক কিবা পৰামৰ্শ দিলে, আমি দুইও গোহাঁইৰ ভৰি ছুই সেৱা কৰিলোঁ; তেওঁ আমাৰ মূৰত হাতফুৰাই আমাক আশীৰ্ব্বাদ দিলে। আমি নাৱঁত উঠি শেষবাৰলৈ তেওঁলৈ চাই ললোঁ; তেওঁৰ মুখে চকুৱে আমালৈ ওপজা মৰম ফুটি ওলাইছিল। নাও এৰি দিলে।

সেই একেখন নৈতে আমি যে আকৌ একেলগে উটি যাবলৈ পাম স্বপ্নতো ভবা নাছিলোঁ। কিন্তু তেনে অভাৱনীয় ঘটনাও ঘটিল, সুদে সৈতে। সেই সুদ হল ভুঁড়ৰ পৰা নাৱলৈ 'প্ৰমোচন'। ভাবিলোঁ আমাৰ নিচিনা সুখী আৰু দুটি প্ৰাণী এই পৃথিবীত নাই। সুখ আৰু দুখ জুখিবলৈ কোনো নিৰ্দিষ্ট দগা নাই ; দুখৰ গভীৰতাৰ দ্বাৰাই সুখৰ উচ্চতা নিৰ্ণয় কৰিব লগাত পৰে। আমি দুয়ো দুৰ্গতিৰ যি গভীৰ গৰ্ত্তত পৰি আছিলোঁ তালৈ চালে আমাৰ সেই সহভ্ৰমণ সচাঁকৈয়ে স্বৰ্গসুখ বুলিব লাগিব !

নৌযাত্ৰাৰ তৃতীয় দিনা আগ বেলাতে আমি মান্দেলে বা মান্দালয় মহানগৰীত উপস্থিত হলোগৈ। তাতে বাপুজীৰ এজন সমৃদ্ধশালী ব্যৱসায়ী বন্ধু আছে। বাপুজীয়ে আমাক তেওঁৰ ঘৰলৈকে লৈ গ'ল। নাৱৰীয়া চাৰিটাই আমাৰ আৰু বাপুজীৰ বয়-বস্তু লৈ আমাৰ পাছে পাছে আহিল। গৈ গৈ এটা সুবৃহৎ দুমহলীয়া দালানৰ আগত ৰলোঁ। চিৰকাল পঁজাঘৰত বাস কৰি অহা নয়নতৰাই এই প্ৰকাণ্ড অট্টালিকাটো দেখি মুচ্-কচ্ যাব খুজিছিল। মানুহ থকা ঘৰ যে ইমান ডাঙৰ আৰু অদ্ভুত হব পাৰে তাইৰ স্বপ্নৰো অগোচৰ আছিল।

আমাক দেখি ঘৰৰ গৰাকী স্বয়ং নামি আহি বাপুক হাতত ধৰি লৈ গ'ল ; আমি পাছে পাছে গলোঁ। বাৰান্দাত উঠি বাপু আৰু গিৰিহঁত ভিতৰ সোমাল। বাপুৱে আমালৈ চাই কিবা এটা কলে, ভালকৈ নুশুনিলোঁ। নাৱৰীয়া চাৰিটাই বস্তুবোৰ বাৰান্দাতে দ'মাই থৈ যাবলৈ ওলাল। যি দুটা নাৱৰীয়াই আমি অহা নাওখন বাই আনিছিল সিহঁতে আমাৰ পৰা বিদায় ললে। কিন্তু সিহঁতৰ পৰিশ্ৰমৰ পৰিবৰ্ত্তে সিহঁতক দিবলৈ আমাৰ একো নাছিল ; আছিল কেৱল একোচকল মিঠামুখীয়া হাঁহি।

আধাঘণ্টামানৰ পাচত লগুৱা এটা আহি আমাক ভিতৰলৈ নি তলৰ মহলাৰে এটা কোঠা দেখুৱাই দিলে ; আমাৰ বস্তু-বাহানিবোৰ নি তাত ভৰালে। সেই কোঠাটোত আছিল এখন চালপীৰা, এখন মেজ আৰু এখন চকী। চাকৰটো আকৌ এবাৰ আহি আমাক পিছফাললৈ লৈ গ'ল। তাত আছে ঘটি, বাল্টি আৰু এটা নলী-নাদ। অনতিদূৰত

থকা পাইখানা এটালৈকো আঙুলিয়াই দি গ'ল। বন্ধৰ পৰা মুকলি ঠাইলৈ আহি ভাল লাগিল; অন্তৰে বাহিৰে দেহ শুদ্ধ কৰি আমি আকৌ আমাৰ কোঠালীত সোমালোঁ। তাত তুপৰীয়াৰ আহাৰ, ভাত আৰু মাছৰ জোল আনি দিলে; আমি তৃপ্তিৰে খালোঁ।

ভাত খাই উঠি এঘণ্টামান বহি থকাৰ পাচত এটা লগুৱা আহি মোক অইন এটা কোঠালৈ লৈ গ'ল; তাত দেখিলোঁ বাপুজী আৰু গৃহস্থই কথা পাতি আছে। দুইকো নমস্কাৰ কৰি ওচৰ চাপিলত গিৰিহঁত জনৰ ইঙ্গিতমতে এখন চকীত বহিলোঁ। তেওঁলোকৰ মাজত কথাৰ অন্তই নপৰে; মোৰ বহি বহি আমনি লাগিছিল। অৱশেষত বাপুজীয়ে কলে, "অন্যান্য উদ্যোগৰ উপৰিও এখেতৰ মটৰগাড়ী ভালকৰা কাৰখানা এটা আছে। তাতে তোমাক সধ্যে নিযুক্ত কৰিব পাৰে। বুদ্ধি, খাটনি আৰু নিষ্ঠাৰ ওপৰত তোমাৰ বেতন নিৰ্দ্ধাৰিত হব। তুমি সেই কামত সোমাবলৈ মান্তি হবানে?"

উত্তৰত মই কলো, "হয়, আৰু যথাসাধ্য চেষ্টা কৰিম গৰাকীৰ আয় বৃদ্ধি কৰিবলৈ।" এই কথাষাৰ বৰ্মী ভাষাত গিৰীক বুজালত তেওঁ সন্তুষ্ট হোৱা যেন দেখা গ'ল।"

বাপুৱে আকৌ কলে, "কাৰখানাৰ ওচৰতে তোমালোক দুয়োৰে নিমিত্তে এটা সৰু ঘৰ দিহা কৰি দিব। ঘৰটো বাসোপযোগী কৰিবলৈ হয়তো চাৰি পাঁচদিন লাগিব; সেই কেইদিন তেওঁৰ ঘৰতে থাকিব পাৰিবা।" কথাখিনি শুনি মোৰ মুখমণ্ডলত সন্তুষ্টিৰ যি এটা আভা বিৰিঙিছিলে, শাল চকুৱা উদ্যোগপতিৰ চকুত ধৰা পৰিছিল; তেওঁ মিচিকীয়া হাঁহি এটা মাৰিলে।

অলপ পাচতে গিৰীয়ে মোক লৈ গল তেওঁৰ মটৰ কাৰখানা দেখুৱাবলৈ। দহখনমান আঁৰলগা মটৰ গাড়ীয়ে মিস্ত্ৰীলৈ বাট চাই আছে। জনচেৰেক মিস্ত্ৰীয়ে অইন গাড়ীত কাম কৰি আছে। মোক নি 'হেড মিকানিকৰ' লগত চিনাকী কৰি দিলে। এওঁ ইংৰাজী জানে; গতিকে কথা পাতিবলৈ লগা এজন পালোঁ। পাচদিনাৰ পৰাই মই কামত যোগ দিলোঁ।

চাৰিদিনৰ মূৰত আমি এটা জুপুৰি ঘৰলৈ স্থানান্তৰিত হলোঁ। এটা দুকোঠলীয়া খেৰৰ ঘৰ ; পাছফালে বাৰান্দা আৰু সৰু এটা ৰান্ধনীঘৰ, কেউফালে বন-বাট অঁতাই থোৱা সৰু এক খণ্ড আবাস ভূমি। ঘৰৰ ভিতৰত আছে এখন চালপীৰা ; বেৰতে ঠেকা খাই কোনোমতে থিয় হৈ আছে এখন হলেক্-পেলেক্ মেজ ; দুটা মূঢ়া আৰু এডাল কাপোৰ থোৱা দাঁড়। ৰাজপ্ৰাসাদৰ এটা কোঠাত আবদ্ধ হৈ থকাতকৈ এই জুপুৰিটোর্তে মুকলি মূৰীয়াকৈ থাকিবলৈ পাই যেন সকাহ পালোঁ। ঘৰৰ গিৰীজন যে কিমান ভাল মানুহ বুজিলোঁ, যেতিয়া তেওঁ এই জুপুৰি ঘৰলৈকে আহি আমাৰ হাতত অলপ আগধন দি গ'ল মাহৰ শেহলৈকে চলিব পৰাকৈ ; লগুৱা এটাৰ হাতত ঘটি বাল্টি আৰু ৰন্ধাৰ সজুঁলিও দি পঠালে।

নয়নে পাৰদৰ্শিতাৰে ঘৰ চলাই ৰান্ধি-বাঢ়ি মোক দিনটোত দুই বেলা খুৱাই-ধুৱাই কামলৈ পঠিয়াবলৈ পাই বৰ সন্তোষ লভিছিল। কামৰ পৰা আহি আবেলি বজাৰৰ পৰা চাউল, মাছ, শাক-পাচলি আৰু খৰি কিনি আনোঁ; এই বস্তুবোৰ ইয়াত সস্তা। যিদিনা বজাৰলৈ নাযাওঁ, সেইদিনা আমাৰ গৰাকীৰ ঘৰলৈ গৈ বাপুজীক পাঠাগাৰ, অৰ্থাৎ লাইব্ৰেৰীৰ পৰা উলিয়াই আনি বিশাল ইৰাৱতী নৈৰ পাৰত দুইও খোজ কাঢ়ি ফুৰোঁ। নৈৰ পাৰত ফুৰি ফুৰোঁতে বাপুজীয়ে অনেক কথা কয়। তেওঁ ইংলণ্ড, ইটালী, জাৰ্মেনী, জাপান আদি অনেক দেশ ফুৰিছে। সেই দেশৰ মানুহবোৰৰ জাতীয় বিশেষত্ব, ৰাজনীতি আৰু ধৰ্ম্ম বিশ্বাস সম্বন্ধেও বহুত কথা জানিবলৈ মই সুবিধা পালোঁ।

এদিন মই বাপুজীক সুধিলোঁ, "আপুনি ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কৰেনে?"

উত্তৰত তেওঁ মোক বাউসীত ধৰি টানি নি তামোল গছ এজোপাৰ পাতৰ পৰা ওলমি থকা টোকোৰা চৰাইৰ বাহ এটালৈ আঙুলিয়াই দেখুৱালে আৰু কলে, "তোমাৰ প্ৰশ্নৰ উত্তৰ তাতে আছে।"

মই কলোঁ, "তাত কণী আছে।"

তেওঁ বিৰক্তিৰে কলে, "তোমাৰ মাথায় গোবৰ আছে।"

এদিন আমাৰ মাজত চলি থকা কথাৰ ধাৰটো ভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰলৈ বাগৰিল। ভাৰতীয় ৰাজনীতিৰ পানী ঘোলা কৰা জনচেৰেক নেতাৰ কথা কৈ থাকোঁতে, তেওঁৰ কথাত বাধা দি মই নেতাজী সুভাষ বসুৰ কথা উলিয়ালোঁ। মই কলোঁ, "আজাদ হিন্দ ফৌজ গঠন কৰি বৃটিছক খেদিবলৈ বুলি তেওঁ মণিপুৰত সোমাইছিল; সেইটো জানোঁ। কিন্তু ইতিমধ্যে মই অসম দেশ এৰি জংঘলত সোমালোগৈ। তাৰ

পাচত কি হ'ল মই কব নোৱাৰোঁ। নেতাজীৰ সেই অমৰ অভিযানৰ ফলাফল কি হ'ল মোক কওকচোন।”

মোৰ প্ৰশ্নটো শুনি মানুহজন উচাপ্‌খাই উঠিল। বিস্ফাৰিত চকুৰে তেওঁ কিছুপৰ অন্যমনস্ক হৈ মোলৈ চাই আছিল। সেই সময়ছোৱাৰ ভিতৰতে তেওঁৰ মুখখনে কেইবাবাৰো ৰং সলালে; এবাৰ শেতা পৰে, এবাৰ ৰঙা হয়। মোৰ ভয় লাগিল। তেওঁ মোক এৰি থৈ বেগা-বেগীকৈ খকা ঠাইলৈ গুচি গ'ল; মই পাছে পাছে যাবলৈ সাহ নকৰিলোঁ। আলিবাটৰ মেচ এটা ঘূৰি তেওঁ অদৃশ্য হ'ল।

মোৰ মনটো খালি খালি লাগিল। একো কাৰণ ভাবি নাপালোঁ, কিয় তেওঁ মোক এইদৰে এৰি থৈ গুচি গ'ল। মই কি জগৰ লগালোঁ? কি কথাত তেওঁ ইমান আঘাত পালে? সুভাষ বসুৰ নামটো শুনিলতে তেওঁৰ সৌম্য মূৰ্ত্তিৰ কিয় ইমান পৰিবৰ্ত্তন হল? সুভাষ বসু তেওঁৰ শক্ৰ আছিল নে পৰম বন্ধু আছিল? পাচত মোৰ মনত খেলালে কিজানি তেৱেঁই নেতাজী, যি এক দুঃসাহসিক অভিযানত অৱতৰণ কৰি পাচত ব্যৰ্থকাম হৈ ছদ্মবেশত লোকহিতকৰ কামত আত্ম নিয়োগ কৰি ঘূৰি ফুৰিছে! এইটোৱেই সত্য তত্ত্ব বুলি মোৰ মনে খামুচি ধৰিলে। কিন্তু প্ৰমাণ কৰিবৰ উপায় নাই সুভাষ বসুক দেখা নেলাগে, তেওঁৰ আলোকচিত্ৰ বা ছবি এটাও দেখা নাই। ভাবি ভাবি মই ঘৰ ওলালোঁগৈ। ঘৰত আহি কলত নয়নে মোক কেটকেটালে। তেনে ডাঙৰ মানুহৰ লগত উচিত সীমা পাৰ হৈ অবান্তৰ কথা পাতিবলৈ মোক কিহে পাইছিল? কাল-পাত্ৰ বিচাৰ নকৰি মনত যিহকে খেলায় তাকে মুখেৰে ব্যক্ত কৰাটো শিক্ষিত আৰু সুৰুচিপূৰ্ণ মানুহৰ লক্ষণ নহয়। মই হেনো ভদ্ৰলোকৰ লগত কথা পাতিব নেজানো। নয়নৰ কথা শুনি মোৰ টিঙিছকৈ খংটো উঠিলে। ক-আখৰটো চিনি নোপোৱা হাবিতলীয়া ছোৱালী এজনীৰ দ্বাৰা ইমান তিৰস্কৃত হৈ মনটো তিতা লাগি গ'ল; নেখাই নবৈ শুই থাকিলোঁ।

পাচদিনা আবেলি বাপুজীক বিচাৰি গৰাকীৰ ঘৰ পালোঁগৈ। তেওঁ মোক দূৰতে দেখি ওপৰ মহলাৰ পৰাই কলে, "বাপুজী চাইগন চলা গিয়া।" মোৰ মূৰত বজ্ৰপাত পৰা যেন লাগিল। তথাপি মই সুধিলোঁ—

"কব লোটেগে।"

"চাইগন সে বুহ জাপান যায়েঁগে।" শুনি মই থৰ হলোঁ।

ঘৰলৈ আহি নয়নক জনালোঁ বাপুজী গুচি যোৱাৰ কথা। ক্ষন্তেক ৰ লাগি থাকি তাই মাত্ৰ গালে,

'সন্ত মহান্ত ভ্ৰমন্তি নিত্যং
বসন্ত বল্লোক হিতং চৰন্ত।"

সেইদিনা আছিল ১৯৪৫ চনৰ পহিলা অক্টোবৰ।